

গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা

দ্বাদশ বছৰ ■ সংখ্যা ৩৪৩ ■ গুৱাহাটী ■ শুকুৰবাৰ, ২২ জুলাই, ২০২২, ৫ শাওণ, ১৯৪৪ শক
RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মূল্য ঃ ১০.০০ টকা ■ মুঠ পৃষ্ঠা =১২
VOL. XII ISSUE NO. 343 Dainandin Barta ■ Guwahati, Friday ■ 22 July, 2022 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12 ■ Rs. 10.00 Only



# দেশৰ নতুন ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মু



## সাংবিধানিক মুৰব্বী পদত প্ৰথমবাৰলৈ অধিষ্ঠিত হ'ব জনজাতি আৰু আদিবাসী মহিলা ঃ ২৫ জুলাইত শপত

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২১ জুলাই ঃ** বিজেপি নেতৃত্বাধীন এনডিএৰ ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী দ্ৰৌপদী মুৰ্মু দেশৰ ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত হ'ল। ভোট গণনাৰ প্ৰথম ৰাউণ্ডৰ পৰাই দ্ৰৌপদী মুৰ্মুৰ বিজয় নিশ্চিত বুলি স্পষ্ট হৈ পৰিছিল। অৱশেষত সেই সম্ভাৱনাকেই সঁচা প্ৰমাণ কৰি মুৰ্মু ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত হয়। বৃহস্পতিবাৰে গণনা আৰম্ভ হোৱাৰ লগে লগে দ্ৰৌপদী মুৰ্মু বহু আগবাঢ়ি আছিল। প্ৰথম ৰাউণ্ডৰ শেষত দ্ৰৌপদী মুৰ্মুৱে ৫৪০টা ভোট লাভ কৰে। আনহাতে, বিৰোধী দলৰ ৰাষ্ট্ৰপতি ■ ৮ পৃষ্ঠাত

## ভাৰতৰ ৰাষ্ট্ৰপতি নিৰ্বাচনৰ কিছু কথা

আজি দেশে লাভ কৰিব যোড়শতম ৰাষ্ট্ৰপতিগৰাকী। দেশৰ ৰাষ্ট্ৰপতি নিৰ্বাচনত এতিয়ালৈকে ৰাষ্ট্ৰপতি হিচাপে ভোটৰ জৰিয়তে নিৰ্বাচিত হৈছে মুঠ ১৪গৰাকী ব্যক্তি। দেশৰ প্ৰথম ৰাষ্ট্ৰপতি ৰাজেন্দ্ৰ প্ৰসাদেই দুবাৰকৈ ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত হৈছিল। দেশৰ সৰ্বোচ্চ পদবীটোৰ বাবে অনুষ্ঠিত নিৰ্বাচনত সৰ্বাধিক ভোট লাভ কৰি অভিলেখ সৃষ্টি কৰি থৈছে ৰাজেন্দ্ৰ প্ৰসাদেই। একেদৰে ১৯৬৯ চনত দেশৰ ৰাষ্ট্ৰপতি নিৰ্বাচনত ■ ৮ পৃষ্ঠাত



## দ্ৰৌপদী মুৰ্মুৰ বিজয়ত ৰাজ্যজুৰি আৱতৰীয়া উৎসৱ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বেবেজীয়া, ২১ জুলাই ঃ** দেশৰ পঞ্চদশ ৰাষ্ট্ৰপতি নিৰ্বাচনত এগৰাকী জনজাতি মহিলা প্ৰথমবাৰৰ বাবে দেশৰ ৰাষ্ট্ৰপতি নিৰ্বাচিত হোৱাত আজি সমগ্ৰ দেশৰ লগতে নগাঁও জিলাৰ সদৰ সমষ্টিৰ অন্তৰ্গত পাখিমৰীয়া মণ্ডলৰ আটাইকেইটা পঞ্চায়তে বিজেপি কাৰ্যকৰ্তাসকলে স্থানীয় ৰাইজৰ সহযোগত হাতত বেনাৰ লৈ ৰাজপথত সমদল উলিয়াই দ্ৰৌপদী মুৰ্মুৰ প্ৰতি আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰাৰ লগতে উষ্ম অভিনন্দন জনায়। লগতে বিজেপিৰ কাৰ্যকৰ্তাসকলে আনন্দত মতলীয়া হৈ আতচবাজী, নানা তৰহৰ ফটকা আদি ফুটাই মিঠাই বিতৰণেৰে আনন্দ-উল্লাস কৰা পৰিলক্ষিত হয়। ■ ৮ পৃষ্ঠাত




*খানাপাৰাত আয়োজিত বিজয় উৎসৱত নৃত্য-গীত পৰিবেশনৰ লগতে মুখ্যমন্ত্ৰী আৰু অন্যান্যসকলৰ ব্যাপক উৎসাহ*

### গণতন্ত্ৰৰ জয় ঃ গুৱাহাটী উচ্চ ন্যায়ালয়ে মঞ্জুৰ কৰিলে জামিন

## মুকলি আকাশৰ তললৈ আহিল বৰ্ষাশ্ৰী

**দৈনন্দিন বাৰ্তা বিশেষ সেৱা, গোলাঘাট, ২১ জুলাই ঃ** সুদীৰ্ঘ দুমাহ ধৰি গোলাঘাট জিলা কাৰাগাৰত বন্দীত্ব জীৱন কটোৱা যোৰহাট ডি চি বি ছোৱালী মহাবিদ্যালয়ৰ মেধাৱী ছাত্ৰী বৰ্ষাশ্ৰী শদিয়াখোৱা বুঢ়াগোহাঁয়ে অৱশেষত জামিন লাভ কৰিলে। ছ'চিয়েল মিডিয়াৰ ফেচবুকত জাতীয়তাবাদী মনোভাবৰ কবিতা লিখি চৰকাৰৰ ৰোষত পৰা ছাত্ৰীগৰাকীক গোলাঘাটৰ উৰিয়ামঘাটস্থিত বান্ধৱীৰ ঘৰলৈ ফুৰিবলৈ যোৱাৰ সময়তে গোলাঘাট আৰক্ষীৰ ওচৰত দিয়া গোচৰৰ ভিত্তিত গ্ৰেপ্তাৰ কৰিছিল। আৰক্ষীৰ অভিযোগ অনুসৰি বৰ্ষাশ্ৰীয়ে নিষিদ্ধঘোষিত সংগঠন আলফালৈ (স্বাধীন) যোৱাৰ কুচকাৱাজ আৰম্ভ কৰিছিল। যাৰ বাবে ছাত্ৰীগৰাকীক এনেকৈ ■ ৮ পৃষ্ঠাত

## ক'ভিডত আক্ৰান্ত মাৰ্কিন ৰাষ্ট্ৰপতি বাইডেন



**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২১ জুলাই ঃ** আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি জ' বাইডেন বৃহস্পতিবাৰে ক'ভিডত আক্ৰান্ত হয়। হোৱাইট হাউছৰ প্ৰেছ ছেক্ৰেটেৰী কাৰিন জিন-পিয়েৰে কয় যে বাইডেনে ক'ভিডৰ 'মৃদু লক্ষণ' ■ ৮ পৃষ্ঠাত

### ছোনিয়া গান্ধীক এনফ'ৰ্চমেণ্টৰ জেৰা

## গুৱাহাটীৰ ৰাজপথত বাগৰি অংকিতা দত্তসহ কংগ্ৰেছৰ নেতা-কৰ্মীৰ প্ৰতিবাদ

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২১ জুলাই ঃ** ভাৰতীয় জাতীয় কংগ্ৰেছৰ অন্তৰ্ৱৰ্তীকালীন সভানেত্ৰী ছোনিয়া গান্ধীক বিজেপি চৰকাৰে ষড়যন্ত্ৰমূলকভাৱে এনফ'ৰ্চমেণ্ট ডাইৰেক্টৰৰ দ্বাৰা জেৰা চলোৱাৰ প্ৰতিবাদত বৃহস্পতিবাৰে গুৱাহাটী উত্তাল কৰি তোলে প্ৰদেশ কংগ্ৰেছৰ নেতা-কৰ্মীয়ে। চৰকাৰী সংস্থাসমূহক ব্যৱহাৰ কৰি নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰখনে বিৰোধী শক্তি, ■ ৮ পৃষ্ঠাত




## উত্তৰ প্ৰদেশত বজ্ৰপাতত ১৪জন লোকৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ২১ জুলাই ঃ** কেইবা মাহৰ পিছত উত্তৰ প্ৰদেশত এজাক বৰষুণ আহিল। কিন্তু এই বৰষুণ ৰাজ্যখনৰ বহুকেইজন লোকৰ বাবে যেন কাল হৈহে আহিল। বজ্ৰপাতৰ ফলত ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত প্ৰাণ হেৰুৱাইছে ১৪জন লোকে। আনহাতে, প্ৰকৃতিৰ এই তাণ্ডৱত ১৬গৰাকী ব্যক্তি আহত হৈছে। ৰাজ্যখনৰ সাহায্য আয়ুক্তৰ কাৰ্যালয়ে প্ৰদান কৰা তথ্য অনুসৰি বজ্ৰপাতৰ ফলত বান্দাৰ চাৰিজন, ফাতেহপুৰৰ দুজন লোকৰ মৃত্যু হৈছে। আনহাতে, বলৰামপুৰ, চান্দাউলি, ■ ৮ পৃষ্ঠাত

## মাইনা নায়কক উন্নত চিকিৎসা প্ৰদান পৰিয়ালক সংস্থাপনৰ দাবী আছাৰ

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিব্ৰুগড়, ২১ জুলাই ঃ** ডিব্ৰুগড় জিলাৰ মৰাণ বিধানসভা সমষ্টিৰ অন্তৰ্গত লক্ষ্মী চাহ কোম্পানীৰ অন্তৰ্গত লেপেটকটা চাহ বাগিচাৰ অস্থায়ী শ্ৰমিক মাইনা নায়ক (২৪) বাগিচাৰ কলঘৰৰ মেচিনত সোমাই মূৰত গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হোৱা মৰ্মান্তিক ঘটনাক সদৌ অসম আদিবাসী ছাত্ৰ সন্থাৰ (আছা) সাধাৰণ সম্পাদক দেবেন ওৰাং, প্ৰচাৰ সম্পাদক মহেশ ঘাটোৱাৰে দুখ আৰু আশ্চৰ্য প্ৰকাশ কৰিছে। বাগিচা কৰ্তৃপক্ষৰ গাফিলতি আৰু অমনোযোগিতাৰ বাবে দুৰ্ঘটনাটো হ'বলৈ পালে বুলি আছাই ক্ষোভ প্ৰকাশ কৰিছে। মইনা ■ ৮ পৃষ্ঠাত



## ব্ৰিটেইনত গ্ৰীষ্ম প্ৰবাহৰ কালৰূপ গলি গৈছে ৰে'লৰ ছিগনেলো!

গ্ৰীষ্ম প্ৰবাহে কালৰূপ ধাৰণ কৰিছে ব্ৰিটেইনকে ধৰি ইউৰোপৰ বহুকেইখন দেশত। ব্ৰিটেইন, পৰ্তুগাল, স্পেইন, ফ্ৰান্স, গ্ৰীচ আৰু ক্ৰ'ৱেছিয়াৰ দৰে দেশত এতিয়া গ্ৰীষ্ম প্ৰবাহৰ ■ ৮ পৃষ্ঠাত

### পেন্সনাৰসকলৰ কষ্ট লাঘৱ কৰাৰ অৰ্থে প্ৰশাসনীয় সংস্কাৰ

## ২৯ জুলাইত ৰাজ্যজুৰি মুকলি কৰা হ'ব ২৭টা পেন্সন সেৱা কেন্দ্ৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ২১ জুলাই ঃ** অসম চৰকাৰৰ পেঞ্চনাৰসকলৰ সুবিধাৰ্থে ৰাজ্যৰ প্ৰশাসনীয় সংস্কাৰ, প্ৰশিক্ষণ, পেঞ্চন আৰু ৰাজহুৱা ওজৰ-আপত্তি বিভাগে এক বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে। এই অনুসৰি পেঞ্চনাৰসকলৰ কষ্ট লাঘৱ কৰাৰ উদ্দেশ্যে ৰাজ্যখনৰ বিভিন্ন জিলাত মুঠ ২৭ টা পেঞ্চন সেৱা কেন্দ্ৰ স্থাপন কৰা হৈছে। এই সেৱা কেন্দ্ৰসমূহ অহা ২৯ জুলাইত মুকলি কৰা হ'ব। সেইদিনা দিনৰ ১০:৩০ বজাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কামৰূপ মহানগৰ জিলাত প্ৰথমে এই কেন্দ্ৰ মুকলি ■ ৮ পৃষ্ঠাত

## নাজিৰাত পাষাণ দম্পতীয়ে প্ৰাণ ল'লে কণমানিৰ

### ৰাজহুৱা স্থানত ফাঁচীৰ দাবী ৰাইজৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ২১ জুলাই ঃ** এক হৃদয়বিদাৰক হত্যাকাণ্ডই ইতিমধ্যে সমগ্ৰ শিৱসাগৰ জিলাতে আলোড়ন সৃষ্টি কৰিছে। খবৰ অনুসৰি নাজিৰা শিমলুগুৰি নাহৰ আলি খনিকৰ গাঁৱৰ বিতোপন ঢেকিয়াল ফুকন আৰু তেওঁৰ সহধৰ্মিণী পৰিস্মিতা দত্তই নিজৰ ঘৰতে কাম কৰা কণমানি কিশোৰীক অতি নিৰ্মমভাৱে হত্যা কৰে। মাক-দেউতাকক পঢুৱাম বুলি আনি ঘৰত কাম কৰোৱা ছোৱালী হিচাপে ■ ৮ পৃষ্ঠাত

### গোলাঘাটৰ উন্নয়নমূলক কাম-কাজৰ খতিয়ান বিত্ত মন্ত্ৰীৰ

## কেইবাখনো আঁচনিৰ শুভাৰম্ভণি অজন্তা নেওগৰ



**দৈনন্দিন বাৰ্তাৰ সেৱা, গোলাঘাট, ২১ জুলাই ঃ** আজি অসম চৰকাৰৰ বিত্তমন্ত্ৰী তথা গোলাঘাট সমষ্টিৰ বিধায়িকা অজন্তা নেওগে দিনজোৰা কাৰ্যসূচীৰে গোলাঘাট চহৰৰ বিভিন্ন অঞ্চলত উন্নয়নমূলক আঁচনিৰ শুভাৰম্ভণি কৰে। কাছমাৰী পঞ্চায়তৰ দৈয়াং নৈৰ পাৰত স্থানীয় কেইবাজনো উদ্যমী যুৱকে 'দৈয়াং কৃষিমুখী গোট'ৰ জৰিয়তে প্ৰায় ৩০০ বিঘা মাটিত ফাৰ্ম খুলি মৌ-পালন, মৎস্য পালন কৰি স্বাৱলম্বিতাৰ পথ বাছি লোৱাত সন্তোষ প্ৰকাশ কৰাৰ লগতে এই গোটটোক অমৃত সৰোবৰ আঁচনিৰ বাবেও অনুমোদন দিয়াৰ ■ ৮ পৃষ্ঠাত

## পুৰতি নিশা ডিমাকুছিৰ বামুণজুলিত বন্যহস্তীৰ উপদ্ৰৱ

### ঘৰ-দুৱাৰ ভাঙি কৰিলে তচনচ

**দৈনন্দিন বাৰ্তাৰ সেৱা, খৈৰাবাৰী, ২১ জুলাই ঃ** ওদালগুৰি জিলাৰ ভাৰত ভূটান সীমান্তত হাতী-মানুহৰ সংঘাতে দিনক দিনে ভয়াৱহ ৰূপ ধাৰণ কৰি আহিছে। কেতিয়াবা যদি খাদ্যৰ ■ ৮ পৃষ্ঠাত

## কঠীয়া তুলিবলৈ গৈ পুখুৰীত পৰি ২ শিশুৰ মৃত্যু ঃ শোকৰ ছাঁ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰিয়নি, ২১ জুলাই ঃ** মৰিয়নিৰ সমীপৰ ডেবেৰাপাৰ চাৰিআলি আৰক্ষী চকীৰ অন্তৰ্গত তিৰৱল চাহ বাগিচাৰ পকা লাইনৰ নিৱাসী প্ৰয়াত নানাসিং মিৰ্ধাৰ বাৰবছৰীয়া কন্যা মৰমী মিৰ্ধা আৰু বুদুল মিৰ্ধাৰ আঠ বছৰীয়া কন্যা সৰস্বতী মিৰ্ধা তিৰৱাল গাঁৱৰ মানুহ এঘৰত কঠীয়া তুলিবলৈ গৈছিল। কঠীয়া তোলাৰ পিছত পথাৰৰ মাজত থকা এটা পুখুৰীত হাত-ভৰি ধুবলৈ যাওঁতেই কেনেবাকৈ পিছলি পৰে। ঘটনাটো সম্পৰ্কে ■ ৮ পৃষ্ঠাত

## জাপানীজ এনকেফেলাইটিছত আক্ৰান্তৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, ডবকা, ২১ জুলাই ঃ** হোজাই জিলাৰ ডবকাৰ এগৰাকী লোকে জাপানীজ এনকেফেলাইটিছ ৰোগত আক্ৰান্ত হৈ আজি বিয়লি চাৰি মান বজাত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় ■ ৮ পৃষ্ঠাত



*কেনে আছে জুবিন- চিকিৎসালয়ত খবৰ ল'লেগৈ স্বাস্থ্য মন্ত্ৰী কেশৱ মহন্তই*

## কালাইৰদিয়াত পুখুৰীত বিষ ঢালি লক্ষাধিক টকাৰ মাছ নিধন

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ২১ জুলাই ঃ** বৰপেটা জিলাৰ বাঘবৰ সমষ্টিৰ আলোপতি চৰ থানাৰ অন্তৰ্গত কালাইৰদিয়া গাঁৱত ■ ৮ পৃষ্ঠাত

### বঙাইগাঁৱত চাঞ্চল্য ঃ কবৰস্থ মহিলা সোঁ-শৰীৰে ওলালহি ঘৰত

## মহিলাৰ মৃতদেহ কবৰস্থ কৰাৰ পিছতেই উদ্ধাৰ জীৱিত মহিলা

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাণিকপুৰ, ২১ জুলাই ঃ** বঙাইগাঁও জিলাৰ মাণিকপুৰ থানাৰ অন্তৰ্গত ৪নং ভাণ্ডাৰাত সংঘটিত হৈছে চাঞ্চল্যকৰ ঘটনা। নিৰুদ্দেশ হোৱা মহিলাক হত্যা কৰা বুলি অচিনাক্ত কৰা মৃতদেহ সৎকাৰ কৰিলে পিতৃ পৰিয়ালে। ঘটনাৰ বিৱৰণী মতে ৪নং ভাণ্ডাৰাৰ দেলবৰ আলী ভূএঞাৰ কন্যা হুনুফা খাতুনৰ বালাৰচৰ গাঁৱৰ আব্দুল বাৰেকৰ লগত ৮ বছৰ আগতেই বিবাহপাশত আবদ্ধ হয়। ঈদ উপলক্ষে আব্দুল বাৰেক স্ত্ৰী আৰু ৬ বছৰীয়া পুত্ৰসহ শহুৰেকৰ ঘৰলৈ যায়। ১৩ জুলাই তাৰিখে আব্দুল বাৰেক স্ত্ৰী আৰু পুত্ৰক শহুৰেকৰ ঘৰত থৈ নিজৰ ঘৰলৈ গুচি আহে। কিন্তু ১৪ জুলাই তাৰিখৰ পৰা মহিলাগৰাকী পুত্ৰসহ নিৰুদ্দেশ হয়। মহিলাগৰাকীৰ ককায়েকে স্বামীগৃহলৈ আগবঢ়াই দিয়াৰ পিছৰ পৰাই নিৰুদ্দেশ হৈ থাকে মহিলাগৰাকী। মহিলাগৰাকী নিৰুদ্দেশ হোৱাৰ পিছতেই তেওঁৰ পিতৃ আৰু স্বামী পৰিয়ালে বিভিন্ন ঠাইত বিচাৰ-খোঁচাৰ কৰে ■ ৮ পৃষ্ঠাত

## বহিঃৰাজ্যত অসমৰ শ্ৰমিক নিৰুদ্দিষ্ট

### বাক্সাৰ আনন্দ বজাৰ আৰক্ষী চকীত উত্তপ্ত পৰিস্থিতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, শালবাৰী, ২১ জুলাই ঃ** বহিঃৰাজ্য অৰুণাচলত অসমৰ ১৯জন শ্ৰমিক নিৰুদ্দিষ্ট হোৱা ঘটনাক লৈ আজি বাক্সা জিলাৰ শালবাৰী ■ ৮ পৃষ্ঠাত

### জাইকা সাহায্যপ্ৰাপ্ত গুৱাহাটী পানী যোগান প্ৰকল্পৰ গৃহ সংযোগ সেৱাৰ 'ট্ৰায়েল ৰাণ'

## অনলাইন আৱেদনৰ বাবে ৱেবছাইট এপ মুকলি মন্ত্ৰী অশোক সিংঘালৰ

**গুৱাহাটী, ২১ জুলাই ঃ** গুৱাহাটীৰ প্ৰায় ১,১৫,০০০ পৰিয়ালক গৃহ সংযোগ সেৱাৰ জৰিয়তে সুৰক্ষিত পানী যোগান ধৰাৰ লক্ষ্যৰে ৰূপায়ণ কৰা জাইকা সাহায্যপ্ৰাপ্ত গুৱাহাটী পানী যোগান প্ৰকল্পৰ অন্তৰ্গত ৫টা ডিষ্ট্ৰিক মিটাৰিং এৰিয়াৰ (DMA) ৩,০০০ পৰিয়ালক পৰীক্ষামূলকভাৱে পানী যোগানৰ বাবে আজি অনলাইন আৱেদনৰ বাবে এক ৱেবছাইট আৰু ম'বাইল এপ্ মুকলি কৰা হয়। গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ মন্ত্ৰী অশোক সিংঘালে জনতা ভৱনৰ মুখ্যমন্ত্ৰী ব্লকৰ ভূমি মহলাত আয়োজিত এখন সভাত আনুষ্ঠানিকভাৱে www.gmdwsb.in নামৰ ৱেবছাইটটো আৰু GJB-Guwahati Jal Board নামৰ ম'বাইল এপটো মুকলি কৰে। সভাত ভাষণ প্ৰদান কৰি মন্ত্ৰীগৰাকীয়ে ■ ৮ পৃষ্ঠাত



### তেজপুৰত ব্ৰহ্মপুত্ৰৰ মথাউৰিৰ কাষতে চলিছে ভূমি খননৰ ঘটনা

## এফালৰ পৰা পোতা হৈছে কৃষিভূমি

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ২১ জুলাইঃ** তেজপুৰৰ ভোমোৰাগুৰি, ভোজখোৱা আদিৰ লগতে ভৈৰৱপদ, দেৱীসিং ঘাটকে ধৰি বিভিন্ন অঞ্চলত ব্ৰহ্মপুত্ৰই গভীৰ সমস্যাৰ সৃষ্টি কৰি আহিছে। উল্লেখ্য যে, ভোমোৰাগুৰি আৰু ভোজখোৱা অঞ্চলৰ বৃহৎ পৰিমাণৰ কৃষিভূমিৰ লগতে বহুসংখ্যাক বাসগৃহ ব্ৰহ্মপুত্ৰৰ বান আৰু খহনীয়াত ইতিমধ্যে জাহ গৈছে। জধে-মধে চলা খননে এই অঞ্চলসমূহত বান-খহনীয়াৰ প্ৰকোপ বৃদ্ধি কৰাৰ বিপৰীতে খৰালি কালত একাংশ লোকে ৰাজহ আইন উলংঘা কৰি ভোমোৰাগুৰি অঞ্চলত ব্ৰহ্মপুত্ৰৰ নিচেই কাষতে থকা এটা মথাউৰিৰ তলতে এক্সেভেটৰেৰে জধে-মধে খনন কাৰ্য চলাই ডাম্পাৰেৰে মাটি ■ ৮ পৃষ্ঠাত

# ১ আগষ্টৰ পৰা ধুবুৰীৰ যান-জঁট প্ৰতিৰোধৰ কঠোৰ পদক্ষেপ

## ■ ধুবুৰী চহৰত সোমাব নোৱাৰিব গাঁৱৰ যাত্ৰীবাহী অটো-টোটো গাড়ী ■

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ২১ জুলাই ঃ** দীৰ্ঘ দিন ধুবুৰীত ট্ৰেফিক আইন মানি নচলা চালকৰ বিৰুদ্ধে আৰু চহৰখনক তীব্ৰ যান-জঁটৰ পৰা মুক্ত কৰাৰ বাবে ডাঃ দেৱময় সান্নালৰ নেতৃত্বত গঠন হোৱা নতুন পৌৰ ব'ৰ্ডে অহা ১ আগষ্টৰ পৰা নতুন আইন কাৰ্যকৰ কৰিব। এই মন্তব্য ধুবুৰী পৌৰসভাৰ চেয়াৰমেন দেৱময় সান্নালৰ। কালি ধুবুৰী পৌৰসভাৰ সভাকক্ষত অনুষ্ঠিত সংবাদ মেলত পৌৰসভাৰ পৌৰপতিজনে কয়, ধুবুৰী চহৰত সোমোৱা প্ৰধান পথ ডি কে ৰোডত বিঅ'চি মোৰৰ পৰা শ্বহীদ বেদীলৈকে ন' পাৰ্কিং জ'ন। ধুবুৰী চহৰত চলাচল কৰা টোটো ৰিক্সা ধুবুৰী চিভিল হাস্পতাললৈকে যাব পাৰিব। আকৌ বি এন কলেজলৈকে চহৰৰ টোটো যাব পাৰিব। গাঁৱৰ পৰা অহা টোটো, অটো চহৰত সোমাব নোৱাৰিব। চহৰত মালবাহী ট্ৰাক সোমোৱাৰ ক্ষেত্ৰত সময় বান্ধি দিয়া হৈছে। পুৱা ৮ বজাৰ পৰা বিয়লি ৪ বজালৈকে মালবাহী ট্ৰাক সোমোৱা ক্ষেত্ৰত নিষেধাজ্ঞা জাৰি কৰা হৈছে। ধুবুৰীত চলাচল কৰা ২,৪০০ ই ৰিক্সাৰ ভিতৰত কেৱল ৩৫খন ৰিক্সাৰ নথি- পত্ৰ আছে। অবৈধ ই ৰিক্সাৰ বিৰুদ্ধে অভিযান চলোৱা হ'ব। সংবাদমেলত পৌৰপতিয়ে কয়, ধুবুৰী চহৰখনৰ বজাৰত যান-জঁট মুক্ত কৰাৰ বাবে নিউ মাৰ্কেটৰ পৰা কলকাতা বজাৰলৈকে সকলোধৰণৰ যান-বাহন চলাচল বন্ধ কৰা হ'ব। সংবাদ মেলত ৪,১৪, ১নং ৱাৰ্ডৰ কমিছনাৰসকল উপস্থিত থাকে।





## ষ্টেটপুল শিক্ষক সন্থাৰ তৃতীয় দ্বি-বাৰ্ষিক অধিৱেশন সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, বিহালী, ২১ জুলাই ঃ** যোৱা ১৫ জুলাইত গুৱাহাটীৰ চানমাৰিস্থিত ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ কাৰ্যালয় 'শিক্ষক ভৱন'ত দিনজোৰা কাৰ্যসূচীৰে 'সদৌ অসম ষ্টেটপুল শিক্ষক সন্থা'ৰ তৃতীয় দ্বি-বাৰ্ষিক অধিৱেশনখন অনুষ্ঠিত হৈ যায়। সদৌ অসম ষ্টেটপুল শিক্ষক সন্থাৰ সভাপতি উদয় কুমাৰ ৰাভাৰ সভাপতিত্বত অনুষ্ঠিত তৃতীয় বাৰ্ষিক অধিৱেশনৰ উদ্দেশ্য ব্যাখ্যা কৰে সদৌ অসম ষ্টেটপুল শিক্ষক সন্থাৰ সম্পাদক অনিল পাৱে। আৰম্ভণিতে, বিগত দিনত বিভিন্ন কাৰণত শিক্ষকতা কৰি থকা সময়ত মৃত্যুবৰণ কৰা শিক্ষাগুৰুসকলৰ আত্মাৰ চিৰশান্তিৰ বাবে আৰু পৱিত্ৰ স্মৃতিত এক মিনিট মৌন প্ৰাৰ্থনা কৰা হয়। উক্ত সভাখনত অসমৰ প্ৰতিখন জিলাৰ পৰা শিক্ষকসকলৰ সদস্যৰ সংখ্যাৰ ওপৰত ভিত্তি কৰি ১০০:১ অনুপাতত দুই শতাধিক শিক্ষক-শিক্ষয়িত্ৰীৰ উপস্থিতত সদৌ অসম ষ্টেটপুল শিক্ষক সন্থাৰ তৃতীয় দ্বি-বাৰ্ষিক অধিৱেশনভাগ অনুষ্ঠিত হৈ যায়। অন্যান্য জিলাৰ দৰে বিশ্বনাথ জিলা ষ্টেটপুল শিক্ষক সন্থাৰ সভাপতি অজয় কুমাৰ নাথ, সম্পাদক অৰ্ণৱজ্যেতি দাহাল, নৱজ্যোতি দাস, বিজয় বাল্মিকী আৰু বিশ্বনাথ জিলা সমিতিৰ মুখ্য উপদেষ্টা তথা সদ্য প্ৰাক্তন ৰাজ্যিক উপ-সভাপতি প্ৰেম বৈষ্ণৱে বিশ্বনাথ জিলাৰ হৈ প্ৰতিনিধিত্ব কৰে। ৰাজ্যিক সমিতিয়ে আনুষ্ঠানিকভাৱে হিচাপ-নিকাচ দাখিল কৰাৰ পিছত সভাই সৰ্বসন্মতিক্ৰমে হিচাপ আৰু সম্পাদকীয় প্ৰতিবেদন গৃহীত কৰে। ইয়াৰ পিছতে পুৰণা সমিতিৰ সভাপতি উদয় কুমাৰ ৰাভাই ৰাজ্যিক সমিতিৰ হৈ আনুষ্ঠানিকভাৱে পদত্যাগ কৰে। ইয়াৰ পিছত নতুন সমিতি গঠন প্ৰক্ৰিয়া আৰম্ভ হয়। শিক্ষকতাৰ দৰে পৱিত্ৰ কাৰ্যত নিষ্ঠা আৰু সততাৰে আত্মনিয়োগ কৰাৰ সমান্তৰালকৈ সাহিত্য চৰ্চা কৰি একেটা বছৰতে নিজাববীয়াকৈ পাঁচখন কাব্যগ্ৰন্থ প্ৰকাশ কৰি অসমবাসীৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হোৱা কৃতী শিক্ষক বঁটাপ্ৰাপক প্ৰেম বৈষ্ণৱক 'সদৌ অসম ষ্টেটপুল শিক্ষক সন্থা'ৰ তৃতীয় দ্বি-বাৰ্ষিক অধিৱেশনত, ৰাজ্যিক স্তৰত 'শিক্ষক ৰত্ন বঁটা' আনুষ্ঠানিকভাৱে প্ৰদান কৰা হয়।

## শিল্পী জুবিন গাৰ্গৰ আশু আৰোগ্য কামনা আছুৰ সভাপতিৰ

**গুৱাহাটী, ২১ জুলাই ঃ** চিকিৎসালয়ত চিকিৎসাধীন হৈ থকা অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী জুবিন গাৰ্গৰ আশু আৰোগ্য কামনা কৰিছে আছুৱে। বুধবাৰে বঙাইগাঁৱত জিলা আছুৱে আয়োজন কৰা বিশেষ অভিনন্দন অনুষ্ঠানত উপস্থিত থকা আছুৰ সভাপতি দীপাংক কুমাৰ নাথে সংবাদ মাধ্যমৰ আগত অসমৰ স্বনামধন্য তথা আটাইৰে আদৰৰ আৰু মৰমৰ শিল্পী জুবিন গাৰ্গৰ আশু আৰোগ্য কামনা কৰি সোনকালে সুস্থ হৈ উঠাৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনায়। লগতে পূৰ্বৰদৰে জনপ্ৰিয় গীত আৰু যিবোৰ ব্যক্তিত্বসম্পন্ন বিষয় সেইবোৰ তেওঁ সময়ে সময়ে আমাক প্ৰকাশ কৰি আমাৰ মাজত সংগ্ৰামী চেতনা পুনৰ জগাই তোলাক। আমি মৰ্মাহত হৈছোঁ তেওঁৰ এই ঘটনাত। উল্লেখ্য যে শিল্পীগৰাকী বাথৰুমত পিছলি পৰি মূৰত আঘাত পোৱাৰ ফলত সম্প্ৰতি চিকিৎসাধীন হৈ আছে।

## অসম কৃষি বিশ্ববিদ্যালয়ত গ্ৰেগৰ জোহান মেণ্ডেলৰ জন্ম দ্বি-শতবাৰ্ষিকী পালন



**দৈনন্দিন বাৰ্তাৰ সেৱা, যোৰহাট, ২১ জুলাই ঃ** জীৱবিজ্ঞানৰ বংশগতি তত্ত্বৰ উদ্ভাৱক তথা 'ফাদাৰ অৱ জেনেটিক্সখ্যাত গ্ৰেগৰ জোহান মেণ্ডেলৰ জন্ম দ্বি-শতবাৰ্ষিকী কাৰ্যসূচী কালি যোৰহাটস্থিত অসম কৃষি বিশ্ববিদ্যালয়ত পালন কৰা হয়। অসম কৃষি বিশ্ববিদ্যালয়ৰ বংশগতি আৰু উদ্ভিদ প্ৰজনন বিভাগৰ উদ্যোগত আয়োজিত অনুষ্ঠানত বক্তব্যত ভাৰপ্ৰাপ্ত কৃষি বিজ্ঞানগুৰু ড° এম কে মোদীয়ে কয় যে কোনো এটা দিশত লাভ কৰা স্বীকৃতিৰ ঊৰ্দ্ধত গৈ সামগ্ৰিকভাৱে জেনেটিক্সৰ পিতৃ সন্মান লাভ কৰা পৰিক্ৰমালৈ যি উত্তৰণ সেয়া আমাৰ সকলোৰে বাবে অনুপ্ৰেৰণাৰ উৎস। আৱিষ্কাৰ তথা সামগ্ৰিক গৱেষণাৰ দিশত তেখেতৰ অৱদানৰ জৰিয়তে আমি এই দিশৰ লগত জড়িতসকল উজ্জীৱিত হ'ব পাৰোঁ। অধ্যাপক পূৰ্ণ বৰুৱাই আদৰণী ভাষণ আগবঢ়োৱা অনুষ্ঠানটোত অৱসৰপ্ৰাপ্ত অধ্যাপক ড° প্ৰণৱ তালুকদাৰেও বক্তব্য আগবঢ়ায়। আঞ্চলিক কৃষি গৱেষণা কেন্দ্ৰ, তিতাবৰৰ সহযোগত অনুষ্ঠিত সভাখনত অনলাইন ব্যৱস্থাৰে আইৱা ষ্টেট ইউনিভাৰ্ছিটীৰ ইউ এছ এৰ ড° এম কে ভট্টাচাৰ্য আৰু চেন্ট্ৰেল লংকাশ্বায়াৰ ইউনিভাৰ্ছিটীৰ প্ৰিষ্টন ( ইউ কে )ৰ ড° বজিলুল বাহাৰে বক্তব্য আগবঢ়ায়। বিশ্ববিদ্যালয়ৰ ছাত্ৰী ৰিচা বৰাই মেণ্ডেলৰ জীৱন আৰু কৰ্মপদ্ধতি সম্পৰ্কে দৃশ্যশ্ৰাব্য ব্যৱস্থাপনাৰে আলোকপাত কৰা সভাখনত প্লেন্ট ব্ৰিডিঙ এণ্ড জেনেটিক্স বিভাগৰ মুৰব্বী ড° কিশোৰ কুমাৰ শৰ্মায়ো বক্তব্য আগবঢ়ায়। এই অনুষ্ঠানতে মেণ্ডেলৰ জন্ম শতবৰ্ষ উপলক্ষে আয়োজিত কুইজ প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰা ৰিমঝিম বৰুৱা-বৈশালী কলিতাৰ দল, দ্বিতীয় স্থান লাভ কৰা ভাস্কৰজ্যোতি কলিতা-বিপ্লৱ টাইৰ দল আৰু তৃতীয় স্থান লাভ কৰা দীপজ্যোতি বৰ্মন-অৰ্পণ বুঢ়াগোহাই ৰ দলক পুৰস্কাৰ প্ৰদান কৰা হয় ।

## সদৌ নগাঁও জিলা মৌজাদাৰ সন্মিলনৰ নতুন সমিতি গঠন

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২১ জুলাই ঃ** সদৌ নগাঁও জিলা মৌজাদাৰ সন্মিলনৰ জিলা অধিৱেশনখন কালি নগাঁও চহৰৰ আমোলাপট্টিস্থ নগাঁও জিলা মহিলা সমিতিৰ কাৰ্যালয় প্ৰাংগণত দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হৈ যায়। বিয়লি প্ৰবীণ গোস্বামীৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত কন্দলি মৌজাৰ মৌজাদাৰ পৱিত্ৰ বৰাক সভাপতি, শিঙিয়া পুটনি মৌজাৰ মৌজাদাৰ মাধন শইকীয়াক কাৰ্যকৰী সভাপতি, জ্যোতিপ্ৰসাদ গোস্বামী, অভিজিত শইকীয়া আৰু পাৰ্থপ্ৰতিম শইকীয়াক উপ-সভাপতি, ছাইদৰীয়া মৌজাৰ মৌজাদাৰ আছাদুল ইছলামক সাধাৰণ সম্পাদক হিচাপে লৈ ২১জনীয়া সদস্যৰে নতুন কাৰ্যনিৰ্বাহক সমিতিখন গঠন কৰা হয়। সভাত পৰ্যৱেক্ষক হিচাপে উপস্থিত থাকে ক্ৰমে—কেন্দ্ৰীয় সমিতিৰ উপদেষ্টা প্ৰবীণ গোস্বামী, কাৰ্যকৰী সভাপতি ৰঞ্জন কুমাৰ বৰা, যুটীয়া সাধাৰণ সম্পাদক জ্যোতিষ ডেকা আৰু সাংগঠনিক সম্পাদক অৰবিন্দ সিং ডেকা। উক্ত সভাত জিলাখনৰ মুঠ ৩০খন মৌজাৰ গৰিষ্ঠসংখ্যক মৌজাদাৰ উপস্থিত থাকে। এই সভাতে মৌজাদাৰসকলৰ দীৰ্ঘদিনীয়া বিভিন্ন সমস্যা সমাধানৰ পথ বিচাৰি আলোচনা কৰা হয়।

## বালিজুৰিত পঞ্চম শ্ৰেণীৰ ছাত্ৰৰ সভাপতিত্বত গ্ৰীষ্মকালীন বাল্য সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঢ়মপুৰ, ২১ জুলাই ঃ** বৰ্তমান সময়ত চৰকাৰে শিশুসকলৰ সৰ্বতোপ্ৰকাৰৰ বিকাশৰ বাবে বিশেষভাৱে গুৰুত্ব দি আহিছে। কালি তেনে এক বিশেষ পদক্ষেপ গ্ৰহণ কৰা দেখা গ'ল বঢ়মপুৰ সমষ্টিৰ অন্তৰ্গত বালিজুৰি গাঁও পঞ্চায়তৰ আত্মসহায়ক গোটসমূহে লোৱা গ্ৰীষ্মকালীন বাল্য সভা এখনত। সভাখনত সুচাৰুৰূপে সভাপতিত্ব কৰে পঞ্চম মানৰ ছাত্ৰ যুগল বৰাই। সভাত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে বনবাঁহনী মিকিৰগাঁও মজলীয়া বিদ্যালয়ৰ প্ৰধান শিক্ষক দীপ দত্তবৰাকে প্ৰমুখ্য কৰি দিলীপ কলিতা, প্ৰদীপ কাৰা, ফিৰোজ ভুঞা, বঢ়মপুৰ উন্নয়ন খণ্ডৰ সমন্বয়ক বৰ্ষা বৰা গায়ন, চিএলএফৰ সভানেত্ৰী হিমেশ্বৰী বৰা, মণি গগৈ দেৱী, চিন্তমণি শইকীয়া, বেউলা নায়ক, ৰণবীৰ কিষাণ, জেকি কছাৰী আৰু সমূহ আত্মসহায়ক গোটৰ সদস্যাবৃন্দ। অনুষ্ঠানত উপস্থিত থকা শিশুসকলে সুন্দৰ গীত-নৃত্য, চিত্ৰাংকণ প্ৰদৰ্শন কৰা পৰিলক্ষিত হয়। লগতে অঞ্চলটোৰ পৰা সদ্য ঘোষিত উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলক সম্বৰ্ধনা জনোৱা হয়।

## শিৱসাগৰ অসামৰিক চিকিৎসালয়ত উতপ্ত পৰিস্থিতি

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ২১ জুলাই ঃ** জয়সাগৰস্থিত শিৱসাগৰ অসামৰিক চিকিৎসালয়ত কালি সন্ধিয়া এগৰাকী প্ৰায় ৭-৮ বছৰীয়া নাবালিকা কন্যাৰ মৃত্যুক কেন্দ্ৰ কৰি এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। প্ৰাপ্ত বাতৰি মতে, শিৱসাগৰ চুণপোৰা নাহৰআলি খনিকৰ গাঁৱৰ জনৈক বিতোপন নামৰ ব্যক্তিজনৰ ঘৰত ভানু ভুমিজ নামৰ নাবালিকা কন্যাগৰাকী বনকৰা হিচাপে আছিল। কিন্তু কালি নাবালিকা কন্যাগৰাকী অসুস্থ হৈ পৰাত জনৈক বিতোপন আৰু তেওঁৰ পৰিবাৰ পৰিস্মিতাই চিকিৎসালয়লৈ লৈ আনিছিল যদিও চিকিৎসকে মৃত বুলি ঘোষণা কৰাৰ পিছতেই এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। প্ৰত্যক্ষদৰ্শীৰ মতে, নাবালিকাগৰাকীৰ দেহত আঘাতৰ চিন দেখা পোৱা গৈছে যদিও মৰণোত্তৰ পৰীক্ষাৰ পিছতহে প্ৰকৃত ঘটনাৰ ৰহস্য ফাদিল হ'ব।

## শুৱালকুছি মহাবিদ্যালয়ত 'সুযোগ আৰু সম্ভাৱনা' শীৰ্ষক বিশেষ অনুষ্ঠান

**দৈনন্দিন বাৰ্তাৰ সেৱা, শুৱালকুছি, ২১ জুলাই ঃ** শুৱালকুছি বুদৰাম মাধৱ সত্ৰাধিকাৰ মহাবিদ্যালয়ৰ B.Voc বিভাগ আৰু মহাবিদ্যালয় আছু গোটৰ উদ্যোগত কালি মহাবিদ্যালয়খনত থকা বৃত্তিমূলক পাঠ্যক্ৰমৰ জৰিয়তে কিদৰে ছাত্ৰ-ছাত্ৰীসকল উপকৃত হ'ব পাৰে সেয়া ছাত্ৰ- ছাত্ৰী আৰু অভিভাৱকসকলক অৱগত কৰোৱাৰ উদ্দেশ্যে এক বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। শতাধিক ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকে অংশগ্ৰহণ কৰা অনুষ্ঠানটিত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দীপেশ চন্দ্ৰ ভাগৱতীয়ে গতানুগতিক কলা, বিজ্ঞান বা বাণিজ্যৰ স্নাতক ডিগ্ৰীৰ সলনি বৃত্তিমূলক পাঠ্যক্ৰমৰ স্নাতক ডিগ্ৰী লাভ কৰি কিদৰে সংস্থাপিত হ'ব পাৰি সেই বিষয়টিৰ ওপৰত বক্তব্য ৰাখে। মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সভাপতি সৌৰভ দাসে আঁত ধৰা অনুষ্ঠানটিত মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ অধ্যাপক ড° নীহাৰৰঞ্জন কলিতা, বুৰঞ্জী বিভাগৰ অধ্যাপক গোপাল শৰ্মা, সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক দীপাংকৰ শৰ্মা, এনিমেচন এণ্ড গ্ৰাফিক ডিজাইন বিভাগৰ অধ্যাপক তন্ময় মিশ্ৰ, ফেশ্বন এণ্ড টেকনল'জী বিভাগৰ অধ্যাপিকা জুলি বৰপূজাৰী দেউৰী, শীলা দেৱীয়ে মহাবিদ্যালয়খনৰ এনিমেচন এণ্ড গ্ৰাফিক ডিজাইন আৰু ফেশ্বন এণ্ড টেকনল'জী বিভাগৰ স্নাতক ডিগ্ৰী লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলে কিদৰে সংস্থাপিত হৈছে লগতে মহাবিদ্যালয়খনত B.Voc বিভাগত কি কি সুবিধা আছে সেয়া অৱগত কৰে। অনুষ্ঠানটিত শুৱালকুছি আঞ্চলিক ছাত্ৰ সন্থা, মহাবিদ্যালয় আছু গোটৰ বিষয়ববীয়াসকল উপস্থিত থকাৰ উপৰিও বৰ্তমান B.Voc পাঠ্যক্ৰম গ্ৰহণ কৰি থকা ছাত্ৰ-ছাত্ৰীসকলেও নিজৰ অভিজ্ঞতা ব্যক্ত কৰে।

## বঙাইগাঁৱত আছুৰ অভিনন্দন অনুষ্ঠান

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ২১ জুলাই ঃ** সদৌ অসম ছাত্ৰ সন্থাৰ বঙাইগাঁও জিলা সমিতিৰ উদ্যোগত তথা বঙাইগাঁও আঞ্চলিক ছাত্ৰ সন্থা আৰু বঙাইগাঁও মহাবিদ্যালয় আছু গোটৰ সহযোগত বুধবাৰে বঙাইগাঁও মহাবিদ্যালয় প্ৰেক্ষাগৃহত এক বিশেষ অভিনন্দন অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত আৰু হাইমাদ্ৰাছাৰ লগতে উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত স্থান লাভ কৰা আৰু হাইস্কুল শিক্ষান্ত পৰীক্ষাত ডিষ্টিংচনসহ সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলক জিলা ছাত্ৰ সন্থাৰ ফালৰ পৰা সম্বৰ্ধনা জনোৱা হয়। জিলাখনৰ মুঠ ১৪২গৰাকী কীৰ্তিমানক এই অনুষ্ঠানত গামোচা, মানপত্ৰ আৰু গছপুলিৰে সম্বৰ্ধনা জনোৱা হয়। জিলা আছুৰ সভাপতি যিনোদ নাথৰ সভাপতিত্বত অনুষ্ঠিত অনুষ্ঠানত আছুৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি দীপাংক কুমাৰ নাথ, বঙাইগাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দীনেশ দাস, আছুৰ কেন্দ্ৰীয় সমিতিৰ শিক্ষা সম্পাদক ভৰজিৎ বেজবৰুৱা উপস্থিত থাকি জীৱনত সফলতা আহৰণৰ বাবে তথা নিজকে এজন সু-নাগৰিক হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত কিদৰে আগবাঢ়িব লাগিব সেই সন্দৰ্ভত কীৰ্তিমানসকলক উদ্দেশ্যি বক্তব্য ৰাখে। লগতে শিক্ষা গ্ৰহণৰ বাবে শিক্ষানুষ্ঠান বাছনি কৰাৰ ক্ষেত্ৰত সকলো দিশ চালি-জাৰি চোৱাৰ লগতে বৰ্তমান সময়ত কিদৰে আগবাঢ়িলে সফল হ'ব পাৰি সেই বিষয়ে বিজ্ঞজনৰ সুপৰামৰ্শ লৈ আগবাঢ়িবলৈকো আহ্বান জনায়, যাতে পিছত সমস্যাৰ সৃষ্টি নহয়। উল্লেখ্য যে জিলা আছুৰ শিক্ষা সম্পাদক কংকন বায়নে আঁত ধৰা তথা আদৰণী ভাষণ ৰখা অনুষ্ঠানত আছুৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য নীলোৎপল চক্ৰৱৰ্তী আদিও উপস্থিত থাকে। অনুষ্ঠানত হাইস্কুল শিক্ষান্ত পৰীক্ষাত দশম স্থানপ্ৰাপ্ত অনুভৱ কপিল, উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ কলা শাখাত দশম স্থান লাভ কৰা অনন্যা সূত্ৰধৰৰ লগতে হাইস্কুল শিক্ষান্ত পৰীক্ষাত ডিষ্টিংচন লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলক অনুষ্ঠানত উপস্থিত থকা অতিথিসকলে সম্বৰ্ধনা জনায়। আনহাতে, হাইমাদ্ৰাছা পৰীক্ষাত দ্বিতীয় স্থান লাভ কৰা মোস্তাক আহমেদৰ হৈ পিতৃয়ে সম্বৰ্ধনা গ্ৰহণ কৰে। ইপিনে, অনুষ্ঠানত উপস্থিত থকা আছুৰ সভাপতি দীপাংক কুমাৰ নাথে সংবাদ মাধ্যমৰ আগত কয় যে আছুৰ তৰফৰ পৰা মেধাৱী ছাত্ৰ-ছাত্ৰীসকলক প্ৰতি বছৰে এনেদৰে সম্বৰ্ধনা জনাই অহা হৈছে। ইয়াৰ মূলতে হ'ল ছাত্ৰ-ছাত্ৰীসকলে যাতে ভৱিষ্যতত ভাল নাগৰিক হ'ব পাৰে লগতে পৰৱৰ্তী পৰীক্ষাত অৱতীৰ্ণ হ'ব লগা ছাত্ৰ-ছাত্ৰীসকলে যাতে উৎসাহ পায় তাৰ বাবে এই অনুষ্ঠান ৰূপায়ণ কৰা হয়। অনুষ্ঠানত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা কীৰ্তিমান ছাত্ৰ- ছাত্ৰীসকলে শিক্ষা গ্ৰহণ কৰা শিক্ষানুষ্ঠানৰ মুৰব্বীসকলোকো সম্বৰ্ধনা জনোৱা হয়।





## বঢ়মপুৰৰ কৰৈয়নিত মঞ্চ-অংকীয়া নাটৰ কৰ্মশালাত বহু জনপ্ৰিয় শিল্পীৰ অংশগ্ৰহণ

### ২৩ জুলাইৰ সামৰণী অনুষ্ঠানত প্ৰশিক্ষাৰ্থীৰ দ্বাৰা প্ৰদৰ্শিত হ'ব অংকীয়া নাট

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঢ়মপুৰ, ২১ জুলাই ঃ** নগাঁৱৰ বঢ়মপুৰ সমষ্টিৰ অন্তৰ্গত ঐতিহ্যমণ্ডিত কৰৈয়নিৰ 'কলংপৰীয়া বাৰগঞা সমাজ'ৰ ব্যৱস্থাপনাত আৰু জ্যোতি শিল্পৰ উদ্যোগত যোৱা ৯ জুলাইৰ পৰা বাৰগঞা মন্দিৰ প্ৰাংগণত এখনি নাট কৰ্মশালা অনুষ্ঠিত হৈ আহিছে। প্ৰাক্তন মন্ত্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱাই উদ্বোধন কৰা এই কৰ্মশালাখনিত বিভিন্ন প্ৰান্তৰ ৭০গৰাকীৰো অধিক প্ৰশিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰিছে। কৰ্মশালাত আধুনিক নাটকৰ লগতে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ বিৰচিত অংকীয়া নাটৰো প্ৰশিক্ষণ প্ৰদান কৰা হৈছে। অংকীয়া নাটৰ প্ৰশিক্ষক হিচাপে অংশগ্ৰহণ কৰিছে উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰীয়া সংস্কৃতিৰ সাধক মুকুন্দ বৰবায়ন আৰু শ্ৰীমন্ত বৰবায়নে। তদুপৰি মঞ্চ নাটকৰ প্ৰশিক্ষণ প্ৰদান কৰিছে দীপক বৰা, মৃণাল বৰা, সিদ্ধাৰ্থ শৰ্মা, গণেশ দাস, দীপজ্যোতি কেওট, ৰিন্টুমণি বৰা, প্ৰকাশ চক্ৰৱৰ্তী, অঞ্জল বৰা, বিজিত নাথ, কৌশিক গোস্বামীৰ দৰে বিশিষ্ট নাট্যকৰ্মীসকলে। প্ৰশিক্ষণৰ অন্তত এখন অংকীয়া নাট আৰু আন এখন আধুনিক নাটক প্ৰশিক্ষাৰ্থীসকলৰ দ্বাৰা মঞ্চায়ন কৰা হ'ব। অহা ২৩ জুলাইত অনুষ্ঠিত হ'বলগা সামৰণী অনুষ্ঠানত বিশিষ্ট কষ্টিউম ডিজাইনাৰ তথা সমাজকৰ্মী গৰিমা গাৰ্গ উপস্থিত থকাৰ কথা। সত্ৰীয়া সংস্কৃতিৰ সাধক মুকুন্দ বৰবায়ন আৰু শ্ৰীমন্ত বৰবায়নৰ দ্বাৰা পৰিচালিত অংকীয়া নাটক শংকৰদেৱৰ 'ৰুক্মিণী হৰণ' প্ৰদৰ্শন কৰা হ'ব বুলি জানিব পৰা গৈছে।

## পূব বংশৰ আছুৰ গ্ৰীষ্মকালীন পাঠদানৰ সামৰণী অনুষ্ঠান

**দৈনন্দিন বাৰ্তাৰ সেৱা শুৱালকুছি, ২১ জুলাই ঃ** পূব বংশৰ আঞ্চলিক ছাত্ৰ সন্থাৰ উদ্যোগত আৰু বংশৰ শাখা ছাত্ৰ সন্থাৰ সহযোগ বংশৰ ভৃঙ্গেশ্বৰ হাইস্কুলত ৪ জুলাইৰ পৰা ১৯ জুলাইলৈ (ষষ্ঠ শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ) আৰম্ভ হোৱা বিনামূলীয়া পাঠদানৰ কালি সফল সামৰণি পৰে। পোন্ধৰদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত এই গ্ৰীষ্মকালীন পাঠদানৰ সামৰণী অনুষ্ঠানৰ লগত সংগতি ৰাখি বংশৰ ৰাজহুৱা প্ৰেক্ষাগৃহত এখন সভা অনুষ্ঠিত হয়। পূব বংশৰ আছুৰ উপ-সভাপতি বিকাংক দাসে আঁত ধৰা আৰু পূব বংশৰ আছুৰ সভাপতি মনোৰঞ্জন দাসৰ সভাপতিত্বত অনুষ্ঠিত সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি আছুৰ উপদেষ্টা প্ৰকাশ দাসে কয় যে ছাত্ৰ সন্থাই আয়োজন কৰা গ্ৰীষ্মকালীন পাঠদানে ছাত্ৰ-ছাত্ৰীসকলক যথেষ্ট পৰিমাণে উপকৃত কৰিব। কাৰণ সাধাৰণতে গৰমৰ বন্ধত ছাত্ৰ-ছাত্ৰীসকলে ফুৰিব বিচাৰে। ফুৰা সময় বহুত পাব। এগৰাকী ভাল ছাত্ৰ-ছাত্ৰী হ'বলৈ অথবা নিজৰ লক্ষ্য সাধন কৰিবলৈ হ'লে এইটো বয়সতে ছাত্ৰ-ছাত্ৰীসকলে যথেষ্ট কষ্ট কৰিব লাগিব, তেতিয়াহে জীৱনত সফল হ'ব পাৰিব বুলি প্ৰকাশ কৰে। অনুষ্ঠানত উপস্থিত থাকি হাজো ৰাজহ চক্ৰ বিষয়া জাহ্নৱী সোণোৱালে ছাত্ৰ সন্থাৰ এনে পদক্ষেপক ধন্যবাদ জ্ঞাপন কৰে। তেওঁ ছাত্ৰ সন্থাৰ এই পদক্ষেপৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ পঢ়াৰ প্ৰতি থকা মনোযোগ বৃদ্ধি পোৱাৰ লগতে পাঠ্যক্ৰমত থকা বিষয়সমূহ আয়ত্ত কৰাত সহায়ক হ'ব বুলি মন্তব্য কৰে। বংশৰ ভৃঙ্গেশ্বৰ হাইস্কুলৰ প্ৰধান শিক্ষক ভগৱান বৈশ্যই ছাত্ৰ-ছাত্ৰীসকলক নিষ্ঠা, সততা আৰু আন্তৰিকতাৰে পঢ়া-শুনা কৰিবলৈ আহ্বান জনায়। প্ৰায় তিনিশ ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰা সামৰণী অনুষ্ঠানত উপস্থিত হৈ সদৌ অসম ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক ধৰ্মেশ্বৰ দাসে কয় যে ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি ছাত্ৰ সন্থা সদায়েই দায়বদ্ধ। ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভা বিকাশৰ কাৰণে ছাত্ৰ সন্থাই সদায় আগভাগ লৈ আহিছে আৰু অনাগত দিনতো ছাত্ৰ সন্থাই ছাত্ৰ-ছাত্ৰীসকলৰ সৰ্বাংগীণ উন্নতিৰ হকে কাম কৰি যাব বুলি মন্তব্য কৰে। আজিৰ এই অনুষ্ঠানত প্ৰাক্তন আছু নেতা দিবাকৰ কলিতা, সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক পংকজ কলিতা, সুৰজিত কলিতা, আছু নেতা ৰিংকু নাথ, নয়নজ্যোতি বৈশ্যৰ লগতে কে'বাগৰাকী আছু কৰ্মী, পূব বংশৰ মহাবিদ্যালয়ৰ প্ৰবক্তা ড° ধ্ৰুৱজ্যেতি মালাকাৰ, শিক্ষক সনাতন বৈশ্য, প্ৰণৱ দাসৰ লগতে ভৃঙ্গেশ্বৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ কেইবাগৰাকীও শিক্ষক উপস্থিত থাকে। সামৰণী অনুষ্ঠানৰ পূৰ্বে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অনুষ্ঠিত প্ৰতিভা সন্ধানী পৰীক্ষাত প্ৰতিটো শ্ৰেণীৰ পৰা প্ৰথম দ্বিতীয় আৰু তৃতীয় স্থান লাভ কৰা ছাত্ৰ-ছাত্ৰীক মানপত্ৰ প্ৰদান কৰা হয়।

# বঙাইগাঁও জিলা বিজেপি কাৰ্যালয়ত যোগদান কাৰ্যসূচী

## দক্ষিণ অভয়াপুৰী বিধানসভা সমষ্টিৰ প্ৰাক্তন অগপ বিধায়কৰ পুত্ৰসহ বিভিন্ন অঞ্চলৰ শতাধিক লোকৰ বিজেপিত যোগদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঙাইগাঁও, ২১ জুলাই ঃ** বঙাইগাঁও জিলাৰ দক্ষিণ অভয়াপুৰী বিধানসভা সমষ্টিৰ প্ৰাক্তন অগপ বিধায়ক ৰবিন বণিক্যৰ পুত্ৰ ধৃতিমান বণিক্যই বুধবাৰে অগপ দল ত্যাগ কৰি বিজেপি দলত যোগদান কৰে। অগপৰ দক্ষিণ অভয়াপুৰী বিধানসভা সমষ্টি কমিটীৰ সাধাৰণ সম্পাদক ধৃতিমান বণিক্যই বঙাইগাঁও জিলা বিজেপি কাৰ্যালয়ত বিয়লিৰ ভাগত অনুষ্ঠিত এক যোগদান কাৰ্যসূচীত দলটোৰ ৰাজ্যিক সমিতিৰ সভাপতি ভৱেশ কলিতাৰ উপস্থিতিত আনুষ্ঠানিকভাৱে বিজেপি দলত যোগদান কৰে। উল্লেখ্য যে অগপৰ ধৃতিমান বণিক্যৰ লগতে দক্ষিণ অভয়াপুৰী বিধানসভা সমষ্টিৰ অগপ দলৰ আন একাংশ বিষয়ববীয়া আৰু কৰ্মীৰ উপৰিও জিলাখনৰ বিভিন্ন অঞ্চলৰ আন দল-সংগঠনৰ লোককে ধৰি মুঠ শতাধিক লোকে বিজেপি দলৰ প্ৰতি আকৃষ্ট হৈ আনুষ্ঠানিকভাৱে দলটোত যোগদান কৰে। দলত যোগদান কৰাসকলক অনুষ্ঠানত উপস্থিত থকা ৰাজ্যিক বিজেপিৰ সভাপতি ভৱেশ কলিতা, জিলা বিজেপিৰ সভানেত্ৰী হিমানী অধিকাৰী, বিজনী বিধানসভা সমষ্টিৰ বিধায়ক অজয় ৰায় আদিয়ে দললৈ আদৰণি জনায়। উল্লেখ্য যে জিলা বিজেপিৰ সাধাৰণ সম্পাদক শংকৰ বিশ্বাসে আঁত ধৰা যোগদান কাৰ্যসূচীত আদৰণী ভাষণ ৰাখে জিলা বিজেপিৰ সভানেত্ৰী হিমানী অধিকাৰীয়ে। ইপিনে, যোগদান কাৰ্যসূচীত উপস্থিত থকা ৰাজ্যিক বিজেপিৰ সভাপতি ভৱেশ কলিতাই নিজৰ বক্তব্যত দলটোত নতুনকৈ যোগদান কৰাসকলৰ জৰিয়তে জিলাখনত আগন্তুক দিনত বিজেপি দলটো আৰু অধিক শক্তিশালী ৰূপত আত্মপ্ৰকাশ কৰিব আৰু সাংগঠনিকভাৱে সংগঠনটো বিস্তাৰ হ'ব বুলি আশা প্ৰকাশ কৰে। ৰাজ্যিক সভাপতিগৰাকীয়ে লগতে কয় যে বঙাইগাঁও জিলাত তিনিটা বিধানসভা সমষ্টি আছে যদিও এটাও বিজেপিৰ দখলত নাই। সেয়ে আমাক তিনিওটা সমষ্টিয়ে লাগে। গতিকে আমি কষ্ট কৰিব লাগিব। ৰাজ্যিক সভাপতিগৰাকীয়ে নিজৰ বক্তব্যত বিৰোধী দল কংগ্ৰেছক নানা সমালোচনাও কৰে। ইপিনে, বিধায়ক অখিল গগৈয়ে এনডিএৰ ৰাষ্ট্ৰপতি প্ৰাৰ্থীগৰাকীৰ বিৰুদ্ধে কৰা মন্তব্য সন্দৰ্ভত প্ৰতিক্ৰিয়া জানিব বিচৰাত ৰাজ্যিক বিজেপিৰ সভাপতিগৰাকীয়ে কয় যে তেওঁ মাজে মাজে কৈয়ে থাকে। তেওঁ কি কয় নিজেই নাজানে আৰু পিছদিনা ক্ষমাও খোজে। এজন ৰাইজৰ প্ৰতিনিধিৰ কিছুমান দায়িত্ব থাকে। এজন সাধাৰণ ব্যক্তি আৰু ৰাইজৰ প্ৰতিনিধি একে নহয়। অকল সেয়াই নহয়, বহুবাৰ তেওঁ তুচ্ছ-তাচিল্য কৰে। তেওঁ ব্যৱহাৰ নাজানে। শিকিবলগীয়া বহু আছে। ৰাজনৈতিক পৰিপক্কতা নাই। কেৱল সংগ্ৰাম কৰিব জানে। সংগ্ৰাম আৰু এজন বিধায়ক হোৱাৰ মাজত বহু পাৰ্থক্য আছে। তেওঁ হ'ল আন্দোলন কৰা নেতা। সেয়ে তেওঁ তেনেকুৱা মন্তব্যও কৰে আৰু ক্ষমাও বিচাৰে। আমি তেনেকুৱা কামক গৰ্হিত কৰোঁ। তেওঁ মন্তব্যটো উঠাই লৈছে আৰু ক্ষমাও বিচাৰিছে যেতিয়া বিষয়টো আমি ইমানতে সামৰণি মাৰিছোঁ। সভাপতিগৰাকীয়ে কয় যে এগৰাকী জনগোষ্ঠীয় মহিলাই দেশৰ সাংবিধানিক সৰ্বোচ্চ পদত অধিস্থিত হ'বলৈ গৈ আছে আৰু এয়া দেশৰ কাৰণে গৌৰৱ। সেয়ে দলে বৃহস্পতিবাৰে ৰাষ্ট্ৰপতিগৰাকীক আদৰণি জনাই সমদল উলিয়াব। তেওঁ কয় যে এয়া সমগ্ৰ জনগোষ্ঠীয় বা আদিবাসীসকলৰ কাৰণে নহয় বৰং এয়া সমগ্ৰ ভাৰতবৰ্ষৰ কাৰণে গৌৰৱ। আনহাতে, বিজেপিয়ে লোকসভা নিৰ্বাচনক লক্ষ্য হিচাপে লৈ বিকাশ যোজনা আৰম্ভ কৰা বুলিও কয়। তেওঁ বিজেপিয়ে আগন্তুক ২৫ বছৰৰ কাৰণে এক ৰোড মেপ তৈয়াৰ কৰি সংগঠনৰ কাম চলি থকা বুলি জানিব দি লগতে কয় যে বিজেপিৰ কেৱল লোকসভা নিৰ্বাচনেই লক্ষ্য নহয়, বৰং স্থানীয় পঞ্চায়ত নিৰ্বাচনকে ধৰি সকলো নিৰ্বাচনতে বিজেপিয়ে জয়লাভ কৰিব লাগিব। অসমৰ লগতে ভাৰতবৰ্ষৰ জনগণে বুজি উঠিছে যে দেশৰ যদি উন্নয়ন কৰিব লাগে তেতিয়াহ'লে একমাত্ৰ দল হৈছে বিজেপি আৰু একমাত্ৰ নেতা হৈছে নৰেন্দ্ৰ মোদী। একেদৰে বিজেপি দলে স্বাধীনতা দিৱসৰ লগত সংগতি ৰাখি ৰূপায়ণ কৰিবলগীয়া প্ৰচাৰ অভিযান, ঘৰে ঘৰে ত্ৰিৰংগা যাত্ৰা কাৰ্যসূচী সন্দৰ্ভটো উল্লেখ কৰে। যোগদান কাৰ্যসূচীত জিলা বিজেপিৰ সাধাৰণ সম্পাদক জ্যোতিৰ্ময় সৰকাৰ, বঙাইগাঁও পৌৰসভাৰ সভাপতি, অভয়াপুৰী পৌৰ সভাৰ সভাপতি, ৱাৰ্ড কমিচনাৰসকল, যুৱ মৰ্চা আদিৰ বিষয়ববীয়াসকল উপস্থিত আছিল।



### প্ৰাক্তন শাখা পৰিচালকৰ সংবাদ মেল

# দ্য ইউনিয়ন কো-অপাৰেটিভ বেংক লিমিটেডৰ সঞ্চালক ৰাজিন্দৰ দাসৰ বিৰুদ্ধে বিস্ফোৰক অভিযোগ

## চৰাইদেউৰ দৰেই খাৰুপেটীয়াৰ বেংকটোৰ সা-সম্পত্তি গোপনে বিক্ৰীৰ ষড়যন্ত্ৰ সঞ্চালকৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, খাৰুপেটীয়া, ২১ জুলাই ঃ** দ্য ইউনিয়ন কো-অপাৰেটিভ বেংক লিমিটেড ৰাজ্যিক সঞ্চালক ৰাজিন্দৰ দাসৰ বিৰুদ্ধে ব্যাপক দুৰ্নীতি আৰু কেলেংকাৰিৰ অভিযোগ উত্থাপন কৰিছে বেংকটোৰ প্ৰাক্তন মেনেজাৰ কোব্বাত আলীয়ে। বুধবাৰে খাৰুপেটীয়াত আয়োজিত সংবাদ মেলত পূৰ্বৰ বেংক মেনেজাৰ কোব্বাত আলীয়ে সঞ্চালকজনৰ বিৰুদ্ধে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ শাখাৰ বৃহৎ পৰিমাণৰ ধন আত্মসাৎ কৰাৰ বিস্ফোৰক অভিযোগ উত্থাপন কৰিছে আলীয়ে। সংবাদ মেলত তেওঁ কয় যে খাৰুপেটীয়া টাউনৰ মাজমজিয়াত অৱস্থিত ইউনিয়ন কো-অপাৰেটিভ বেংক লিমিটেডৰ (পূৰ্বৰ এছকাৰ্ড বেংক) কেলেংকাৰিৰ সৈতেও জড়িত সঞ্চালক ৰাজিন্দৰ। সংবাদ মেলত তেওঁ অভিযোগ কৰি কয় যে সঞ্চালকপ্ৰধান ৰাজিন্দৰে চৰাইদেউ জিলাৰ সোণাৰিত থকা বেংকৰ শাখাৰ মাটি-সম্পত্তি বিক্ৰী কৰি অহাৰ দৰেই বেংকটোৰ খাৰুপেটীয়া শাখাৰ একাংশ দুৰ্নীতিগ্ৰস্ত কৰ্মচাৰী, কালেক্টৰৰ সৈতে সম্পৰ্ক ৰাখি দুই কোটিৰো অধিক মূল্যৰ মাটি-সম্পত্তি গোপনে বিক্ৰী কৰাৰ ষড়যন্ত্ৰত লিপ্ত হৈছে। দুৰ্নীতিগ্ৰস্ত সঞ্চালকজনৰ বিৰুদ্ধে বেংকটোৰ ১২জন সঞ্চালকৰ অধিকাংশ সঞ্চালকেই তদন্ত বিচাৰি বেংকটোৰ অধ্যক্ষক অভিযোগ দাখিল কৰিছিল যদিও অধ্যক্ষই ইয়াৰ বিৰুদ্ধে উপযুক্ত পদক্ষেপ গ্ৰহণ কৰা নাই। কোব্বাত মণ্ডলে জনোৱা মতে সঞ্চালকজনৰ বিৰুদ্ধে ১৩৫৯/২০১১ৰ অধীনত এটি গোচৰো চলি আছে আদালতত। খাৰুপেটীয়া শাখাৰ ইউনিয়ন কো-অপাৰেটিভ বেংক লিমিটেডৰ দুৰ্নীতিগ্ৰস্ত কালেক্টৰৰ সৈতে সঞ্চালকপ্ৰধান ৰাজিন্দৰ দাসে হলিগলি কৰি বেংক শাখাটো বন্ধ কৰি ৰখাৰ পিছত জমাকাৰীসকলে জমা ধন ঘূৰাই নোপোৱাত জমাকাৰীৰ মাজত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে বৰ্তমান। কোব্বাত মণ্ডলে জানিবলৈ দিয়া মতে বেংকটোৰ দুৰ্নীতিগ্ৰস্ত সঞ্চালকজনৰ লগতে দুৰ্নীতিগ্ৰস্ত কালেক্টৰসকলৰ বিৰুদ্ধে অতি শীঘ্ৰেই আইনী ব্যৱস্থা লোৱা হ'ব বুলিও সংবাদ মেলত জনায়। ইয়াৰ উপৰি সঞ্চালকপ্ৰধান ৰাজিন্দৰ দাস আৰু কালেক্টৰসকলে বৃহৎ পৰিমানৰ ধন আত্মসাৎ কৰাৰ তালিকাখনো মজুত আছে বুলিও সংবাদ মেলত উল্লেখ কৰে পূৰ্বৰ মেনেজাৰ কোব্বাত মণ্ডলে। ইফালে খাৰুপেটীয়াৰ বেংকৰ শাখাৰ কাম-কাজ পুনৰ আৰম্ভ কৰাৰ উদ্দেশ্যে নীতিবহিৰ্ভূতভাৱে এজন বাহিৰা অনুপযুক্ত লোকক নিযুক্তি দিয়াৰ যো-জা চলোৱা কাৰ্যৰ তীব্ৰ বিৰোধিতা কৰি এজন অভিজ্ঞ উপযুক্ত লোকক শাখাটোৰ মেনেজাৰ নিযুক্তি দিয়াৰ দাবী কৰে কোব্বাত মণ্ডলে।



# মাত্ৰ তিনিটা ফ'গিং মেচিনেৰে নগাঁৱত জাপানীজ এনকেফেলাইটিছৰ বিৰুদ্ধে অভিযান জিলা মেলেৰিয়া বিভাগৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২১ জুলাই ঃ** ৰাজ্যত জাপানীজ এন্‌কেফেলাইটিছে সংহাৰী ৰূপ ধাৰণ কৰাৰ সময়তে নগাঁও জিলাতো এই ৰোগে ভয়াৱহ ৰূপ ধাৰণ কৰিছে। চলিত বৰ্ষত দ্বিতীয়টো ভয়াৱহ বানৰ পাছত জাপানীজ এনকেফেলাইটিছ ৰোগত জিলাখনত প্ৰায় ১১জন লোকৰ প্ৰাণ হেৰুৱাইছে। জাপানীজ এনকেফেলাইটিছ মহৰ পৰা সৃষ্ট এই বিধ ৰোগ নিৰ্মূল কৰিবলৈ স্বাস্থ্য বিভাগৰ মেলেৰিয়া বিভাগে প্ৰাপ্তবয়স্ক মহবোৰ ধ্বংসৰ কাৰণে ফ'গিঙৰ ব্যৱস্থা কৰে। বিচাৰ্যৰ বিষয় এই যে, সমগ্ৰ নগাঁও জিলাত বৰ্তমান ফ'গিং মেচিন আছে মাত্ৰ তিনিটা। মাত্ৰ তিনিটা ফ'গিং মেচিনেৰে এতিয়া নগাঁৱত চলিছে অভিযান। তিনিটা ফ'গিং মেচিনক টনা-আঁজোৰা কৰিয়েই সমগ্ৰ জিলাখনত এনকেফেলাইটিছৰ দৰে ভয়াৱহ ৰোগবিধক প্ৰতিহত কৰাৰ চেষ্টা চলাই আছে নগাঁও জিলা স্বাস্থ্য বিভাগে। প্ৰশ্ন হয়, ৰাজ্যৰ স্বাস্থ্য বিভাগে ঢাক-ঢোল বজাই সৰ্বত্ৰ সৰ্বসাধাৰণ ৰাইজে স্বাস্থ্য বিভাগৰ পৰা সকলো সুবিধা লাভ কৰি থকা বুলি জাহিৰ কৰি থকাৰ সময়তে নগাঁৱত জাপানীজ এনকেফেলাইটিছ ৰোগৰ ভয়াৱহতাৰ সময়ত স্বাস্থ্য বিভাগে গ্ৰামাঞ্চলৰ উপৰি নগৰাঞ্চলসমূহত কেৱল এই তিনিটা ফ'গিং মেচিনেৰে এটা বিভাগ চলাই থকা কাৰ্যই বাৰুকৈয়ে চিন্তিত হৈছে নগাঁওবাসী সচেতন ৰাইজ। জিলা মেলেৰিয়া বিভাগে তিনিটা ফ'গিঙ মেচিনেৰে জিলাখনৰ বিভিন্ন প্ৰান্তৰ লগতে চহৰাঞ্চলৰ কিছু পৌৰ এলেকাত ফ'গিং, গৃহস্থৰ ব্যৱহৃত আঁঠুৱাসমূহ ঔষধিকৰণ, বিভিন্ন সজাগতা সভা আদিৰে জাপানীজ এনকেফেলাইটিছ ৰোগ প্ৰতিৰোধৰ ব্যৱস্থা কৰিছে বুলি জিলা মেলেৰিয়া বিভাগৰ তৰফৰ পৰা জানিব পৰা গৈছে।

# চতিয়া প্ৰেছ ক্লাবৰ উদ্যোগত চতিয়াত জাপানীজ এনকেফেলাইটিছ প্ৰতিৰোধী কাৰ্যসূচী



**দৈনন্দিন বাৰ্তাৰ সেৱা, চতিয়া, ২১ জুলাই ঃ** ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত জাপানীজ এনকেফেলাইটিছৰ প্ৰাদুৰ্ভাৱ বৃদ্ধি হোৱাৰ সমান্তৰালভাৱে চতিয়াতো বৃদ্ধি পাইছে আক্ৰান্তৰ সংখ্যা। চতিয়া অঞ্চলত জাপানীজ এনকেফেলাইটিছত প্ৰমোদ ভট্টাচাৰ্য নামৰ এজন ব্যক্তিৰ মৃত্যু হোৱাৰ লগতে নাৰায়ণ গুপ্তা আৰু জাকিৰ আলী নামৰ ব্যক্তি দুজন এনকেফেলাইটিছত আক্ৰান্ত হৈ চিকিৎসাধীন হৈ আছে। চতিয়া অঞ্চলত ইয়াৰ প্ৰাদুৰ্ভাৱৰ প্ৰতি লক্ষ্য ৰাখি আজি চতিয়া প্ৰেছ ক্লাব, চতিয়া পৌৰ সভা, চতিয়া ৩নং আঞ্চলিক পঞ্চায়ত আৰু স্বাস্থ্য বিভাগৰ সহযোগত চতিয়া পৌৰ সভা এলেকাত জাপানীজ এনকেফেলাইটিছ প্ৰতিৰোধী স্প্ৰে কৰা হয়। লগতে জনসাধাৰণক সজাগ কৰিবৰ বাবে সজাগতামূলক কাৰ্যসূচীও গ্ৰহণ কৰা হয়। আজিৰ এই অনুষ্ঠানত চতিয়া পৌৰ সভাৰ পৌৰপতি দীপশিখা সন্দিকৈ, চতিয়া ৩নং আঞ্চলিক পঞ্চায়তৰ সভাপতি উদয় শংকৰ শইকীয়া, ভাৰতীয় ষ্টেট বেংকৰ চতিয়া শাখাৰ প্ৰবন্ধক প্ৰণৱ শইকীয়া আৰু চতিয়া প্ৰেছ ক্লাবৰ সভাপতি প্ৰণৱ ওজা, সম্পাদক উত্তম নাথ সহিতে সদস্যসকল উপস্থিত থাকে।

# বটদ্ৰৱাত অগ্নিনিৰ্বাপক আৰু দুৰ্যোগ প্ৰশমন সেৱাৰ শুভাৰম্ভ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বটদ্ৰৱা, ২১ জুলাই ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অলপতে গুৰুজনাৰ জন্মস্থান বটদ্ৰৱা ভ্ৰমণৰ সময়ত গুৰুজনাৰ জন্মস্থানৰ সাধাৰণ ৰাইজৰ জীৱন-সম্পত্তিৰ নিৰাপত্তাজনিত বিষয় সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি বটদ্ৰৱাত এটা অগ্নিনিৰ্বাপন আৰু দুৰ্যোগ প্ৰশমন সেৱা স্থাপনৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল। সেই প্ৰতিশ্ৰুতি ৰক্ষা কৰি আজি অসম চৰকাৰৰ আৰক্ষী বিভাগে গুৰুজনাৰ জন্মস্থান বটদ্ৰৱালৈ অগ্নিনিৰ্বাপক বাহিনীৰ দুখন বাহনৰ লগতে দুৰ্যোগ প্ৰশমনৰ সেৱা আজি শ্ৰী শ্ৰীবটদ্ৰৱা থান পৰিচালনা সমিতিক আনুষ্ঠানিকভাৱে অৰ্পণ কৰে। সত্ৰৰ পৰম্পৰাগত মাংগলিক কাৰ্যসূচীৰ মাজেৰে শ্ৰীশ্ৰীবটদ্ৰৱা থানৰ সমীপত অগ্নিনিৰ্বাপক সেৱা কেন্দ্ৰৰ আস্থান মুকলি কৰে শ্ৰীশ্ৰীবটদ্ৰৱা থান পৰিচালনা সমিতিৰ সভাপতি যোগেন্দ্ৰ নাৰায়ণ দেৱ মহন্তই। অনুষ্ঠানৰ প্ৰাৰম্ভতে বন্তি প্ৰজ্বলন কৰে বটদ্ৰৱা থান পৰিচালনা সমিতিৰ উপ-সভাপতি দেৱানন্দ দেৱ গোস্বামীয়ে। নগাঁও জিলা আৰক্ষী অধীক্ষক লীনা দলেই ফিতা কাটি কাৰ্যালয়ৰ দ্বাৰ উন্মোচন কৰি বটদ্ৰৱা থানৰ লগতে পাৰ্শ্ববৰ্তী এলেকাৰ ৰাইজৰ ধন-জনৰ সুৰক্ষাৰ বাবে এটা দীৰ্ঘদিনীয়া অভাৱ পূৰণ হ'ল বুলি মন্তব্য কৰাৰ লগতে আগন্তুক দুসপ্তাহৰ ভিতৰত বটদ্ৰৱা থানা আক্ৰমণৰ ঘটনাৰ চাৰ্জশ্বিত দাখিল কৰা হ'ব আৰু পৰ্যায়ক্ৰমে বটদ্ৰৱা আক্ৰমণ ঘটনাৰ লগত জড়িত সকলো অপৰাধীক আটক কৰা হ'ব বুলিও কয়। অনুষ্ঠানত অগ্নিনিৰ্বাপক বাহিনীৰ নগাঁও জিলাৰ জ্যেষ্ঠ আস্থান বিষয়া আবু তালহা, বটদ্ৰৱা থান পৰিচালনা সমিতিৰ সদস্য তুৰাৰাম বৰুৱা, পংকজ বৰুৱা, ৰাজীৱ বৰঠাকুৰ, পৰাণ বৰুৱা, মহেন্দ্ৰ বৰুৱা, বিমল পাঠক, ৰবি শইকীয়া, পদুম কলিতা, সাংবাদিক কন্দৰ্প কুমাৰ কলিতা, দিব্যজ্যোতি বৰুৱা, বেদব্ৰত ৰাজা, জগন্নাথ কলিতাৰ লগতে বটদ্ৰৱা থানৰ ভকত-বৈষ্ণৱসকল উপস্থিত থাকে।

# জামুগুৰিহাটৰ এখন গাঁৱৰ ৰাইজে পাৰ কৰিছে উজাগৰী নিশা, ওলাইছে প্ৰেতাত্মা!

**দৈনন্দিন বাৰ্তাৰ সেৱা, জামুগুৰিহাট, ২১ জুলাই ঃ** নিশা হ'লেই এতিয়া আতংকিত হৈ পৰে জামুগুৰিহাটৰ কুসুমটোলাৰ নিকটৱৰ্তী দীপাতোলা গাঁৱৰ ৰাইজ। বিগত ১৫ দিনৰো অধিক ধৰি গাঁওখনৰ অধিকাংশ ৰাইজেই উজাগৰী নিশা অতিবাহিত কৰিছে। কিয়নো নিশাৰ ভাগত গাঁওখনৰ বাসিন্দাৰ বাসগৃহলৈ আৰম্ভ হয় ধাৰাসাৰ শিলা বৰ্ষণ। প্ৰথম অৱস্থাত এয়া কোনো দুষ্কৃতিকাৰীৰ দ্বাৰা হোৱা ঘটনা বুলি ৰাইজে ধাৰণা কৰিছিল যদিও যোৱা ১৫ দিন ধৰি অবিৰতভাৱে হৈ অহা এই ঘটনাৰ প্ৰকৃত উৎস ৰাইজে অনুসন্ধান কৰি উলিয়াব নোৱৰাত গাঁওবাসীৰ মাজত নানান প্ৰশ্নৰ উদ্ৰেগ ঘটিছে। নিশাৰ ভাগত গাঁওখনৰ বাসিন্দাৰ ঘৰলৈ হোৱা শিলা বৰ্ষণ কোনো অদৃশ্য শক্তিৰ দ্বাৰা হোৱা বুলিও একাংশ গঞাই এতিয়া ভাবিবলৈ বাধ্য হৈছে। গাঁওখনত হোৱা এই ঘটনাৰ বিষয়ে গাঁওখনৰ ৰাইজে স্থানীয় আৰক্ষীকো অৱগত কৰাইছে। ১৫ দিন অতিক্ৰম কৰাৰ পিছতো ৰাইজে নিশাৰ ভাগত হোৱা শিলাবৰ্ষণৰ উৎসৰ সন্ধান এতিয়াও লাভ কৰিব পৰা নাই। একাংশ গঞা ৰাইজৰ ধাৰণা— এয়া কোনো প্ৰেতাত্মাৰ দ্বাৰাই নিশাৰ ভাগত সংঘটিত হোৱা ঘটনা। অশৰীৰি আত্মাৰ দ্বাৰা এই ঘটনা সংঘটিত হোৱা বুলি ধাৰণা কৰি একাংশ গঞাই এতিয়া ইয়াৰ পৰা পৰিত্ৰাণ পোৱাৰ উপায় বিচাৰি তান্ত্ৰিকৰ শৰণাপন্ন হৈছে। নিশাৰ ভাগত হোৱা শিলাবৰ্ষণৰ প্ৰকৃত উৎসৰ কাৰণ এতিয়ালৈও উলিয়াব নোৱাৰি তান্ত্ৰিকৰ আশ্ৰয় লোৱাটো বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ চূড়ান্ত শিখৰত উপনীত হোৱাৰ এই সময়ছোৱাত কিমান যুক্তিসংগত সেয়া সচেতন ৰাইজে বিচাৰ কৰিব যদিও এই ঘটনাৰ প্ৰকৃত উৎস উলিয়াব নোৱৰাত সাধাৰণ ৰাইজৰ মাজত এই ঘটনাক লৈ দিনকদিনে কৌতূহল ক্ৰমাৎ বৃদ্ধি পোৱা দেখিবলৈ পোৱা গৈছে।

# গুৱাহাটী শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত কৃতী ছাত্ৰ-ছাত্ৰীক আটছাৰ সম্বৰ্ধনা অনুষ্ঠানৰ প্ৰস্তুতি

## সকলোৰে সহায়-সহযোগিতা কামনা কৰিছে কেন্দ্ৰীয় আটছাই

**দৈনন্দিন বাৰ্তাৰ সেৱা, ইটাখোলা, ২১ জুলাই ঃ** প্ৰতি বছৰৰ দৰে চলিত বৰ্ষৰ ২৩ জুলাইত এদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত কৰিব সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষা আৰু উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱাৰ উদ্দেশ্যে আয়োজন কৰিছে বিশেষ অভিনন্দন অনুষ্ঠান। ইতিমধ্যে সংগঠনটিয়ে বিশেষ অভিনন্দন অনুষ্ঠানৰ পূৰ্ণপ্ৰস্তুতি চলাইছে বুলি এক প্ৰেছ বিজ্ঞিপ্তিযোগে জানিবলৈ দিছে আটছাৰ কেন্দ্ৰীয় প্ৰচাৰ সম্পাদক মিণ্টু ভূমিজে। লগতে ছাত্ৰ নেতাগৰাকীয়ে জনায় যে গুৱাহাটীস্থিত শ্ৰীমন্ত শংকৰদেৱ আন্তৰ্জাতিক প্ৰেক্ষাগৃহত অনুষ্ঠিত হ'বলগীয়া বিশেষ অভিনন্দন অনুষ্ঠানত প্ৰায় ২০০০গৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হ'ব। ৰাজ্যৰ চাহ জনগোষ্ঠীৰ ছাত্ৰ-ছাত্ৰীক জনাবলগীয়া অনুষ্ঠানৰ পুৱা পতাকা উত্তোলন কৰিব আটছাৰ কেন্দ্ৰীয় সভাপতি ধীৰাজ গোৱালা আৰু শ্বহীদ তৰ্পণ কৰিব সম্পাদক জগদীশ বৰাইকে। উল্লেখ্য যে সংগঠনটিয়ে জন্মলগ্নৰে পৰা বিভিন্ন ঘাত-প্ৰতিঘাতৰ মাজত জনগোষ্ঠীটোৰ উত্তৰণত সদা সৰৱ ভূমিকা পালন কৰি অহাৰ মাজতে বৰ্তমানৰ সভাপতি ধীৰাজ গোৱালা আৰু সম্পাদক জগদীশ বৰাইকৰ নেতৃত্বত সম্প্ৰতি জনগোষ্ঠীটোৰ বিশেষকৈ জাতিগত প্ৰমাণ-পত্ৰৰ ক্ষেত্ৰত সন্মুখীন হৈ অহা সমস্যাৰ ক্ষেত্ৰত এক বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰা পৰিলক্ষিত হৈছে। ইয়াৰ মাজতে শ্ৰমজীৱী জনগোষ্ঠীটোৰ মাজত প্ৰতিদিনে উদ্ভাৱন হোৱা ন ন সমস্যাই সংগঠনটিয়ে প্ৰত্যাহ্বানৰ সন্মুখীন হোৱা পৰিলক্ষিত হয়। ইপিনে জনগোষ্ঠীটোৰ ছাত্ৰ-ছাত্ৰীক প্ৰতি বছৰে বিশেষভাৱে অভিনন্দন জনোৱা কাৰ্যসূচীত চাহ জনগোষ্ঠীৰ বহু কেইগৰাকী নেতাৰ উপৰি ৰাজ্যৰ কেইবাগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰাৰ কথা জানিবলৈ দিয়াৰ লগতে সকলোৰে সহায়-সহযোগিতা কামনা কৰিছে।

# কমলপুৰত গুইয়া বাসুদেৱ মন্দিৰ প্ৰেক্ষাগৃহত বিজেপিৰ উত্তৰ কামৰূপ জিলাৰ কাৰ্যনিৰ্বাহ সভা সম্পন্ন



**দৈনন্দিন বাৰ্তাৰ সেৱা, কমলপুৰ, ২১ জুলাই ঃ** বুধবাৰে ভাৰতীয় জনতা পাৰ্টীৰ উত্তৰ কামৰূপ জিলাৰ উদ্যোগত জিলা কাৰ্যনিৰ্বাহক সভা গুইয়া বাসুদেৱ মন্দিৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। সভাৰ প্ৰাক্‌ক্ষণত দলীয় পতাকা উত্তোলন কৰে ভাৰতীয় জনতা পাৰ্টীৰ উত্তৰ কামৰূপ জিলাৰ সভাপতি সুৱল পালে। তাৰ পিছত ভাৰতীয় জনতা পাৰ্টীৰ নমস্য ব্যক্তিসকলৰ প্ৰতিচ্ছবিত চাকি-ধূপ জ্বলাই পুষ্পাঞ্জলি অৰ্পণ কৰে সকলো দলীয় নেতা তথা কৰ্মকৰ্তাই। সভাত আগন্তুক পঞ্চায়ত নিৰ্বাচনৰ প্ৰস্তুতি সম্পৰ্কে আলোচনা কৰাৰ লগতে দলক সু-সংগঠিত কৰাৰ প্ৰচেষ্টা লয় বুলি কমলপুৰ সমষ্টিৰ বিধায়ক দিগন্ত কলিতাই সংবাদ মাধ্যমৰ আগত অৱগত কৰে। লগতে তেওঁ কয়— বিজেপিয়ে আগন্তুক পঞ্চায়ত আৰু লোকসভা নিৰ্বাচনত কংগ্ৰেছমুক্ত পঞ্চায়ত আৰু কংগ্ৰেছমুক্ত লোকসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ কুচকাৱাজ ইতিমধ্যে আৰম্ভ কৰিছে। যি দলে বিজেপিক সন্মুখৰ পৰা প্ৰত্যাহ্বান জনাব সেই দলক ৰাজনৈতিকভাৱে নিঃশেষ কৰি অসমৰ প্ৰতিটো সমষ্টিতে ভাৰতীয় জনতা পাৰ্টীৰ পতাকা উৰোওৱাৰ সংকল্প বিজেপিয়ে লৈছে। বিধায়ক দিগন্ত কলিতাই প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাক তীব্ৰ কটাক্ষ কৰি কয় এটা ৰাজনৈকতিক দলৰ সভাপতি হৈ কাক ভোট দিব সেয়াও সিদ্ধান্ত কৰিব নোৱাৰে। দলক নিয়ন্ত্ৰণ কৰিব নোৱাৰে, ঘৰখনক নিয়ন্ত্ৰণ কৰিব নোৱাৰে সেই দলৰ সভাপতি হোৱাতকৈ বিজেপি দলৰ সাধাৰণ সদস্য হ'বলৈ আহ্বান জনায়। উত্তৰ কামৰূপ জিলাৰ সভাপতি সুৱল পালৰ সভাপতিত্বত আৰু সাধাৰণ সম্পাদক ডাঃ হৃদয় দাসে আঁত ধৰা কাৰ্যনিৰ্বাহক সভাত উপস্থিত থাকে ৰাজ্যিক বিজেপিৰ সভাপতি ভৱেশ কলিতা, ৰাজ্যিক সাংগঠনিক সম্পাদক ফণিন্দ্ৰ নাথ শৰ্মা, কামৰূপ জিলাৰ অভিভাৱক মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, সহঃ প্ৰভাৰী দিলীপ দাস আৰু ৰাজ্যিক তথা জিলা কাৰ্যনিৰ্বাহক সদস্যসকল উপস্থিত থাকে।

# গণেশগুৰিৰ মুক্তাংগণত লোক-সংস্কৃতিৰ তিনি পুৰোধালৈ গগনৰ বিপুল সম্বৰ্ধনা

## হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ অৰ্ধ-শতাধিক কৃতী ছাত্ৰ-ছাত্ৰীলৈ জনালে অভিনন্দন

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২১ জুলাই ঃ** মহানগৰীৰ স্বেচ্ছাসেৱী অনুষ্ঠান গোবিন্দ-গোলাপী ন্যাসে(গগন) কালি অসমৰ লোক-সংগীতৰ তিনি মহান শিল্পীক তেওঁলোকৰ জীৱনজোৰা সাধনাৰ বাবে আনুষ্ঠানিকভাৱে সম্বৰ্ধনা জনায়। সাংবাদিক আজিজুৰ ৰহমান শইকীয়াই আঁত ধৰা এক মনোজ্ঞ অনুষ্ঠানত বিশিষ্ট সংগীতজ্ঞ দেৱেশ্বৰ শৰ্মা, যাত্ৰাভিনেতা মদন মজুমদাৰ আৰু স্বনামধন্য বাদ্যশিল্পী কৈলাস ৰাভাক জীৱনজোৰা সাধনাৰ বাবে গগনৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। একেটা অনুষ্ঠানতে সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত দশম স্থানপ্ৰাপ্ত পৰিস্মা চক্ৰৱৰ্তী আৰু আন ৫৩গৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক গগনে অভিনন্দন জনায়। ছাত্ৰ-ছাত্ৰীসকলক মানপত্ৰ, শৰাই, গামোচা, কলম,




নগদ ধন, অভিধান, গছপুলি, গঁড়ৰৰ প্ৰতিকৃতি আদিৰে অভিনন্দন জনোৱা হয়। গণেশগুৰিৰ বিষ্ণুপ্ৰসাদ ৰাভা উৰণীয়া সেতুৰ তলত আয়োজিত অনুষ্ঠানটিত বিশিষ্ট অতিথিৰূপে মঞ্চত আসন শুৱনি কৰে বিশিষ্ট সংগীতজ্ঞ জে পি দাস, বিশিষ্ট সমাজসেৱী মিনতি বৰঠাকুৰ, বিশিষ্ট সাংবাদিক অচ্যুত কুমাৰ পাটোৱাৰী, জনপ্ৰিয় অভিনেত্ৰী চেতনা দাস, খ্যাতনামা কলা নিৰ্দেশক নুৰুদ্দিন আহমেদ, বিশিষ্ট সমাজকৰ্মী ডাঃ অঞ্জনজ্যোতি চৌধুৰী, অসম আৰ্চাৰী সন্থাৰ সভাপতি জয়ন্ত বড়ো আৰু গোবিন্দ-গোলাপী ন্যাসৰ প্ৰতিষ্ঠাপক বিশিষ্ট সমাজকৰ্মী ধৰণী তালুকদাৰে। অনুষ্ঠানত জনপ্ৰিয় কণ্ঠশিল্পী মনোজ কাশ্যপে সংগীতানুষ্ঠান পৰিৱেশন কৰে। কেইবা শতাধিক লোক উপস্থিত থকা অনুষ্ঠানটিৰ সামগ্ৰিক পৰিচালনা আছিল গগনৰ মুখ্য আহ্বায়ক বিপুল তালুকদাৰ আৰু আহ্বায়ক আব্দুল মালিকৰ।

# ভানু ভূমিজৰ হত্যাকাৰীক দৃষ্টান্তমূলক শাস্তিৰ দাবী ভূমিজ সমাজৰ

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিমৌ, ২১ জুলাই ঃ** শিৱসাগৰৰ চেৰেকাপাৰা নিৱাসী বিতুপন ঢেকীয়াল ফুকনৰ বাসগৃহত বনকৰা শিশু ভানু ভূমিজৰ হত্যাকাণ্ড তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে সদৌ অসম ভূমিজ সমাজে। আজি এক বিবৃতিযোগে সদৌ অসম ভূমিজ সমাজৰ শিৱসাগৰ জিলা সমিতিৰ সভাপতি হেবিন ভূমিজ আৰু সম্পাদক বিজয় ভূমিজৰ লগতে ভূমিজ সমাজ ডিমৌ আঞ্চলিকৰ সভাপতি চুকচা' ভূমিজ, সম্পাদক ৰমেন ভূমিজে বনকৰা শিশু ভানু ভূমিজৰ হত্যাকাণ্ডত জড়িত আটাইকেইজনকে দৃষ্টান্তমূলক শাস্তি দিবৰ বাবে চৰকাৰ তথা প্ৰশাসনৰ ওচৰত দাবী জনাইছে।

# চেঙেলীয়াঝাৰত পাথৰিঘাট মণ্ডল বিজেপিৰ সংখ্যালঘু মৰ্চাৰ সভা

## বুথ পৰ্যায়ত গঠন কৰিব সংখ্যালঘু মৰ্চা



**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং, ২১ জুলাই ঃ** ভাৰতীয় জনতা পাৰ্টীৰ পাথৰিঘাট মণ্ডলৰ এক গুৰুত্বপূৰ্ণ সভা আজি চেঙেলীয়াঝাৰ বজাৰ গৃহত অনুষ্ঠিত হয়। মূলতঃ বুথ পৰ্যায়ত সংখ্যালঘু মৰ্চা গঠন কৰিবলগীয়া আলোচনা সভাত পাথৰিঘাট মণ্ডল বিজেপিৰ সংখ্যালঘু মৰ্চাৰ সভাপতি বাহাৰুল ইছলামে সংখ্যালঘু লোকসকলক দলে-দলে ওলাই আহি বিজেপিত যোগদান কৰিবলৈ আহ্বানত জনাই চৰকাৰখনে সংখ্যালঘু ৰাইজৰ বাবে গ্ৰহণ কৰা বিভিন্ন আঁচনিসমূহ গ্ৰহণ কৰিবলৈয়ো বক্তব্যত উল্লেখ কৰে। নিজৰ বক্তব্যত আগন্তুক নিৰ্বাচনত সংখ্যালঘু লোকসকলৰ পৰা অধিকসংখ্যক ভোট দি দলীয় প্ৰাৰ্থীগৰাকীক জয়ী কৰোৱাবলৈ আহ্বান জনায়। ছিপাঝাৰৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশীক এগৰাকী দক্ষ বিধায়ক হিচাপেও অভিহিত কৰে। চেঙেলীয়াঝাৰ অঞ্চলৰ প্ৰায় তিনি-চাৰিখনকৈ গাঁৱৰ আইমাতৃৰ লগতে কেইবা শতাধিক লোকে অংশগ্ৰহণ কৰা সভাখনত পাথৰিঘাট মণ্ডল বিজেপিৰ সংখ্যালঘু মৰ্চাৰ সাধাৰণ সম্পাদক আব্দুল ৰেজ্জাক, সম্পাদক আবুবক্কৰ ছিদ্দিককে ধৰি ভালেকেইগৰাকী নেতা-কৰ্মী উপস্থিত আছিল।

# সৰবৰহী যুৱ ব্যৱসায়ী হেমিদুৰ ৰহমানৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ২১ জুলাই ঃ** নাজিৰা নগৰৰ ৮নং ৱাৰ্ডৰ বাসিন্দা সৰবৰহী যুৱ ব্যৱসায়ী হেমিদুৰ ৰহমান (৫১) ২০ জুলাইৰ বিয়লি গুৱাহাটী বি বৰুৱা চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। সৰবহৰী যুৱকজনৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে বহু গুণমুগ্ধই তেওঁৰ বাসভৱনত ভিৰ কৰে। আজি বিয়লি ২ বজাত তেওঁৰ জানাজা নাজিৰা ঈদগাহ-জানাজা গৃহত অগণন গুণমুগ্ধৰ উপস্থিতিত সম্পন্ন কৰা হয়। মৃত্যুৰ সময়ত পত্নী, দুজন পুত্ৰসহ বহু আত্মীয়-স্বজনক এৰি থৈ গৈছে। যুৱ ব্যৱসায়ীজনৰ মৃত্যুত অঞ্চলটোত শোকৰ ছাঁ পৰে।

# যক্ষ্মাৰোগ নিৰ্মূলকৰণৰ বৈঠক

**দৈনন্দিন বাৰ্তাৰ সেৱা, শুৱালকুছি, আমিনগাঁও ২১ জুলাই ঃ** যক্ষ্মা নিৰ্মূলকৰণৰ দিশত বিভিন্ন বহুমুখী সহযোগিতাৰ ওপৰত গুৰুত্ব প্ৰদানেৰে আজি ৰাষ্ট্ৰীয় যক্ষ্মা নিৰ্মূলকৰণৰ কামৰূপ জিলা স্বাস্থ্য সমিতিৰ এক বৈঠক কামৰূপ জিলাৰ সংহত উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত হয়। উক্ত বৈঠকত জিলাখনত ২০২৫ চনৰ ভিতৰত যক্ষ্মা নিৰ্মূলকৰণৰ বিভিন্ন দিশ সম্পৰ্কে তথা এইক্ষেত্ৰত স্বাস্থ্য বিভাগকে ধৰি বিভিন্ন বিভাগ আৰু অন্যান্য অনুষ্ঠান-প্ৰতিষ্ঠানৰ সংঘবদ্ধ প্ৰচেষ্টাৰ ওপৰত আলোচনা কৰা হয়। উল্লেখ্য যে কেন্দ্ৰীয় চৰকাৰে ২০২৫ বৰ্ষৰ ভিতৰত ভাৰতবৰ্ষত যক্ষ্মা নিৰ্মূলকৰণৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। এইক্ষেত্ৰত বিভিন্ন খণ্ডৰ সামূহিক দায়বদ্ধতা তথা সহযোগিতাৰ ওপৰত বিশেষভাৱে গুৰুত্ব প্ৰদান কৰা হৈছে। কামৰূপ জিলাৰ জিলা যক্ষাৰোগ নিৰ্মূলকৰণৰ সমন্বয়ক বিপুল ডেকাই আদৰণী ভাষণ প্ৰদান কৰা উক্ত বৈঠকত ৰাজ্যিক যক্ষ্মা কোষৰ সমন্বয়ক ডাঃ সীমান্ত বৰাই যক্ষ্মাৰোগৰ সংক্ৰমণ, চিনাক্তকৰণ, সামূহিক দায়বদ্ধতা ইত্যাদিৰ বিভিন্ন দিশ সামৰি এক বিস্তৃত প্ৰেজেণ্টেচন আগবঢ়ায়। বৈঠকত অতিৰিক্ত উপায়ুক্ত সিদ্ধাৰ্থ গোস্বামী, কামৰূপ জিলাৰ যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ গুণীন্দ্ৰ নাথ দেৱ শৰ্মা আৰু শিক্ষা তথা অন্যান্য বিভাগৰ বিষয়াসকল উপস্থিত থাকে।

# ৰাভা হাচং পৰিষদৰ পৰা হিতাধিকাৰীক পাৱাৰটিলাৰ বিতৰণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, দুধনৈ, ২১ জুলাই ঃ** ৰাভা হাচং স্বায়ত্তশাসিত পৰিষদৰ পৰা তিনিগৰাকী কৃষক হিতাধিকাৰীৰ মাজত পাৱাৰটিলাৰ বিতৰণ কৰাৰ লগতে কেইবাগৰাকী মহিলা হিতাধিকাৰীক মুগা আৰু এৰী সূতা কটা মেচিন বিতৰণ কৰা হয়। ১৯ জুলাইত WPT&BC Deptt. (OBC quota)ৰ পৰা পৰিষদৰ জৰিয়তে কঁঠালমূৰীৰ কুলদীপ বৰ্মন, দুধনৈ ফফলৰ পৰমেশ্বৰ ৰায় আৰু ভুপাল ৰায়ক পাৱাৰটিলাৰ বিতৰণ কৰা হয়। আনহাতে, পৰিষদীয় এলেকাৰ পৰা বহুকেইগৰাকী মহিলা হিতাধিকাৰীৰ মাজত এৰী আৰু মুগা সূতা কটা মেচিন বিতৰণ কৰে ৰাভা হাচং স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাই। এই কাৰ্যসূচীৰ সময়ত পৰিষদৰ অধ্যক্ষ চাৰু মোহন ৰাভা, কাৰ্যবাহী সদস্য, সাধাৰণ সদস্য আৰু পৰিষদৰ কৰ্মচাৰী বৃন্দ উপস্থিত থাকে।



NIT No. DDAI/Re-Sale Notieer1'imber/2022/23

**E-TENDER SHORT RE-SALE NOTICE**

Under the provision made in the Assam Settlement of Forest Coupes and Mahal by the tender system Rule, 1977 and Amendment Rule 2000 bids are invited online by the undersigned from Registered Companies/firms/Individuals etc. for the Re-Sale of timber lots of Doomdooma Forest Division.

Details of E-Tender will be available on and **http://www.assamforestonline.in Portal from 22.07.2022 to 05.08.2022.**

**Divisional Forest Officer**
**Doom Dooma Division**
**Doomdooma**

Janasanyog/C/6845/22

# প্ৰথম পৃষ্ঠাৰ পৰা—

## দেশৰ নতুন ৰাষ্ট্ৰপতি

পদৰ প্ৰাৰ্থী যশোৱন্ত সিন্‌হাই ২০৮টা ভোট লাভ কৰে। দ্ৰৌপদী মুৰ্মুৱে দ্বিতীয় পৰ্যায়ৰ গণনাত একে ধৰণে আধিপত্য বিস্তাৰ কৰিছিল। প্ৰথম ৰাউণ্ডত সাংসদসকলৰ ভোট গণনাৰ পিছত মুৰ্মুৱে ৩,৭৮,০০০ মূল্যৰ সৈতে ৫৪০টা ভোট লাভ কৰে। ইয়াৰ বিপৰীতে যশোৱন্ত সিন্‌হাই ১,৪৫,৬০০ মূল্যৰ ২০৮টা ভোট লাভ কৰে বুলি ৰাজ্যসভাৰ মহাসচিব পি চি মোদীয়ে প্ৰকাশ কৰিছে। দ্বিতীয় পৰ্যায়ৰ ভোট গণনাৰ পিছত, দ্ৰৌপদী মুৰ্মুৱে মুঠ ১,১৩৮টা ভোটৰ ভিতৰত ৮০৯টা ভোট লাভ কৰে। যশোৱন্ত সিন্‌হাই ৩২৯টা ভোট লাভ কৰে। ইয়াৰ ভিতৰত দ্ৰৌপদী মুৰ্মুৰ ভোটৰ মূল্য হৈছে ১,০৫,২৯৯ আৰু যশোৱন্ত সিন্‌হাই লাভ কৰা ভোটৰ মূল্য হৈছে ৪৪,২৭৬। প্ৰায় ৯৯ শতাংশ সাংসদ আৰু বিধায়কে ভোট দান কৰা নিৰ্বাচনত মুৰ্মু জয়ী হোৱাত স্বাভাৱিকতে গেৰুৱা শিবিৰত আনন্দৰ লহৰ উঠিছে। উল্লেখ্য বৰ্তমানৰ ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দৰ কাৰ্যকাল ২৪ জুলাইত শেষ হ'ব। ২৫ জুলাইত দেশৰ নতুন ৰাষ্ট্ৰপতি হিচাপে মুৰ্মুৱে শপত গ্ৰহণ কৰিব।

## দ্ৰৌপদী মুৰ্মুৰ বিজয়ত

সদৰ সমষ্টিৰ অন্তৰ্গত পাখিমৰীয়া মণ্ডলত এই কাৰ্যসূচীৰ তদাৰক কৰে নগাঁও জিলা অনুসূচিত জাতি উন্নয়ন ব'ৰ্ডৰ অধ্যক্ষ নৰেন দাসে। অনুষ্ঠানত পাখিমৰীয়া মণ্ডলৰ আটাইকেইটা পঞ্চায়তৰ সভাপতিসকলৰ লগতে শতাধিক বিজেপি কাৰ্যকৰ্তাই অংশগ্ৰহণ কৰে।

**দ্ৰৌপদী মুৰ্মু ভাৰতৰ ৰাষ্ট্ৰপতি নিৰ্বাচিত হোৱাত শ্ৰীৰামপুৰ চাওতাল কলনীত বিজয়ৰ উল্লাস ঃ বিজেপি-ইউপিপিএল দলৰ বিজয় উৎসৱ**

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোসাঁইগাঁও ঃ** ভাৰতৰ পঞ্চদশ ৰাষ্ট্ৰপতি হিচাপে প্ৰথমবাৰৰ বাবে এগৰাকী আদিবাসী জনগোষ্ঠীৰ চাওতাল মহিলা বিপুল ভোটত নিৰ্বাচিত হোৱাৰ পাছত আদিবাসী অধ্যুষিত অঞ্চলসমূহত বিজয় উৎসৱ পালন কৰিছে বিভিন্ন দল-সংগঠনে। এন ডি এৰ মনোনীত ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থী দ্ৰৌপদী মুৰ্মুৰ জয়লাভ কৰাৰ পাছত ৰাজ্যৰ আন প্ৰান্তৰ দৰে গোসাঁইগাঁও বিধানসভা সমষ্টিৰ ঐতিহাসিক চাওতাল কলনীত দেখা গ'ল ব্যতিক্ৰমী দৃশ্য। দলে দলে চাওতাল সম্প্ৰদায়ৰ পুৰুষ-মহিলা জাতীয় সাজপাৰেৰে সু-সজ্জিত হৈ নৃত্য-গীতৰ মাজেৰে আনন্দ-উল্লাসত মতলীয়া উঠা পৰিলক্ষিত হৈছে। আদিবাসী জনগোষ্ঠীৰ প্ৰথমগৰাকী মহিলা এই সন্মান লাভ কৰিবলৈ সক্ষম হোৱাত বিশেষকৈ আদিবাসী মহিলাসকলৰ মাজত আনন্দৰ জোৱাৰ উঠিছে। ৰাষ্ট্ৰপতি নিৰ্বাচনত দ্ৰৌপদী মুৰ্মুৰ জয়লাভ কৰাৰ খবৰ পোৱাৰ পাছত গোসাঁইগাঁও মহকুমাৰ শ্ৰীৰামপুৰত দেখা গৈছে আবতৰীয়া দেৱালী। বিজেপি নেতা তথা বিটিচিৰ শ্ৰীৰামপুৰ সমষ্টিৰ পাৰিষদ সজল কুমাৰ সিংহ নিজে সমষ্টিবাসী ৰাইজক লৈ আজি ফটকা ফুটাই নাচি-বাগি উল্লাস কৰে। শ্ৰীৰামপুৰ হাইস্কুল খেলপথাৰত সজল কুমাৰ সিংহৰ উপস্থিতিত আদিবাসী জনগোষ্ঠীৰ মহিলা-যুৱতী, যুৱক, বৃদ্ধসকলো নাচি-বাগি উল্লাস কৰা দৃশ্য পৰিলক্ষিত হয়। ইয়াৰ পাছত সজল সিংহৰ নেতৃত্বত শ্ৰীৰামপুৰ হাইস্কুল খেলপথাৰত উল্লাস কৰি বৃহৎ মটৰচাইকেল ৰেলী উলিয়ায়। মটৰচাইকেল ৰেলী কৰি মৰনৈ চাহ বাগিচাত উপস্থিত হৈ তাতো চাহ বাগিচাৰ কৰ্মী-শ্ৰমিকসকলক লৈ বিজয় উৎসৱ কৰে। আনহাতে, ভাৰতৰ স্বাধীনতা লাভ কৰাৰ পাছত প্ৰথমগৰাকী জনজাতি তথা আদিবাসী মহিলা দ্ৰৌপদী মুৰ্মুক ৰাষ্ট্ৰপতি হিচাপে জয়ী হোৱাৰ পাছত গোসাঁইগাঁৱৰ শ্ৰীৰামপুৰত ইউ পি পি এল দলৰ কাৰ্যালয়ৰ পৰা এক শোভাযাত্ৰা উলিওৱা হয়। উক্ত অনুষ্ঠানত বিটিচিৰ মনোনীত কাৰ্যবাহী সদস্য উইলছন হাছদাই দ্ৰৌপদী মুৰ্মুৰ বিজয়ক আদিবাসীৰ বাবে এক গৌৰৱোজ্জ্বল আৰু ঐতিহাসিক ঘটনা বুলি উল্লেখ কৰে। দ্ৰৌপদী মুৰ্মুক ৰাষ্ট্ৰপতি পদৰ প্ৰাৰ্থিত্ব দিয়াৰ বাবে তেওঁ বিজেপি দলৰ সভাপতি জে পি নাড্ডা, প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহমন্ত্ৰী অমিত শ্বাহকে ধৰি এন ডি এৰ শীৰ্ষ নেতৃত্বৰ প্ৰতি কৃতজ্ঞতা জনায় আৰু সাংসদ-বিধায়কসকলক ধন্যবাদ জ্ঞাপন কৰে। উক্ত বিজয় উৎসৱত উপস্থিত থাকি গোসাঁইগাঁও বিধানসভা সমষ্টিৰ বিধায়ক জিৰণ বসুমতাৰীয়ে কয় যে, সকলো জাতি-জনগোষ্ঠীৰ হৈ সমঅধিকাৰ আৰু সমমৰ্যাদা দিয়া চৰকাৰ হৈছে বিজেপি চৰকাৰ। কাহানিও সপোন নেদেখা জনজাতীয় জনগোষ্ঠীৰ এগৰাকী আদিবাসী মহিলাক ৰাষ্ট্ৰপতি পদত প্ৰক্ষেপ কৰি বিপুল ভোটত জয়ী কৰি আনটো অতি আনন্দৰ কথাই নহয় এয়া ভাৰতৰ ইতিহাসত ঘটা এক বিৰল ঘটনা। ইপিনে বিজেপিৰ সংখ্যালঘু মৰ্চাৰ সভাপতি জেঠমল মালুৰ উদ্যোগত গোসাঁইগাঁৱতো দ্ৰৌপদী মুৰ্মুৰ জয়ক লৈ বিজয় উৎসৱ পালন কৰা হয়। বিজেপিৰ কৰ্মী-সমৰ্থকে আনন্দ-উল্লাস কৰি দ্ৰৌপদী মুৰ্মুক অভিনন্দন জ্ঞাপন কৰে।

## মুকলি আকাশৰ তলৈলৈ

গ্ৰেপ্তাৰ কৰে। ইফালে আৰক্ষীৰ অভিযোগ খণ্ডন কৰি বৰ্ষাশ্ৰীৰ পৰিয়ালে একমাত্ৰ জাতীয়তাবাদী কবিতা লিখাৰ বাবেই বৰ্ষাশ্ৰীক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা বুলি উল্লেখ কৰাৰ লগতে ছাত্ৰীগৰাকীৰ কোনো নিষিদ্ধ সংগঠনলৈ যোৱাৰ প্ৰৱণতা নাছিল বুলি উল্লেখ কৰে। উল্লেখ্য যে ৫টাকৈ বিষয়ত লেটাৰ মাৰ্ক পাই হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা বৰ্ষাশ্ৰীৰ যোৱা ১৬ জুলাইৰ পৰা স্নাতক দ্বিতীয় ষাণ্মাসিকৰ পৰীক্ষা আৰম্ভ হৈছিল। পৰীক্ষাত অৱতীৰ্ণ হ'বৰ বাবে ১৩ জুলাই তাৰিখে গোলাঘাট জিলা আৰু সত্ৰ ন্যায়াধীশৰ আদালতত ছাত্ৰীগৰাকীয়ে এখন আৱেদন কৰিছিল। ন্যায়াধীশে ছাত্ৰীগৰাকীৰ আৱেদন মঞ্জুৰ কৰি পৰীক্ষা দিয়াৰ অনুমতি প্ৰদান কৰে। এই অনুমতি প্ৰদান কৰাৰ পিছতেই সমগ্ৰ বিষয়টো এক বিতৰ্কৰ মাজলৈ যোৱা পৰিলক্ষিত হয়। ডিব্ৰুগড় ইউনিভাৰ্ছিটীৰ গাইড লাইন অনুসৰি কাৰাবন্দী ছাত্ৰীগৰাকীৰ পৰীক্ষাৰ সম্পূৰ্ণ দায়িত্ব মহাবিদ্যালয়ৰ অধ্যক্ষগৰাকীৰ ওপৰত ন্যস্ত থকা সত্ত্বেও আদালতৰ নিৰ্দেশক অমান্য কৰি গোলাঘাটৰ জিলা উপায়ুক্তগৰাকীয়ে এই সমগ্ৰ বিষয়টোত হস্তক্ষেপ কৰা দেখা গৈছিল। যাৰ পৰিপ্ৰেক্ষিতত ছাত্ৰীগৰাকীয়ে জিলা প্ৰশাসনৰ তত্ত্বাৱধানত কাৰাগাৰতে পৰীক্ষাত অৱতীৰ্ণ হৈছিল। যি ক্ষেত্ৰত মহামান্য আদালতে ছাত্ৰীগৰাকীক এক মানসিক চাপবিহীন সুস্থ পৰিৱেশত পৰীক্ষা দিয়াৰ ব্যৱস্থা কৰিবলৈ নিৰ্দেশ প্ৰদান কৰিছিল যদিও সেই নিৰ্দেশ অমান্য কৰি গোলাঘাটৰ উপায়ুক্তগৰাকীয়ে এগৰাকী প্ৰশাসনিক বিষয়াৰ দায়িত্বত ছাত্ৰীগৰাকীক পৰীক্ষা দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰে। লগে লগেই সমগ্ৰ বিষয়টো ছ'চিয়েল মিডিয়াৰ যোগেদি প্ৰচাৰ হোৱাৰ লগতে সংবাদ মাধ্যমৰ যোগেদিও প্ৰচাৰ হয়। ইফালে এই সমগ্ৰ বিষয়টোৰ লগত কৃষক মুক্তি সংগ্ৰাম সমিতিৰ কেন্দ্ৰীয় সম্পাদক বিদ্যুৎ শইকীয়াসহ সমূহ বিষয়ববীয়া জড়িত হৈ ছাত্ৰীগৰাকীৰ হৈ আদালতত পুনৰ এখন আৱেদন কৰে। উল্লেখ্য যে এই আৱেদনৰ পিছতেই মহামান্য আদালতে এই বিষয়ত প্ৰশাসন জড়িত নহ'বলৈ কঠোৰ নিৰ্দেশ প্ৰদান কৰিছিল। যাৰ ফলত দ্বিতীয় দিনাৰ পৰীক্ষাত গোলাঘাটৰ কাৰাগাৰত ডিচিবি মহাবিদ্যালয়ৰ দুগৰাকী প্ৰবক্তা উপস্থিত হোৱা দেখা গৈছিল। এই বিতৰ্কৰ মাজতেই আজি গুৱাহাটী উচ্চ ন্যায়ালয়ে বৰ্ষাশ্ৰীৰ জামিন মঞ্জুৰ কৰাত ৰাজ্যজুৰি আনন্দৰ জোৱাৰ উঠিছে। জানিব পৰা মতে ছাত্ৰীগৰাকীয়ে আগন্তুক সময়ত কোনো নিষিদ্ধ সংগঠনলৈ নোযোৱাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছে।

## মহিলাৰ মৃতদেহ কবৰস্থ কৰাৰ

যদিও সন্ধান পোৱা নাছিল। এনেতে ১৮ জুলাই তাৰিখে কামৰূপ জিলাৰ নগৰবেৰাৰ জলজলী নৈত বস্তাত ভৰাই থোৱা অৱস্থাত অৰ্ধগলিত এটি অচিনাক্ত মহিলাৰ মৃতদেহ উদ্ধাৰ হয়। সেই মৃতদেহটো হুনুফা খাতুনৰ পিতৃ পৰিয়ালে হুনুফাৰ বুলি দাবী কৰি আজি মৰণোত্তৰ পৰীক্ষা কৰি ঘৰলৈ লৈ আহে। মৃতদেহটো ঘৰলৈ আনি স্বামীয়ে হত্যা কৰাৰ অভিযোগ তুলি প্ৰতিবাদ সাব্যস্ত কৰি ধৰ্মীয় ৰীতি-নীতি মতে কবৰস্থ কৰে। মৃতদেহটো কবৰস্থ কৰাৰ পিছতেই হুনুফা খাতুন পুত্ৰসহ পিতৃৰ ঘৰত আহি উপস্থিত হয়। জানিব পৰা মতে মহিলাগৰাকী এলেংবাৰীলৈ গৈ ৬ দিন অতিবাহিত কৰি ঘৰলৈ উভতি আহে। মহিলাগৰাকী পিতৃগৃহত উপস্থিত হোৱাৰ পিছতেই ঘটনাস্থলীত উপস্থিত হয় আৰক্ষী। ইফালে মহিলাগৰাকীৰ পিতৃ পৰিয়ালে স্বামীৰ বিৰুদ্ধে হত্যাৰ অভিযোগ তুলি ৬জন লোকৰ বিৰুদ্ধে অভয়াপুৰী থানাত এজাহাৰ দাখিল কৰাত আৰক্ষীয়ে দিনে-নিশাই স্বামীৰ পৰিয়ালক বিভিন্ন ধৰণে হাৰাশাস্তি কৰি আহিছে। ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ মহিলাগৰাকীক অভায়পুৰীলৈ লৈ যায়। ঘটনাটোৱে অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

## ঘৰ-দুৱাৰ ভাঙি কৰিলে তচ্‌নচ্

তাড়নাত বন্যহস্তীৰ নিধন হৈছে আন কেতিয়াবা বন্যহস্তীৰ গচকত নিৰীহ লোকৰ প্ৰাণ গৈছে, ব্যৰ্থ হৈ পৰিছে বন বিভাগ। আজি পুৱতি নিশা খাদ্যৰ সন্ধানত বনাঞ্চলৰ পৰা নামি অহা বনৰীয়া হাতীৰ জাক গ্ৰামাঞ্চলত প্ৰৱেশ কৰি বামুণজুলি ওড়িয়া লাইনৰ নিৰাসী দ্বিজেন গোৱালাৰ ঘৰত উপদ্ৰৱ চলাই ঘৰ-দুৱাৰ ভাঙি, খাদ্য-সামগ্ৰী খাই তহিলং কৰে। আৰু কথামপি হাতীৰ আক্ৰমণৰ পৰা ৰক্ষা পৰে পৰিয়াসহ গৰাকী দ্বিজেন গোৱালা। ঘটনাস্থলীত আজি পুৱা বামুণজুলি আঞ্চলিক আদিবাসী ছাত্ৰ সন্থা উপস্থিত হৈ দুৰ্ভগীয়া পৰিয়ালটোক ক্ষতিপূৰণ দিবলৈ চৰকাৰক আহ্বান জনোৱাৰ লগতে ভাৰত-ভূটান সীমান্তৱৰ্তী অঞ্চলৰ হাতী-মানুহৰ সংঘাত ৰোধ কৰাৰ বাবে শীঘ্ৰেই পদক্ষেপ গ্ৰহণ কৰিবলৈ চৰকাৰ আৰু বিভাগলৈ দাবী জনাইছে।

## কেইবাখনো আঁচনিৰ

কথা জানিবলৈ দিয়ে। তদুপৰি কাকজান অঞ্চলত জলসম্পদ বিভাগৰ অধীনত ৫ কোটি ৭০ লাখ টকাৰে এখন খহনীয়া প্ৰতিৰোধ আঁচনিৰ শুভ উদ্বোধন কৰে আৰু গোলাঘাট সমষ্টিৰ অন্তৰ্গত কুঁৱৰী পথাৰ, হাঁহচৰা পথাৰ, মলহানিটুপ, কছাৰী গাঁও, আমগুৰি চুক আৰু ৪নং তৰাণি গাঁৱত নাবাৰ্ড (RIDF XXVII)ৰ পুঁজিৰে নিৰ্মাণ হ'বলগীয়া সৌৰশক্তিচালিত মধ্যম গভীৰ নলীনাদ জলসিঞ্চন আঁচনিৰ আধাৰশিলা স্থাপন কৰে । তদুপৰি গোলাঘাট পৌৰ সভাৰ কাৰ্যালয়ত অনুষ্ঠিত এখন সভাত Online Property tax payment আৰু, Municipal accounting portal নামেৰে দুটা অনলাইন পৰ্টেল মুকলি কৰে। পৰৱৰ্তী সময়ত পদুমণি ব্লকৰ খণ্ড পৰ্যায়ৰ পৰ্যবেক্ষণ আৰু তদাৰক কমিটীৰ বিষয়ববীয়াৰ সৈতেও এখন বৈঠক অনুষ্ঠিত কৰি কাম-কাজৰ খতিয়ান লয়।

## বহিঃৰাজ্যত অসমৰ শ্ৰমিক

মহকুমাৰ অন্তৰ্গত আনন্দ বজাৰ উপ-আৰক্ষী চকী চৌহদত উত্তেজনাময় পৰিস্থিতিৰ সৃষ্টি হয়। উল্লেখ্য যে, অৰুণাচলত নিৰুদ্দিষ্ট বাক্সা, বৰপেটা, বঙাইগাঁও জিলাৰ ১৯গৰাকী শ্ৰমিকক লৈ যোৱা বাক্সাৰ ভকুৱামাৰীৰ মালেক আলী আৰু সাহাদত আলীক আজি আৰক্ষীয়ে আটক কৰাক কেন্দ্ৰ কৰি সৃষ্টি হয় উত্তপ্ত পৰিস্থিতি। দুমাহ পূৰ্বে ভকুৱামাৰীৰ ৰুস্তম আলী, হিকমত আলী আৰু জয়নাল আলীসহ বৰপেটাৰ কলগাছিয়া, ধুবুৰী, বিলাসীপাৰা, কোকৰাঝাৰৰ পৰা মুঠ ১৯গৰাকী শ্ৰমিক অৰুণাচলৈ লৈ গৈছিল ভকুৱামাৰীৰ মালেক আলী, সাহাদত আলী আৰু অভয়াপুৰীৰ ৰেজাউল আলীয়ে। দুমাহ ধৰি পলাতক অৱস্থাত থকা মালেক আৰু সাহাদত আজি ভকুৱামাৰীৰ নিজ ঘৰলৈ আহি থকা শ্ৰমিক পৰিয়ালে খবৰ লাভ কৰি ভকুৱামাৰীত ৰৈ আছিল যদিও আদবাটৰ পৰাই আনন্দ বজাৰ আৰক্ষীয়ে কৰায়ত্ত কৰে মালেক আৰু সাহাদত নামৰ দুই দালালক। ইয়াৰ পিছতে ভকুৱামাৰী, কোকৰঝাৰ, কলগাছিয়াৰ পৰা অহা নিৰুদ্দিষ্ট শ্ৰমিকৰ পৰিয়ালে আনন্দ বজাৰ আৰক্ষী চকী উত্তপ্ত কৰি তোলে। শ্ৰমিক পৰিয়ালৰ অভিযোগ অনুসৰি ঘটনা সন্দৰ্ভত এজাহাৰ গ্ৰহণ কৰা নাছিল আনন্দ বজাৰ আৰক্ষীয়ে।

## নাজিৰাত পাষান দম্পতীয়ে

ব্যৱহাৰ কৰিবলৈ বাধ্য কৰোৱাত কণমানিজনী অমান্তি হোৱাত গাত গৰম পানী ঢলাৰ লগতে নিৰ্মমভাৱে মাৰপিট কৰে। যাৰ ফলত যন্ত্ৰণা সহ্য কৰিব নোৱাৰি যোৱানিশা শেষ নিশ্বাস ত্যাগ কৰে কিশোৰীগৰাকীয়ে। ইতিমধ্যে পাষণ্ড দম্পতীহালক আৰক্ষীয়ে আটক কৰিছে আৰু অধিক সোধা-পোছাৰ বাবে শিমলুগুৰি থানালৈ অনা হৈছে। বৰ্তমানলৈকে কণমানিজনীৰ ঘৰৰ ঠিকনা উলিয়াব পৰা নাই। আটছাৰ শিৱসাগৰ জিলা সমিতিৰ এটা দলে শিমলুগুৰি আৰক্ষী চকীত উপস্থিত হয় আৰু সংবাদ মাধ্যমৰ জৰিয়তে দোষীক উচিত শাস্তিৰ দাবী তোলে। বৰ্তমান শিমলুগুৰি আৰক্ষীয়ে পাষণ্ড দম্পতীহালৰ বিৰুদ্ধে ৫৪/২২ নম্বৰত গোচৰ ৰুজু কৰি নিজাববীয়াকৈ তদন্ত অব্যাহত ৰাখিছে।

## ক'ভিডত আক্ৰান্ত মাৰ্কিন

অনুভৱ কৰি আছে আৰু ৰোগটোৰ তীব্ৰতা হ্ৰাস কৰিবলৈ এণ্টিভাইৰেল ঔষধ পে'লোভিড গ্ৰহণ কৰা আৰম্ভ কৰিছে। তেওঁ লগতে কয় যে বাইডেনে 'হোৱাইট হাউছতে নিজকে আনৰ পৰা পৃথক কৰি ৰাখিব আৰু সেই সময়ছোৱাত তেওঁৰ সকলো কৰ্তব্য অকলেই পালন কৰি যাব। তেওঁ ফোনযোগে হোৱাইট হাউছৰ কৰ্মচাৰীৰ সদস্যসকলৰ সৈতে যোগাযোগ কৰি আছে আৰু আজি হোৱাইট হাউছত তেওঁৰ পূৰ্বনিৰ্ধাৰিত এখন সভাত ফোন আৰু জুমৰ জৰিয়তে অংশগ্ৰহণ কৰে। ৭৯ বছৰীয়া বাইডেনে সম্পূৰ্ণৰূপে টিকা গ্ৰহণ কৰিছিল যদিও তেওঁ ক'ভিডত আক্ৰান্ত হয়। কিছুদিন পূৰ্বে তেওঁ ছৌদী আৰব আৰু ইজৰাইল ভ্ৰমণ কৰিছিল। তেওঁ ফাইজাৰ ভেকছিনৰ দুটা পালি লোৱাৰ পিছত, প্ৰথম বুষ্টাৰ শ্বট যোৱা বছৰৰ ছেপ্টেম্বৰ মাহত আৰু এটা অতিৰিক্ত পালি চলিত বৰ্ষৰ ৩০ মাৰ্চত গ্ৰহণ কৰিছিল। উল্লেখ্য, বাইডেনৰ পূৰ্বে মাৰ্কিন উপ-ৰাষ্ট্ৰপতি কমলা হেৰিছ, কেবিনেট সদস্য, হোৱাইট হাউছৰ কৰ্মচাৰী আৰু আইন প্ৰণেতা একাংশও ক'ভিডত সংক্ৰমিত হৈছিল।

## গলি গৈছে ৰে'লৰ ছিগনেলো!

তাণ্ডৱ চলিছে। শীতল ঠাই হিচাপে পৰিচিত ব্ৰিটেইনত এতিয়া তাপমাত্ৰা ৪০ ডিগ্ৰী চেলচিয়াছ হৈছে। এতিয়ালৈকে গৰমৰ বাবেই ব্ৰিটেইনত ১৩ জন লোকে প্ৰাণ হেৰুৱাইছে। শেহতীয়াকৈ ছ'চিয়েল মিডিয়াত ভাইৰেল হোৱা কেইখনমান ছবিত অত্যধিক গৰমৰ বাবেই ৰে'লৰ ছিগনেল গলি যোৱা দেখা গৈছে। গৰমৰ বাবেই ব্ৰিটেইনত চলন্ত অৱস্থাতে কেইবা খনো ৰে'লত জুয়ো লাগিছে। শেহতীয়াকৈ ব্ৰিটেইনৰ নেচনেল ৰে'লৰেই ৰে'লৰ ছিগনেল গলি যোৱাৰ কেইবাখনো ছবি ৰাজহুৱা কৰিছে। অহা ৪৮ ঘণ্টাত তাপমাত্ৰা আৰু বৃদ্ধি পাব পাৰে বুলি সতৰ্কবাণী জাৰি কৰা হৈছে। গোলকীয় উষ্ণতা বৃদ্ধিৰ এনে ভয়াৱহ পৰিণাম দেখি এতিয়া সকলোৱে স্তম্ভিত হৈ পৰিছে। উল্লেখ্য, ব্ৰিটেইনত শীতৰ প্ৰকোপ বেছি বাবেই মানুহে এয়াৰ কণ্ডিছনাৰ আদি খুব কমেইহে ব্যৱহাৰ কৰে। কিন্তু এইবাৰৰ গৰমে দেশখনৰ মানুহক এয়াৰ কণ্ডিছনাৰৰ সহায় ল'বলৈ বাধ্য কৰোৱাইছে। ক্ষুদ্ৰ স্বাৰ্থ পূৰাবলৈ গৈ মানৱ জাতিয়ে এতিয়া নিজৰ বিপদ নিজেই মাতি আনিছে। ব্যাপক প্ৰকৃতি ধ্বংস আৰু অপৰিকল্পিতভাৱে স্থাপন কৰা কল-কাৰখানাই বঢ়াই তুলিছে ধৰিত্ৰীৰ উত্তাপ। গোলকীয় উষ্ণতা বৃদ্ধিৰ প্ৰত্যক্ষ প্ৰভাৱ এতিয়া বৰফৰ ভাণ্ডাৰ হিচাপে পৰিচিত পৃথিৱীৰ দুই মেৰুৰ ওপৰত পৰা পৰিলক্ষিত হৈছে। উত্তৰ মেৰু আৰু দক্ষিণ মেৰুৰ বহু অঞ্চলত তাপমাত্ৰা বৃদ্ধি হোৱাৰ বাবে বৰফ গলি যোৱা দেখা গৈছে। ফলত দুই মেৰুতে আৰম্ভ হৈছে বৰফৰ ব্যাপক গলন। দুই মেৰুৰ অভূতপূৰ্ব উষ্ণতাই বিশ্বৰ বিজ্ঞানীসকলক বিচলিত কৰি তুলিছে। এণ্টাৰ্কটিকাৰ কনকৰ্ডিয়া গৱেষণা কেন্দ্ৰত কৰ্মৰত বিজ্ঞানীসকলে দুই মেৰুৰ বিভিন্ন স্থানত -১২.২ ডিগ্ৰী চেলচিয়াছ উষ্ণতা হোৱাৰ তথ্য লাভ কৰিছে। ২০১৬ চনৰ ডিচেম্বৰ মাহত সেই স্থানসমূহৰ উষ্ণতা আছিল -১৩.৭ ডিগ্ৰী চেলচিয়াছ । এণ্টাৰ্কটিকাৰ ভষ্টক ষ্টেচনত তাপমাত্ৰা -২০.৩ ডিগ্ৰী চেলচিয়াছ নথিভুক্ত কৰা হৈছে। মেৰুত কৰ্মৰত বিজ্ঞানীসকলে কৈছে যে শূন্য বা ১০ ডিগ্ৰী চেলচিয়াছৰ ওচৰত থকা যিকোনো তাপমাত্ৰাই 'বৃহৎ তাপ প্ৰবাহ'ৰ কথাই চিহ্নিত কৰে। উত্তৰ মেৰুত অৱস্থিত বৰফৰ ভাণ্ডাৰসমূহৰ উষ্ণতা গড় উষ্ণতাতকৈ ৫০ ডিগ্ৰী অধিক হোৱাৰ কথাত বিজ্ঞানীসকল চিন্তিত হৈ পৰিছে।

## তেজপুৰত ব্ৰহ্মপুত্ৰৰ মথাউৰিৰ

কঢ়িয়াইছে বিভিন্ন অঞ্চললৈ। বৰ্তমান ভোজখোৱা-ভোমোৰাগুৰি ভিতৰুৱা পথৰ দাঁতিত তথা মথাউৰিৰ কাষৰ পৰা ডাম্পাৰে ডাম্পাৰে মাটি সৰবৰাহ কৰি সমগ্ৰ অঞ্চলটোৰ প্ৰতিয়েই ভয়ংকৰ ভাবুকি নমাই আনিছে। এক্সেভেটৰেৰে চলোৱা এই খননৰ ফলত মথাউৰিৰ কাষত সৃষ্টি হোৱা প্ৰকাণ্ড পুখুৰীসমূহেই এলেকাটোৰ প্ৰতি ভাবুকি নমাই আনিছে। বান-খহনীয়াত আক্ৰান্ত কোনো অঞ্চলত বিশেষকৈ নদ-নদীৰ নিচেই কাষতে থকা এলেকাত এনেদৰে জধে-মধে খননকাৰ্য চলোৱাটো সকলোৰে বাবে অতিকৈ বিপজ্জনক বুলি জলসম্পদ বিভাগে প্ৰায়ে প্ৰকাশ কৰি আহিছে। তদুপৰি মথাউৰিৰ কাষত এক্সেভেটৰেৰে খননকাৰ্য চলোৱাৰ ফলত মথাউৰি দুৰ্বল হৈ পৰে। বৰ্তমান যি অংশত এই খনন চলাই থকা হৈছে সেই স্থানৰ পৰা নিলগতে ব্ৰহ্মপুত্ৰৰ বানে পূৰ্বে মথাউৰি ছিঙিছিল। উল্লেখ্য যে, ভোমোৰাগুৰিৰ লগতে ৰাজগড়, ৰাজভঁৰাল, ভোজখোৱা চাপৰি, তিনিমাইল, ভিতৰ পৰোৱা, পাঁচমাইল আদিকে কৰি অঞ্চলটোৰ বিভিন্ন প্ৰান্ততো বহু ব্যৱসায়ীয়ে এক্সেভেটৰেৰে খনন চলাই ডাম্পাৰেৰে মাটি সৰবৰাহ কৰি আহিছে। তেজপুৰ ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ নিলগতে একাংশ লোকে ব্ৰহ্মপুত্ৰৰ কাষত খননকাৰ্য চলোৱা আৰু ১৫ নম্বৰ ৰাষ্ট্ৰীয় পথৰ কাষৰ কৃষিভূমি পুতি থকা সত্ত্বেও আজিলৈকে কোনো ব্যৱস্থাই গ্ৰহণ নকৰা ঘটনাই ৰহস্যৰ সৃষ্টি কৰিছে।

## কঠীয়া তুলিবলৈ গৈ পুখুৰীত

গম পাই লগত যোৱা কিশোৰী এজনীয়ে চিঞৰ-বাখৰ কৰাত ওচৰ-চুবুৰীয়া আহি ততাতৈয়াকৈ দুয়োকে পুখুৰীৰ পৰা উঠায়। লগে লগে ডেবেৰাপাৰ চাৰিআলি আৰক্ষীও আহি উপস্থিত হয়। দুয়োগৰাকী শিশুক নকছাৰি আদৰ্শ চিকিৎসালয়লৈ নিয়া হয় যদিও চিকিৎসকে দুয়োকে মৃত বুলি ঘোষণা কৰে। ইয়াৰ পিছত মৃত শিশু দুটিক মৰণোত্তৰ পৰীক্ষাৰ বাবে যোৰহাট চিকিৎসা মহাবিদ্যালয় হাস্পতাললৈ প্ৰেৰণ কৰা হয়। ঘটনাটোৱে সমগ্ৰ অঞ্চলটোত শোকৰ ছাঁ পেলাইছে।

## উত্তৰ প্ৰদেশত বজ্ৰপাতত

বুলন্দ চহৰ, ৰায়বেৰেলী, আমেথি, কৌশাম্বী, চুলতানপুৰ আৰু চিত্ৰকূট জিলাত এজনকৈ লোকৰ মৃত্যু হোৱাৰ খবৰ পোৱা গৈছে। উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে নিহত লোকসকলৰ বাবে শোক প্ৰকাশ কৰাৰ লগতে আহতসকলক উন্নত চিকিৎসা নিশ্চিত কৰিবলৈ স্থানীয় কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে। এই ভয়াৱহ প্ৰাকৃতিক দুৰ্যোগত নিহত হোৱা প্ৰতিগৰাকী লোকৰ পৰিয়ালৰ বাবে ৪ লাখ টকাৰ আৰ্থিক সাহায্য ঘোষণা কৰিছে মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে।

## মাইনা নায়কক উন্নত চিকিৎসা

নায়কৰ উন্নত চিকিৎসা প্ৰদান কৰা, পৰিয়ালক সংস্থাপন আৰু বাগিচা কৰ্তৃপক্ষক উচিত শাস্তি প্ৰদান কৰিবলৈ সংগঠনটোৱে দাবী জনাইছে। মৃত্যুৰ সৈতে যুঁজি থকা মাইনা নায়কক অসম চিকিৎসা মহাবিদ্যালয়ৰ পৰা এখন অতি পুৰণি এম্বুলেন্সৰ যোগেদি গুৱাহাটী চিকিৎসা মহাবিদ্যালৈ প্ৰেৰণ কৰাটো নিন্দনীয় আৰু দুৰ্ভাগ্যজনক। ঘটনাৰ প্ৰায় ৪৮ ঘণ্টা পাৰ হৈ যোৱা পিছত স্ব-গোষ্ঠীয় মন্ত্ৰী-সাংসদ-বিধায়কসকল সাৰ নোপোৱাটো জনগোষ্ঠীটোৰ বাবে তাৎপৰ্য হিচাপে বিবেচিত হৈছে । এজন কেন্দ্ৰীয় মন্ত্ৰী ৰামেশ্বৰ তেলীৰ গৃহ জিলাৰ বাগিচাত এনে মৰ্মান্তিক ঘটনাৰ পিছত সৌজন্যতাৰ খাতিৰত পৰিয়ালটোক খবৰ ল'বলৈ আহৰি নাই। এনে অমানুষিক ভাবধাৰাৰ বাবেই চাহ শ্ৰমিকৰ জীৱনৰ সুৰক্ষা বা নিৰাপত্তাৰ দিশটোৰ গুৰুত্ব আজিকোপতি শূন্য হৈ আছে। কোনোবা মইনা বাগিচা কৰ্তৃপক্ষৰ বনকৰা ছোৱালী হৈ নিৰ্যাতিতা হৈছে, কোনোবা মইনা বাগিচাত বাঘৰ দ্বাৰা আক্ৰান্ত হৈ, কোডো বৰলৰ ডাঁক, সৰ্প দংশন, কীটনাশক ঔষধৰ বলি হৈ মৃত্যুৰ স'তে যুঁজিব লগা হৈছে। স্ব-গোষ্ঠীয় মন্ত্ৰী-সাংসদ, বিধায়কসকল জনগোষ্ঠীটোৰ বাবে সৰলভাৱে মাত নমতাৰ খাতিৰত বহু মইনাই কৰ্তৃপক্ষৰ নিৰ্লিপ্ততাত সঠিক সময়ত বাহন যোগানৰ অভাৱত চিকিৎসক, নাৰ্চৰ পৰিচৰ্যা অবিহনেই বাগিচাত প্ৰসৱ যন্ত্ৰণাত চট্‌ফটাই মৃত্যুক সাৱটিবলগীয়া হৈছে। মুঠতে চাহ শ্ৰমিকৰ নিৰাপত্তা আৰু চিকিৎসাৰ নামত চৰকাৰ বা কৰ্তৃপক্ষই যিমানেই ফটা ঢোল নবজাওক কিয়, শ্ৰমিকৰ জীৱনৰ নিৰাপত্তাৰ ফোঁপোলা নাঙঠ স্বৰূপটো আকৌ এবাৰ লেপটপকটা বাগিচাৰ ঘটনাই উদঙাই দিলে বুলি আছাৰ নেতাদ্বয়ে অভিযোগ কৰিছে। শেহতীয়াকৈ সংঘটিত মাইনা নায়কৰ বেদনাদায়ক দুৰ্ঘটনা আৰু তাৰ পাছত কৰ্তৃপক্ষ তথা চৰকাৰৰ লেহেম সঁহাৰিয়ে মাহীআইৰ দৃষ্টিৰে চাহ শ্ৰমিকক ব্যৱহাৰ কৰাটো প্ৰমাণিত হ'ল বুলি বিজ্ঞপ্তিত প্ৰকাশ কৰিছে।

## জাপানীজ এনকেফেলাইটিছত

হাস্পতালত চিকিৎসাধীন অৱস্থাত শেষ নিশ্বাস ত্যাগ কৰে। প্ৰাপ্ত বাতৰি অনুসৰি জাপানীজ এনকেফেলাইটিছত আক্ৰান্ত হৈ মৃত্যুবৰণ কৰা লোকজনৰ নাম আলাউদ্দিন আহমেদ। চলিত মাহৰ ৬ তাৰিখে তেওঁ হঠাৎ অসুস্থ হৈ পৰাত পৰিয়ালৰ লোকে ততাতৈয়াকৈ হোজাইৰ হাম চিকিৎসালয়ত ভৰ্তি কৰে । চিকিৎসকে তেওঁৰ শৰীৰত জাপানীজ এনকেফেলাইটিছে আক্ৰান্ত কৰা বুলি কৈ উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ প্ৰেৰণ কৰে। তাতে প্ৰায় পোন্ধৰ দিন চিকিৎসালয়ত জীৱন-মৃত্যুৰে যুঁজি অৱশেষত শেষ নিশ্বাস ত্যাগ কৰে। তেওঁ আছিল যমুনামুখ সমষ্টিৰ অন্তৰ্গত জংঘল ব্লক হাইস্কুলৰ কনিষ্ঠ সহায়ক । জংঘল ব্লক গাঁৱৰ প্ৰয়াত হাজী আব্দুল হকৰ পুত্ৰ আলাউদ্দিন আহমেদে জংঘল ব্লক হাইস্কুলত দীৰ্ঘকাল ভেন্সাৰ পদত কাম কৰাৰ পিছত ২০১৩ চনত তেওঁৰ চাকৰি প্ৰাদেশিকীকৰণ হয়। মৃত্যুৰ সময়ত তেওঁ দুগৰাকী কন্যা আৰু দুগৰাকী পুত্ৰ সন্তান, পত্নীসহ অগণন গুণমুগ্ধক এৰি থৈ যায়। কাইলৈ তেওঁৰ নিজা গাঁৱতে জানাজাৰ নামাজ সম্পন্ন কৰি সমাধিস্থ কৰা হ'ব। সৰবৰহী ব্যক্তিগৰাকীৰ মৃত্যুত অঞ্চলজুৰি শোকৰ ছাঁ পৰিছে। তেওঁৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰিছে যমুনামুখৰ বিধায়ক ছিৰাজুদ্দিন আজমল, সদৌ অসম কৰ্মচাৰী পৰিষদৰ উপ-সভাপতি জামাল আহমেদ, হোজাই জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি ফাইজ মোহাম্মদ বৰভূঞা, অসম কবি চক্ৰৰ সভাপতি ড° হাচিনুছ চুলতান, জংঘল ব্লক হাইস্কুলৰ শিক্ষক-কৰ্মচাৰীসহ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে।

## গুৱাহাটীৰ ৰাজপথত বাগৰি

বিশেষকৈ কংগ্ৰেছ দলৰ বলিষ্ঠ কণ্ঠ বন্ধ কৰিবলৈ অপচেষ্টা চলোৱাৰ প্ৰতিবাদত তথা বিজেপি চৰকাৰৰ দমনমূলক নীতিৰ বিৰুদ্ধে ৰাজীৱ ভৱনৰ চৌহদত এখন বিশাল প্ৰতিবাদী সভা অনুষ্ঠিত কৰা হয়। তাৰ পিছতে কেইবাগৰাকীও নেতা-কৰ্মীয়ে হাতে হাতে প্লেকাৰ্ড, কংগ্ৰেছৰ পতাকা লৈ উদাত্ত শ্ল'গান দি দি ৰাজগড় ৰোডৰ এনফ'ৰ্চমেণ্ট ডাইৰেক্টৰৰ কাৰ্যালয় অভিমুখে শান্তিপূৰ্ণভাৱে প্ৰতিবাদী সমদল বাহিৰ কৰে। শান্তিপূৰ্ণভাৱে প্ৰতিবাদী সমদল বাহিৰ কৰে যদিও ৰাজীৱ ভৱনৰ মূল প্ৰৱেশদ্বাৰতে লৌহ-প্ৰাচীৰ দি বিশাল সশস্ত্ৰ বাহিনীয়ে বাধা প্ৰদান কৰে। লৌহ প্ৰাচীৰ বগাই সমদল আগুৱাই যাব খোজোঁতেই প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন কুমাৰ বৰা, বিৰোধী দলপতি দেৱব্ৰত শইকীয়া, কংগ্ৰেছ উপ-দলপতি ৰকিবুল হুছেইন, প্ৰাক্তন সাংসদ দ্বিজেন শৰ্মা, কাৰ্যকৰী সভাপতি ৰাণা গোস্বামী আৰু জাকিৰ হুছেইন শিকদাৰসহ দলৰ কেইবাগৰাকীও বিধায়কসহ অসম প্ৰদেশ মহিলা কংগ্ৰেছৰ সভানেত্ৰী মীৰা বৰঠাকুৰ গোস্বামী, যুৱ কংগ্ৰেছৰ সভানেত্ৰী অংকিতা দত্তক আৰক্ষী বাহিনীয়ে আটক কৰি লৈ যায়। তেওঁলোকক বিয়লি পৰ্যন্ত কাহিলিপাৰাস্থিত ১০নং অসম আৰক্ষী বেটেলিয়ন চৌহদত তেওঁলোকক বন্দী কৰি ৰাখে । ইয়াৰ পূৰ্বে অনুষ্ঠিত প্ৰতিবাদী সভাত ভূপেন কুমাৰ বৰা, দ্বিজেন শৰ্মা, দেৱব্ৰত শইকীয়া, ৰকিবুল হুছেইন, ৰাণা গোস্বামী, জাকিৰ হুছেইন শিকদাৰ, মীৰা বৰঠাকুৰ গোস্বামী প্ৰমুখ্যে কংগ্ৰেছ নেতাসকলে মোদী চৰকাৰৰ আক্ৰোশমূলক কাৰ্যকলাপৰ তীব্ৰ নিন্দা কৰাৰ লগতে ইয়াৰ নিশ্চিত পৰিণতিৰ বাবে বিজেপিক সাজু হ'বলৈ আহ্বান জনায়।

## ভাৰতৰ ৰাষ্ট্ৰপতি নিৰ্বাচনৰ

আটাইতকৈ কম ভোট লাভ কৰি বিজয়ী হৈছিল ভি ভি গিৰি। ১৯৫৭ চনত মুঠ ভোটৰ ৯৮.৯৯ শতাংশ লাভ কৰিছিল ৰাজেন্দ্ৰ প্ৰসাদে। সেই অভিলেখ আজিও কোনেও ভংগ কৰিব পৰা নাই। ইয়াৰ আগতে ১৯৫২ চনত অনুষ্ঠিত দেশৰ প্ৰথম ৰাষ্ট্ৰপতি নিৰ্বাচনত তেওঁ ৮৩.৮১ শতাংশ ভোট লাভ কৰিছিল। ১৯৫৭ চনৰ ৬ মে'ত দেশৰ দ্বিতীয় ৰাষ্ট্ৰপতি নিৰ্বাচনত ৪ লাখ ৬৪ হাজাৰ ভোটৰ ভিতৰত ৰাজেন্দ্ৰ প্ৰসাদে লাভ কৰিছিল ৪ লাখ ৫৯ হাজাৰৰো অধিক ভোট। সেই নিৰ্বাচনত আন দুই প্ৰতিদ্বন্দ্বী প্ৰাৰ্থী ক্ৰমে চৌধুৰী হৰি ৰাম আৰু নাৰায়ণ দাসে ৩ হাজাৰৰ সীমাও অতিক্ৰম কৰিব পৰা নাছিল। ২০১৭ চনত পঞ্চদশ ৰাষ্ট্ৰপতি নিৰ্বাচনত ১০ লাখ ৬৯ হাজাৰ ৩৫৮ বৈধ ভোটৰ ভিতৰত ৰামনাথ ক'বিন্দে লাভ কৰিছিল ৭ লাখ ২ হাজাৰ ৪৪টা ভোট (৬৫.৬৫ শতাংশ ভোট)। সেই নিৰ্বাচনত ক'বিন্দৰ প্ৰতিদ্বন্দ্বী মীৰা কুমাৰে লাভ কৰিছিল ৩ লাখ ৬৭ হাজাৰ ৩১৪টা ভোট। শতাংশ হাৰত মীৰা কুমাৰে লাভ কৰা ভোটৰ পৰিমাণ আছিল ৩৪.৩৫ শতাংশ। ১৯৭৭ চনত ৰাষ্ট্ৰপতি নিৰ্বাচনত বিনা প্ৰতিদ্বন্দ্বিতাৰে বিজয়ী হৈছিল জনতা পাৰ্টী সমৰ্থিত প্ৰাৰ্থী নীলম সঞ্জীৱা ৰেড্ডী। ১৯৬৭ চনত বিজয়ী প্ৰাৰ্থী ড° জাকিৰ হুছেইনে লাভ কৰিছিল ৫৬.২ শতাংশ ভোট। ৮ লাখ ৩৮ হাজাৰ ১৭০টা ভোটৰ ভিতৰত হুছেইনে ৪ লাখ ৭১ হাজাৰ ২৪৪টা ভোট লাভ কৰিছিল। জাকিৰ হুছেইনৰ প্ৰতিদ্বন্দ্বী উচ্চতম ন্যায়ালয়ৰ প্ৰাক্তন মুখ্য ন্যায়াধীশ কে চুব্বা ৰাৱে লাভ কৰিছিল ৩ লাখ ৬৩ হাজাৰ ৯৭১ ( ৪৩.৪ শতাংশ) ।

## অনলাইন আৱেদনৰ বাবে

আগন্তুক দিনত পানী যোগানৰ এই গৃহ সংযোগ সেৱা গুৱাহাটীৰ আন আন অঞ্চললৈ প্ৰসাৰিত কৰা হ'ব বুলি মন্তব্য কৰে। আনহাতে, বৰ্তমান পৰীক্ষামূলক পানী যোগানৰ বাবে সাজু হৈ উঠা পাঁচটা ডিএমএ যেনে - ডিএমএ ৫ ক ১ - অমিয়া নগৰ (অংশ), ৰামছা ৰিজাৰ্ভৰ এলেকা, ডিএমএ ৫ ক ২ - অমিয়া নগৰ (অংশ), ৰুদ্ৰনগৰ, ডিএমএ ৫ ক ৩ — কৃষ্ণ নগৰ, হলি চাইল্ড এলেকা, ডিএমএ ৫ ক ৪ — মিলনপুৰ, বামুণীমৈদাম, চানমাৰি, দূৰদৰ্শন আৰু জলসিঞ্চন কলনী, ডিএমএ ৫ ক ৫ — ৰাজগড় আৰু পূব শৰণীয়া অঞ্চলৰ ইচ্ছুক জনসাধাৰণক মন্ত্ৰীগৰাকীয়ে ১৫ দিনৰ ভিতৰত আৱেদন দাখিল কৰিবলৈ অনুৰোধ জনায়। এই প্ৰসংগত তেওঁ কয় যে পানী যোগানৰ বাবে ৰাস্তাৰ পৰা গৃহ সংযোগৰ বাবে যিহেতু পথ খন্দাৰ প্ৰয়োজন হ'ব, একে সময়তে আৱেদন কৰিলে পথ পুনৰ মেৰামতি কৰোঁতে প্ৰশাসনৰ সুবিধা হ'ব, নহ'লে একেবোৰ কামকে পুনৰ কৰি থাকিব লাগিব। সভাত গৃহ নিৰ্মাণ আৰু পৰিক্ৰমা বিভাগৰ আয়ুক্ত-সচিব কবিতা পদ্মনাভনেও ভাষণ প্ৰদান কৰে। আনহাতে, গুৱাহাটী জল ব'ৰ্ডৰ সচিব পঞ্চমী চৌধুৰীয়ে সভাত অন লাইন আৱেদনৰ বিভিন্ন পৰ্যায়সমূহ বিতংভাৱে বুজাই দিয়ে। গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়া, গুৱাহাটী পৌৰ নিগমৰ আয়ুক্ত দেৱাশিস শৰ্মা, নতুন দিল্লীৰ পৰা অনলাইনত সংযোগ স্থাপন কৰা জাইকাৰ বিভিন্ন বিষয়া-বৰ্গ উপস্থিত থকা এই সভাত শলাগৰ শৰাই আগবঢ়াই কামৰূপ মহানগৰ জিলাৰ উপায়ুক্ত তথা গুৱাহাটী জল ব'ৰ্ডৰ পৰিচালন সঞ্চালক পল্লৱ গোপাল ঝাই লগতে কয় যে জনসাধাৰণৰ সুৰক্ষিত পানী খোৱাৰ সপোন বাস্তৱায়িত কৰাৰ বাবে গুৱাহাটী জল ব'ৰ্ড প্ৰতিশ্ৰুতিবদ্ধ। GMDW&SB ৱেবছাইট আৰু এটা নিৰ্দিষ্ট হেল্পলাইন নম্বৰ +৯১ ৬০০৩৯২০৮৪৬ৰ জৰিয়তে গ্ৰাহকে কিবা অভিযোগ থাকিলে উত্থাপন কৰিব পাৰিব বুলি তেওঁ উল্লেখ কৰে। উল্লেখ্য যে, বৰ্তমান পানী যোগানৰ প্ৰস্তাৱিত সময় ডিএমএ ৫ ক ১ আৰু ৫ ক ২ৰ বাবে আবেলি ৩ বজাৰ পৰা সন্ধিয়া ৫ বজালৈ আৰু ডিএমএ ৫ ক ৩, ৫ ক ৪ আৰু ৫ ক ৫ ৰ বাবে পুৱা ৭ বজাৰ পৰা পুৱা ৯ বজালৈ। সম্ভাৱনীয়তা, সংযোগৰ আকাৰ আদিৰ ওপৰত ভিত্তি কৰি সুৰক্ষা জমাসহ স্থাপন আৰু পানী যোগানৰ আৱেদনৰ মাচুল ৯,৫০০ টকাৰ পৰা ১২,৫০০ টকা পৰ্যন্ত ধাৰ্য কৰা হৈছে। নিৰিখ আৰু স্থাপনৰ মাচুল হিচাপে ঘৰুৱা যোগানৰ বাবে শ্লেৱ অনুসৰি প্ৰতি ১০০০ লিটাৰত ২২ টকা। যদিহে কোনো অসুবিধাবশতঃ আৱেদনকাৰীৰ গৃহত পানীৰ সংযোগ স্থাপন কৰিব নোৱাৰি তেওঁৰ পৰা লোৱা ধন ঘূৰাই দিয়া হ'ব। সম্ভাৱনীয়তা আদিৰ ওপৰত ভিত্তি কৰি ট্ৰায়েল ৰাণ'ৰ সময়ছোৱাত সৰ্বোচ্চ ২১ দিনৰ ভিতৰত গৃহ সংযোগ প্ৰদান কৰা হ'ব।

## তথ্য আৰু জনসংযোগ সঞ্চালকালয়ত বৃক্ষৰোপণ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ২১ জুলাই ঃ** জলবায়ু পৰিৱৰ্তন হ্ৰাস কৰাৰ উদ্দেশ্যে গছ-গছনিৰে সেউজ আৱৰণ বৃদ্ধি কৰা আৰু প্ৰতিটো কাৰ্যালয় চৌহদৰ সৌন্দৰ্যবৰ্ধনৰ উদ্দেশ্যে আৰু আজাদী কা অমৃত মহোৎসৱৰ লগত সংগতি ৰাখি অসম চৰকাৰৰ বিজ্ঞান, প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ উদ্যোগত আৰু অসম বিজ্ঞান প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদৰ সহযোগত মুখ্যমন্ত্ৰীৰ প্ৰাতিষ্ঠানিক বৃক্ষৰোপণ প্ৰকল্পৰ অধীনত আজি তথ্য আৰু জনসংযোগ সঞ্চালকালয় চৌহদত গছপুলি ৰোপণ কাৰ্যসূচী অনুষ্ঠিত হয়। জনসংযোগ সঞ্চালকালয়ৰ সঞ্চালক বিষ্ণুকমল বৰাই চৌহদত গছপুলি ৰোপণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। কাৰ্যালয় চৌহদত ৰঙা চন্দন, বকুল, কৃষ্ণচূড়া আদি বিভিন্ন প্ৰজাতিৰ গছপুলি ৰোপণ কৰা হয়। আজিৰ এই কাৰ্যসূচীত অতিৰিক্ত সঞ্চালক প্ৰদীপ কুমাৰ ব্ৰহ্ম, যুটীয়া সঞ্চালক দীননাথ লয়িং, মুখ্য তথ্য বিষয়া প্ৰমোদ কুমাৰ দত্ত, উপ সঞ্চালক দেৱপ্ৰসাদ দেউৰীকে ধৰি সঞ্চালকালয়ৰ বিষয়া, কৰ্মচাৰীসকলে অংশগ্ৰহণ কৰে।

## কুমাৰীকাটাত পানীত পৰি এটি শিশুৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, তামুলপুৰ, ২১ জুলাই ঃ** তামুলপুৰ জিলাৰ কুমাৰীকাটা আৰক্ষী চকীৰ অন্তৰ্গত ৩নং কালীপুৰ গাঁৱত আজি দুপৰীয়াৰ ভাগত আৰিয়ান হুছেইন (টিকু) নামৰ ৪ বছৰীয়া এটি শিশু পানীত পৰি মৃত্যু হোৱা ঘটনাই সমগ্ৰ আঞ্চলটোতে শোকৰ ছাঁ পেলাইছে। জানিব পৰা মতে ৩নং কালীপুৰ গাঁও নিৰাসী নুৰ ইছলামৰ বিবাহিত জীয়ৰী চাজিয়া বেগম কিছুদিন পূৰ্বে ৰঙিয়াৰ মুৰাৰাৰ স্বামীৰ ঘৰৰ পৰা আহি পিতৃ গৃহত কৃষি কাৰ্যত সহায় কৰি দিছিল। আজি দিনৰ ১.৩০মান বজাত শিশুটিৰ মাকে ঘৰৰ ওচৰৰে বৈ যোৱা এটি দোঙত বাচন ধুই থাকোতে পুত্ৰ টিকুৰেও পিছে পিছে গৈ মাকৰ অগোচৰে দোঙৰ পানীত খেলি আছিল। হঠাৎ শিশুটিক দোঙৰ বোৱঁতী পানীয়ে উটুৱাই লৈ যায়। কিছু সময়ৰ অন্তত মাকে শিশুটোক নেদেখি বিচাৰ-খোঁচাৰ কৰি বিচাৰি নোপোৱাত হাহাকাৰ লাগে। লগে লগে ওচৰ-চুবুৰীয়া আহি দোঙৰ পানীত শিশুটিক বিচৰাত এঠাইত এখন দলঙৰ তলত শিশুটিক উদ্ধাৰ কৰা হয়। লগে লগে শিশুটিক কুমাৰীকাটা ৰাজ্যিক চিকিৎসালয়ত ভৰ্তি কৰা হয় যদিও চিকিৎসকে শিশুটিক মৃত বুলি ঘোষণা কৰে।

## শিৱসাগৰত চাঞ্চল্যকৰ কন্যা শিশুক হত্যা

**বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ শিৱসাগৰ জিলা সমিতিৰ তীব্ৰ প্ৰতিক্ৰিয়া**

দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ২১ জুলাই ঃ ৰাজ্যজুৰি তীব্ৰ চাঞ্চল্য সৃষ্টি কৰা শিৱসাগৰৰ ছয় বছৰীয়া ভানু ওৰফে দিম্পী ভূমিজ নামৰ কণমানিজনীৰ ৰহস্যজনক মৃত্যুক লৈ শিৱসাগৰত আজি দ্বিতীয় দিনাও অব্যাহত আছে তীব্ৰ প্ৰতিক্ৰিয়াৰ। শিৱসাগৰ নাহৰআলি খনিকৰ গাঁৱৰ বাসিন্দা বিতুপণ ঢেকিয়াল ফুকন আৰু পৰিস্মৃতা দত্তই কণমানিজনীক পঢ়াবলৈ নিজ ঘৰলৈ আনি পৰৱৰ্তী সময়ত বন কৰিবলৈ বাধ্য কৰোৱাৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে। যাৰবাবে বন কৰিবলৈ ইচ্ছা প্ৰকাশ নকৰাত কণমানিজনীক স্বামী-স্ত্ৰীয়ে হত্যা কৰাৰ চাঞ্চল্যকৰ খবৰে ইতিমধ্যে তোলপাৰ লগাইছে ৰাজ্যখনত। এই ঘটনাকলৈ অসমৰ অন্যতম ছাত্ৰ সংগঠন বৃহত্তৰ অসমীয়া যুৱ মঞ্চই তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কাকতলৈ আজি এক প্ৰেছ বিজ্ঞপ্তি প্ৰেৰণ কৰিছে। সংগঠনটোৰ শিৱসাগৰ জিলা সমিতিৰ প্ৰচাৰ সচিৱ ক্ৰমে ৰাতুল দুৱৰা আৰু বিকাশ দাসে স্বাক্ষৰ কৰি কাকতলৈ প্ৰেৰণ কৰা বিজ্ঞপ্তিটোত সংগঠনটোৰ শিৱসাগৰ জিলা সমিতিৰ সভাপতি যদুমণি কলিতা আৰু সচিব প্ৰধান বিষ্ণুজ্যোতি শইকীয়াই প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে-যি সময়ত ৰাজ্যখনৰ প্ৰতিটো চৰকাৰী বিভাগক সংস্কাৰ কৰাৰ বাবে কঠোৰভাৱে পদক্ষেপ লোৱাৰ কথা সভাই-সমিতিয়ে ৰাজ্যচৰকাৰখনৰ বৰমূৰীয়া সকলে ঘোষণা কৰি চমক সৃষ্টি কৰিব খুজিছে, তেনে সময়তে এক বিপৰীত ছবি দেখিবলৈ পোৱা গৈছে শিৱসাগৰত। শিশু সুৰক্ষা আইন নাইবা শ্ৰমিক আইন থকাৰ পিছতো শ্ৰম বিভাগ, প্ৰশাসন তথা চৰকাৰৰ নিৰ্লিপ্ততাৰ বাবেই আজি এগৰাকী ফুলকুমলীয়া কণমানিয়ে এহাল দম্পতীৰ শাৰীৰিক আৰু মানসিক অত্যাচাৰৰ ফলত মৃত্যুক সাৱটিব লগা হয়। এই কাৰ্যই প্ৰমাণ কৰিছে চৰকাৰখনৰ অধীনস্থ প্ৰশাসনৰ সংশ্লিষ্ট বিভাগৰ চৰম গাফিলতিৰ দিশটোক। বিজ্ঞপ্তিটোত সভাপতি-সম্পাদকদ্বয়ে আৰু কয় যে ১৪ বছৰৰ তলৰ কোনো শিশুক শ্ৰমিক হিচাৰে ব্যৱহাৰ কৰিব নোৱাৰা এখন শ্ৰমিক আইন থকাৰ পাছতো আৰ্থিক দৈন্যতাৰ আলম লৈ একাংশ মানৱতাহীন অভিজাত শ্ৰেণীৰ লোকে বহুসময়ত কম বয়সীয়া শিশুক বিদ্যালয়ত শিক্ষাগ্ৰহণৰ ভুৱা প্ৰতিশ্ৰুতি প্ৰদান কৰি শ্ৰমিক হিচাবে ঘৰুৱা অথবা ব্যৱসায়ীক কামত ব্যৱহাৰ কৰি আহিছে । অসমৰ বিভিন্ন প্ৰান্তত বহু শিশু এনে অমানুষিক নিৰ্যাতনৰ বলি হৈ ইতিমধ্যে মৃত্যু মুখত পৰিছে। বুধবাৰে ঐতিহাসিক শিৱসাগৰ জিলাতো সংঘটিত হ'ল এনে এটি কৰুণ ঘটনা। মানৱতাক লজ্জানত কৰা শিৱসাগৰৰ এই ঘটনাটোৰ মূল অভিযুক্ত বিতুপণ ঢেকিয়াল ফুকন আৰু পৰিস্মৃতা দত্তৰ ঘৰ নাহৰআলি খনিকৰ গাঁৱত। ভানু ভূমিজ নামৰ এগৰাকী ৬ বছৰীয়া কণমানিক বনকৰা শ্ৰমিক হিচাপে নিয়োজিত কৰি শাৰীৰিক-মানসিক নিৰ্যাতন চলাই মৃত্যুমুখলৈ ঠেলি দিয়ে এইহাল দম্পতীয়ে। গতিকে উক্ত ঘটনাৰ এক উচ্চ পৰ্যায়ৰ তদন্ত কৰি দোষীক কঠোৰ শাস্তি প্ৰদান কৰিবলৈ বৃহত্তৰ অসমীয়া যুৱ মঞ্চৰ জিলা সমিতিয়ে চৰকাৰ তথা প্ৰশাসনক দাবী জনাইছে বুলি বিজ্ঞপ্তিটোত উল্লেখ কৰিছে। ইয়াৰ লগতে সংগঠনটোৱে শিৱসাগৰ জিলাৰ প্ৰতিটো প্ৰান্তৰ বিভিন্ন ইটা ভাটা, কাৰখানা আদিৰ দৰে উদ্যোগসমূহত যাতে কোনো লোকে শিশু শ্ৰমিক নিয়োজিত কৰিব নোৱাৰে তাৰ প্ৰতিও জিলা প্ৰশাসনক দৃষ্টি ৰাখিবলৈ দাবী জনাইছে। প্ৰশাসনে যদি এই ক্ষেত্ৰত কোনো পদক্ষেপ গ্ৰহণ নকৰে তেন্তে ইয়াৰ বিৰুদ্ধে তীব্ৰ গণতান্ত্ৰিক আন্দোলন গঢ়ি তোলা হ'ব বুলি সংগঠনটোৰ তৰফৰ পৰা স্পষ্ট কৰি দিছে।

## দ্ৰৌপদী মুৰ্মু ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত হোৱাত তেজপুৰতো আতচবাজীৰে আনন্দৰ জোৱাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ২১ জুলাই ঃ** আগন্তুক কাৰ্যকালৰ বাবে ৰাষ্ট্ৰপতি নিৰ্বাচনৰ ফলাফল আজি ঘোষণা কৰাৰ পিছতেই দেশৰ বিভিন্ন প্ৰান্তৰ লগতে তেজপুৰতো এক উৎসৱমুখৰ পৰিৱেশে বিৰাজ কৰে। এন ডি এৰ প্ৰাৰ্থী দ্ৰোপদী মুৰ্মু ৰাষ্ট্ৰপতি হিচাপে নিৰ্বাচিত হোৱা বাতৰিক কেন্দ্ৰ কৰি আজি তেজপুৰত এক আনন্দ মুখৰ পৰিস্থিতিৰ সৃষ্টি হয়। বিজেপিৰ শোণিতপুৰ জিলা গাভৰু মণ্ডলৰ চাহ জনগোষ্ঠী মৰ্চা আৰু অগপৰ ডেকাৰগাঁও আঞ্চলিক সমিতিৰ নুৰবাৰী শাখাৰ উদ্যোগত আজি ইয়াকে লৈ এক বিশেষ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। তেজপুৰ পৰোৱাস্থিত নুৰবাৰী চাহ বাগিছাত মিত্ৰদল অগপৰ তেজপুৰৰ বিধায়ক পৃথিৰাজ ৰাভা উপস্থিত হৈ চাহ জনগোষ্ঠীয় লোকৰ মাজত মিঠাই বিলাই বিজয় উল্লাস পালন কৰে। আদিবাসী সম্প্ৰদায়ৰ প্ৰাৰ্থীগৰাকী দেশৰ মহামহীম ৰাষ্ট্ৰপতি পদত অধিষ্ঠিত হোৱাক লৈ আজি অঞ্চলটোত আতচবাজীৰে আবতৰীয়া দীপাৱলী পালন কৰে দলীয় কৰ্মকৰ্তাৰ লগতে অঞ্চলটোৰ চাহ জনগোষ্ঠীয় লোকসকলে।

## কালাইৰদিয়াত পুখুৰীত বিষ

এগৰাকী মৎস্যপালকৰ পুখুৰীত বিষ ঢালি প্ৰায় লক্ষাধিক টকাৰ মাছ নিধন কৰা ঘটনাই বৃহত্তৰ অঞ্চলজুৰি তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। জানিব পৰা মতে, সংশ্লিষ্ট গাঁৱৰ জব্বেৰ আলীৰ পুখুৰীত কোনোবা অচিনাকি দুষ্ট চক্ৰই বিষাক্ত দ্ৰব্য তথা বিষ ঢালি দিয়াৰ ফলত অস্বাভাৱিক হাৰত মৃত্যু হৈছে শ শ মাছৰ। যোৱা এসপ্তাহ ধৰি পুখুৰীত আৰম্ভ হৈছে মাছৰ নিধন প্ৰক্ৰিয়া। প্ৰতিদিনে পুখুৰীটোত ওপঙি থকা দেখা যায় শ শ সৰু-ডাঙৰ মাছ। দুষ্ট লোকৰ জ্ঞানহীন কাণ্ডৰ বাবেই পুখুৰীত দ'মে দ'মে মৰিছে বৃহৎ পৰিমাণৰ মাছ। মৃত্যু হোৱা মাছৰ ভিতৰত ৰৌ, চন্দা, বাটা, মিৰিকা, ছিলভাৰ আদি প্ৰজাতিৰ মাছ আছে। ইফালে মাছৰ অস্বাভাৱিক মৃত্যুৰ পাছতে দুৰ্গন্ধৰে ভৰি পৰিছে সমগ্ৰ অঞ্চলটো।

## ২৯ জুলাইত ৰাজ্যজুৰি মুকলি

কৰাৰ পিছত আবেলি ৪:৩০ বজাত আন জিলাসমূহৰ সেৱাকেন্দ্ৰসমূহ নিৰ্ধাৰিত তালিকা অনুসৰি মন্ত্ৰীবৰ্গই আনুষ্ঠানিকভাৱে মুকলি কৰিব। অৱশ্যে একাধিক সেৱা কেন্দ্ৰ মুকলি কৰিবলগীয়া হোৱা বাবে দূৰত্ব অধিক থকা জিলাসমূহৰ পেঞ্চন সেৱা কেন্দ্ৰসমূহ অহা ৩০ জুলাইত শুভাৰম্ভ কৰা হ'ব। মন্ত্ৰীসকল ক্ৰমে ৰণজিৎ কুমাৰ দাসে বৰপেটা আৰু ধুবুৰী, অতুল বৰাই ডিব্ৰুগড় আৰু তিনিচুকীয়া, উৰ্খাও গৌৰা ব্ৰহ্মই বাক্সা আৰু চিৰাং, চন্দ্ৰ মোহন পাটোৱাৰীয়ে দৰং আৰু কামৰূপ, পৰিমল শুক্লবৈদ্যই হাইলাকান্দি আৰু কৰিমগঞ্জ, কেশৱ মহন্তই গোলাঘাট আৰু মৰিগাঁও, ডাঃ ৰণোজ পেগুৱে যোৰহাট আৰু শিৱসাগৰ, অশোক সিংহলে কাছাৰ আৰু কোকৰাঝাৰ, যোগেন মহনে ডিমা হাচাও আৰু কাৰবি আংলং, সঞ্জয় কিষাণ ধেমাজি আৰু লখিমপুৰ, অজন্তা নেওগে নলবাৰী আৰু গোৱালপাৰা, পীযুষ হাজৰীকাই নগাঁও আৰু শোণিতপুৰ, নন্দিতা গাৰ্লোচাই বঙাইগাঁৱত আৰু জয়ন্ত মল্ল বৰুৱাই ওদালগুৰিৰ পেঞ্চন সেৱা কেন্দ্ৰ মুকলি কৰিব।

বংকোৱাল হাইস্কুলৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰীক বিদায় সম্বৰ্ধনা আৰু কীৰ্তিমানক অভিনন্দন অনুষ্ঠান সম্পন্ন

# বংকোৱাল হাইস্কুলৰ সৰ্ববোচ্চ নম্বৰপ্ৰাপ্ত কুঁহি দাৰক দুটাকৈ শৈক্ষিক বঁটা প্ৰদান

**দৈনন্দিন বাৰ্তা সেৱা, মহুৰামুখ, ২১ জুলাই ঃ** বোকাখাত পশ্চিম শিক্ষাখণ্ডৰ অন্তৰ্গত মহুৰামুখৰ উত্তৰ অংশৰ অগ্ৰণী শিক্ষানুষ্ঠান বংকোৱাল হাইস্কুলত আজি হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন আৰু বিদ্যালয়খনৰ পৰা অৱসৰ গ্ৰহণ কৰা দুগৰাকী কৰ্মচাৰীক বিদায় সম্বৰ্ধনা জনায়। সেই উপলক্ষে আয়োজিত সভাত সভাপতিত্ব কৰে বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি মহেন্দ্ৰ লইঙে। বিদ্যালয়খনৰ প্ৰধান শিক্ষক জীৱন চন্দ্ৰ ডেকাই উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানত বিদ্যালয়ৰখনৰ পৰা অৱসৰ গ্ৰহণ কৰা কাৰ্যালয় সহায়ক মোহন মৰাং আৰু মহেশ লইঙক বিদ্যালয় কৰ্তৃপক্ষই পৃথকে পৃথকে সম্বৰ্ধনা-পত্ৰ, শৰাই, চেলেং, গামোচা, ছাতি আৰু গ্ৰন্থৰ টোপোলাৰে আজি আনুষ্ঠানিকভাৱে বিদায় জনায়। সহঃ শিক্ষক ৰাতুল গোৱালাই আঁত ধৰা সভাত বিদ্যালয়খনৰ পৰা প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা ১৪গৰাকী ছাত্ৰ-ছাত্ৰীক অভিনন্দন-পত্ৰ, গামোচা, কলম আৰু বহী প্ৰদান কৰি অভিনন্দন জনায়। উক্ত অনুষ্ঠানতে বিদ্যালয়খনৰ ভিতৰত সৰ্বোচ্চ নম্বৰপ্ৰাপ্ত কুঁহি দাৰক অৱসৰপ্ৰাপ্ত শিক্ষক হৰেন বৰিয়ে তেওঁৰ প্ৰয়াত পিতৃ আৰু মাতৃ বাপায় সিং বৰি আৰু



নুমলী বৰিৰ সোঁৱৰণী শৈক্ষিক বঁটা আৰু বিদ্যালয়খনৰ সহঃ শিক্ষক ৰাতুল গোৱালাই তেওঁৰ প্ৰয়াত পিতৃ পৰশুৰাম গোৱালা সোঁৱৰণী শৈক্ষিক বঁটা প্ৰদান কৰে। উক্ত দুয়োটা বঁটাতে অভিনন্দন-পত্ৰ, বস্ত্ৰ, গ্ৰন্থৰ টোপোলা আৰু টকাৰ টোপোলা প্ৰদান কৰা হয়। ইয়াৰ ওপৰিও বিদ্যালয় শিক্ষক গোটৰ পৰা ষ্টাৰ নম্বৰপ্ৰাপ্ত কুঁহি দাৰ আৰু চয়নিকা লইঙক আৰ্থিক অনুদান আগবঢ়োৱাৰ উপৰিও শিক্ষয়িত্ৰী শেৱালি গগৈয়ে ইংৰাজী বিষয়ত লেটাৰ নম্বৰপ্ৰাপ্ত চয়নিকা লইং আৰু সত্যজিত টাইডক আৰু সমাজ বিজ্ঞান বিষয়ত লেটাৰ নম্বৰ লাভ কৰা কুঁহি দাৰ, লীচা মৰাং আৰু সন্ধ্যাৰাণী মৰাঙক শিক্ষয়িত্ৰী গৌৰীশ্ৰী পাত্ৰ বৰাই গ্ৰন্থৰ টোপোলাৰে অভিনন্দন জনায়। অৱসৰপ্ৰাপ্ত শিক্ষক গকুল দাৰে সুখ্যাতিৰে উত্তীৰ্ণ ১৪গৰাকী শিক্ষাৰ্থীকে শিকন সামগ্ৰী বহী কলম প্ৰদান কৰা অনুষ্ঠানতোত বিদায়ী মোহন মৰাঙে নিজৰ ভাষণত বিদ্যালয়খনৰ প্ৰতিষ্ঠাৰ পৰা ব্ৰহ্মপুত্ৰৰ প্ৰৱল খহনীয়া হৈ তিনিবাৰকৈ স্থানান্তৰ হৈ বৰ্তমানলৈ সকলোখিনি সুঁৱৰি আৱেগিক হৈ পৰে। গবৈমাৰী হাইস্কুলৰ প্ৰধান শিক্ষক খগেন মৰাং, উত্তৰ মহুৰা আঞ্চলিক টিএমপিকেৰ উপদেষ্টা ৰাকেশ লইং,অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক গকুল দাৰ, বংকোৱাল হাইস্কুলৰ অৱসৰপ্ৰাপ্ত শিক্ষক হৰেন বৰি, বংকোৱাল হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক বীৰেন গগৈ, অৱসৰপ্ৰাপ্ত শিক্ষক জগন্নাথ ফুকনে বক্তব্য প্ৰদান কৰা অনুষ্ঠানটোত উপস্থিত থাকে অৱসৰপ্ৰাপ্ত শিক্ষক অতুল হাজৰিকা, মেলামৰা কলেজৰ বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপক ড° দুৰ্লভ বৰি, সমাজকৰ্মী মালিৰাম দলে, টিএমপিকেৰ উত্তৰ মহুৰা আঞ্চলিক সমিতিৰ সভাপতি নয়নমণি মৰাং, সম্পাদক চিনেশ্বৰ লইংৰ, গোলাঘাট জিলা সাংবাদিক সংস্থাৰ সম্পাদক পৱন কামান, সাবাদিক অমল দাৰ, মহুৰামুখ প্ৰেছ ক্লাবৰ সম্পাদক হেমন্ত লইং, সাংবাদিক বলোৰাম কামান, ৰাজেন চেত্ৰীৰ লগতে বহুকেইগৰাকী গণ্যমান্য ব্যক্তিৰ লগতে বিদ্যালয়খনৰ শিক্ষক, অবিভাৱক আৰু দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।

# শোকস্তব্ধ পৰিৱেশ মইনা নায়কৰ ঘৰত

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিব্ৰুগড়, ২১ জুলাইঃ** বাগিচা কৰ্তৃপক্ষৰ গাফিলতিৰ বাবে ডিব্ৰুগড় জিলা মৰাণ বিধানসভা সমষ্টিৰ অন্তৰ্গত লেপেটকতা চাহ বাগিচাত এগৰাকী মহিলা শ্ৰমিক গুৰুতৰভাৱে আহত হৈ মৃত্যুৰ সৈতে যুঁজিবলগীয়া হৈছে। এই ঘটনাৰ তীব্ৰ প্ৰতিক্ৰিয়া অব্যাহত আছে সৰ্বত্ৰ। মঙলবাৰে বাগিচাখনৰ ফেক্টৰীৰ চিটিচি মেচিনত সোমাই মইনা নায়ক নামৰ ২৪ বছৰীয়া মহিলা শ্ৰমিক এগৰাকী গুৰুতৰভাৱে আহত হৈছিল। চিটিচি মেচিনত লাগি মইনাৰ মূৰৰ চুলি আৰু চাল সম্পূৰ্ণৰূপে এৰাই যোৱাৰ লগতে সোঁহাতখনো ভাঙি গৈছিল মইনাৰ। গুৰুত্বৰভাৱে আহত শ্ৰমিকগৰাকী বৰ্তমান চিকিৎসাধীন হৈ আছে জিএমচিএইচত। নীতিবৰ্হিভূতভাৱে শ্ৰমিকগৰাকীক কামত লগাইছিল বাগিচা কৰ্তৃপক্ষই । চাহ বাগিচা আইন মতে কোনো মহিলা শ্ৰমিক ফেক্টৰীৰ ভিতৰত অথবা চিটিচি মেচিনৰ ওচৰত কাম কৰিব নোৱাৰে অথবা তেওঁলোকক তেনে কামত নিয়োজিত কৰিব নোৱাৰে । এনে কঠোৰ নিয়ম থকাৰ পিছতো এগৰাকী মহিলা শ্ৰমিকক বাগিচা কৰ্তৃপক্ষই কেনেকৈ চিটিচি এলেকাত কামত নিয়োজিত কৰাইছিল; সেই লৈ সৰ্বত্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ইয়াৰ এক উচিত তদন্তৰ দাবী জনোৱাৰ লগতে আৰু দোষীক শাস্তি প্ৰদান কৰিবলৈ দাবী জনাইছে। ইফালে মইনা নায়কক উন্নত চিকিৎসা প্ৰদান কৰিবলৈ দাবী জনাইছে । ইফালে, আজি ডিব্ৰুগড় জিলা উপায়ুক্তৰ সৈতে জিলা উপায়ুক্ত কাৰ্যালয়ত চাহ জনগোষ্ঠীয় সংগঠন আৰু চাহ মজদুৰ সংঘৰ বিষয়ববীয়াসকল আৰু চাহ বাগিচাৰ কৰ্তৃপক্ষৰ মাজত এক বৈঠক অনুষ্ঠিত হয় যদিও আশানুৰূপ ফলাফল লাভ নকৰা বুলি ব্যক্ত কৰিছে সংগঠনকেইটাই। আনহাতে, ডিব্ৰুগড় জিলা উপায়ুক্ত বিশ্বজিৎ পেগুৱে জানিব দিয়া মতে, বাগিচাৰ কৰ্তৃপক্ষই মইনা নায়কৰ উন্নত চিকিৎসা সমুদায় খৰচ বহন কৰিব আৰু দৰিদ্ৰ সীমাৰেখাৰ তলৰ পৰিয়ালটিৰ একমাত্ৰ উপাৰ্জনকাৰী মইনা নায়ক আঘাতপ্ৰাপ্ত হোৱাত বাগিচাৰ কৰ্তৃপক্ষই পৰিয়ালটিৰ এজনক বাগিচাখনত স্থায়ী শ্ৰমিক হিচাপে নিয়োজিত কৰিব বুলি কথা দিছে। ঘটনাৰ উচিত তদন্তৰ বাবে দণ্ডাধীশ নিয়োগ কৰিছে। এতিয়া কলঘৰৰ চিটিচি মেচিনত আঘাতপ্ৰাপ্ত মইনা নায়কৰ ঘৰত এতিয়া শোকাকুল পৰিৱেশ। ঘৰৰ একমাত্ৰ উপাৰ্জনকাৰী মইনা নায়ক সংকটজনক অৱস্থাত চিকিৎসাধীন হৈ থকাত পৰিয়ালত এতিয়া হাহাকাৰ অৱস্থা। ইতিমধ্যে, আছুকে ধৰি বিভিন্ন দল -সংগঠনে পৰিয়ালৰ কাষত উপস্থিত হৈ সমবেদনা জ্ঞাপন কৰিছে আৰু মইনা নায়কৰ আৰোগ্য কামনা কৰিছে। মঙলবাৰে সংঘটিত ঘটনাৰ পিছতে লেপেটকটা চাহ বাগিচাৰ বৰলাইনৰ বাসগৃহত সোঁত বৈছে বিভিন্ন ৰাজনৈতিক দল-সংগঠনৰ নেতাৰ। লেপেটকটা চাহ বাগিচাৰ অস্থায়ী চাহ শ্ৰমিক হিচাপে কৰ্মৰত মইনা নায়কৰ উন্নত চিকিৎসাৰ ব্যৱস্থা কৰাৰ বাবে পৰিয়ালৰ আহ্বান চৰকাৰক। ঘৰৰ ছোৱালী সুস্থ শৰীৰে ওভতাই পঠোৱাৰ আহ্বান চৰকাৰলৈ। ইফালে, সংবাদ মাধ্যমৰ কেমেৰাৰ সন্মুখতে ঢলি পৰিল মইনাৰ বৰমাক। ঘৰৰ একমাত্ৰ উপাৰ্জনকাৰী মৃত্যুৰ সৈতে যুঁজ দি থকা মইনাৰ ঘৰত উপস্থিত আছু আৰু আম আদমী পাৰ্টী। ডিব্ৰুগড় জিলা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক অৱনী গগৈৰ নেতৃত্বত যোৱা আছুৰ প্ৰতিনিধি দলটোৱে মইনাৰ মাতৃক সাক্ষাৎ কৰি ঘটনাৰ বুজ লয়। ইয়াৰ পিছতে সংবাদ মাধ্যমৰ আগত শ্ৰম আইন উলংঘা কৰি মহিলা শ্ৰমিকক কলঘৰত নিয়োজিত কৰা বাগিচা কৰ্তৃপক্ষৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰাৰ দাবী জনাইছে। আপৰ ৰাজ্যিক সহ ঃ সমন্বয়ক মনোজ ধানোৱাৰেও বুজ ল'লে মইনা নায়কৰ দুৰ্ঘটনাৰ ঘটনাৰ। ধানোৱাৰে এই ঘটনাত দুখ প্ৰকাশ কৰি চৰকাৰৰ কাৰ্যক তীব্ৰ ক্ষোভ প্ৰকাশ কৰি উন্নত চিকিৎসাৰ বাবে এয়াৰ এম্বুলেঞ্চেৰে বহিঃৰাজ্যলৈ প্ৰেৰণৰ ব্যৱস্থা কৰিবলৈ দাবী জনাইছে।

# বৰপেটাৰোডত নকল মুৰ্গা জিৰাৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটাৰোড, ২১ জুলাই ঃ** গুজৰাটৰ মুৰ্গা জিৰা কোম্পানীৰ ব্ৰেণ্ড লগাই বৰপেটাৰোডৰ ৰোহি দাস সাহা নামৰ এজন ধুৰন্ধৰ ব্যৱসায়ীয়ে দীৰ্ঘদিনৰে পৰা ৰমৰমীয়া ব্যৱসায় চলাই থকাৰ এক গুৰুতৰ অভিযোগ উত্থাপন হৈছে। গুজৰাটৰ আহমেদাবাদৰ মুৰ্গা জিৰা ব্ৰেণ্ড কোম্পানীৰ ৰবি পাণ্ডে নামৰ লোকজনে বৰপেটাৰোড আৰক্ষী থানাত বৰপেটাৰোডৰ ৰোহিদাস সাহাৰ বিৰুদ্ধে বুধবাৰে এখনি এজাহাৰ দাখিল কৰিছে। বৰপেটাৰোডৰ এইগৰাকী ধুৰন্ধৰ তথা লম্পট ব্যৱসায়ী ৰোহিদাস সাহাই গুজৰাটৰ মুৰ্গা কোম্পানীৰ জিৰাৰ ডুপ্লিকেট পেকেটিং কৰি ৰমৰমীয়া ব্যৱসায় চলাই হোৰাহোৰে ধন ঘটি অহাৰ অভিযোগ তুলিছে গুজৰাটৰ মুৰ্গা জিৰা ব্ৰেণ্ডৰ লোকে। গুজৰাটৰ আহমেদাবাদৰ মুৰ্গা জিৰা ব্ৰেণ্ডৰ হুবহু নকল পেকেট বনাই বৰপেটাৰোডৰ লম্পট ব্যৱসায়ী ৰোহিদাস সাহাই অতি কমদিনৰ ভিতৰতে কোটি কোটি টকা উপাৰ্জন কৰাৰো অভিযোগ উত্থাপন হৈছে। ৰোহিদাস সাহাই অতি কমদিনৰ ভিতৰত কোটি কোটি টকাৰ গৰাকী হোৱাত বৰপেটাৰোডৰ সাধাৰণ লোকে ভাবিছিল ৰোহিদাস সাহাই 'আলাউদ্দিনৰ চাকি' পাইছে। কিন্তু ধুৰন্ধৰ তথা লম্পট ব্যৱসায়ী সাহাই যে গুজৰাটৰ মুৰ্গা জিৰা কোম্পানীৰ পেকেট নকল কৰি মুৰ্গা জিৰাৰ নকল পেকেটিং কৰি সেই ডুপ্লিকেট মুৰ্গা জিৰা বজাৰত বিক্ৰী কৰি অবৈধভাৱে ব্যাপক ধন ঘটি আহিছিল বুলি গুজৰাটৰ অৰিজিনেল মুৰ্গা জিৰা কোম্পানীৰ ৰবি পাণ্ডে বৰপেটাৰোড থানাত দিয়া এজাহাৰৰ পাছতহে বৰপেটাৰোডৰ ৰাইজে উমান পালে এয়া কোন 'আলাউদ্দিনৰ চাকি'। ইপেনে, গুজৰাটৰ মুৰ্গা জিৰা কোম্পানীৰ তৰফৰ পৰা অভিযুক্ত ৰোহিদাস সাহাৰ বিৰুদ্ধে তথ্য প্ৰমাণসহ বৰপেটাৰোড আৰক্ষীক এজাহাৰ দিয়াৰ পাছতো এই মুহূৰ্তলৈকে আৰক্ষীয়ে অভিযুক্তক কৰায়ত্ত কৰিবলৈ সক্ষম হোৱা নাই বুলি জানিব পৰা গৈছে। উল্লেখ্য যে গুজৰাটৰ মুৰ্গা জিৰা কোম্পানীৰ প্ৰকৃত গৰাকীয়ে বৰপেটাৰোড আৰক্ষী থানাত এই বিষয়ত এজাহাৰ দিয়াৰ পাছত বৰপেটাৰোড আৰক্ষীৰ থানাৰ অ'চি বিপুল কলিতাই তদন্ত কৰি ৰোহিদাস সাহাৰ দোকানৰ পৰা নকল মুৰ্গা জিৰাসহ পেকেট উদ্ধাৰ কৰে। কিন্তু ৰহস্যজনকভাৱে তদন্তকাৰী ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া বিপুল কলিতাই মুৰ্গা জিৰাৰ আচল-নকল সম্পৰ্কে তদন্ত কৰি থকাৰ সময়তে আৰক্ষী বিষয়া বিপুল কলিতাক বৰপেটাৰোড আৰক্ষীৰ থানাৰ পৰা অইন ঠাইলৈ বদলি কৰা বুলিও জানিব পৰা গৈছে। ইপিনে গুজৰাটৰ মুৰ্গা ব্ৰাণ্ডৰ জিৰা নকল কৰি কৰি বজাৰত বিক্ৰী কৰি ৰমৰমীয়া ব্যৱসায় চলাই কোটি কোটি টকা ধন ঘটা অভিযুক্ত ৰোহিদাস সাহাৰ পৰা সাংবাদিকে জানিবলৈ তেওঁৰ ব্যৱসায়িক প্ৰতিষ্ঠানলৈ যায় যদিও সাংবাদিক অহাৰ উমান পাই পলাই পত্ৰং দিয়ে।

# ভুবনেশ্বৰত ভাৰত ৰংগ মহোৎসৱ-২০২২ত মঞ্চস্থ হ'ব অসমীয়া নাট 'ফুলগুৰি ধেৱা'

**দৈনন্দিন বাৰ্তাৰ সেৱা, বঢ়মপুৰ, ২১ জুলাই ঃ** ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়, নতুন দিল্লীৰ দ্বাৰা 'আজাদী কা অমৃত মহোৎসৱ'ৰ সহযোগত আয়োজিত ২২সংখ্যক ভাৰত ৰংগ মহোৎসৱটি এইবেলি বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰা হৈছে। ভাৰতে স্বাধীনতা লাভ কৰাৰ ৭৫ বছৰ হোৱা উপলক্ষে ভাৰত চৰকাৰৰ এই 'আজাদী কা অমৃত মহোৎসৱ'ৰ আয়োজন। প্ৰতি বছৰে ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ে আন্তঃৰাষ্ট্ৰীয় নাট সমাৰোহ 'ভাৰত ৰংগ মহোৎসৱ' শীৰ্ষক নামেৰে অনুষ্ঠিত কৰি আহিছে। এইবেলি 'আজাদী কা অমৃত মহোৎসৱ'ৰ সহযোগত ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ে আয়োজন কৰিছে এই সমাৰোহ। এই নাট মহোৎসৱত অংশগ্ৰহণ কৰিবলৈ পুৰণিগুদামৰ 'অবিনশ্বৰ গোষ্ঠী'ও বাছনিভুক্ত হৈছে। সেয়েহে ওড়শাৰ ভুৱনেশ্বৰস্থিত কেআইআইটি অডিটৰিয়ামত অহা ২৪ জুলাইত অবিনশ্বৰ গোষ্ঠীয়ে পৰিৱেশন কৰিব নাট্যপ্ৰৱৰ সাৰদাকান্ত বৰদলৈ বিৰচিত 'ফুলগুৰি ধেৱা' নামৰ মঞ্চনাটখনি। নাটখনিৰ পৰিকল্পনা আৰু পৰিচালনা সুদক্ষ নাট্যশিল্পী দীপক বৰাৰ। সন্ধিয়া ৬.৩০ বজাৰ পৰা হ'বলগীয়া উক্ত নাটক উপভোগ কৰিবলৈ স্থানীয় দৰ্শকবৃন্দৰ লগতে কৰ্মসূত্ৰে ভুবনেশ্বৰস্থিত অসমৰ দৰ্শকৰো উপস্থিতি অবিনশ্বৰ গোষ্ঠীৰ তৰফৰ পৰা কামনা কৰিছে।

# গোৱালপাৰা জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ মাণ্ডলিক সভা

## অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ বিষয়ববীয়া উপস্থিত

**দৈনন্দিন বাৰ্তাৰ সেৱা, গোৱালপাৰা, ২১ জুলাই ঃ** গোৱালপাৰা জিলা যোগী সন্মিলনীৰ মুখ্য কাৰ্যালয় বুধিপাৰাত আজি দিনৰ দহ বজাত গোৱালপাৰা জিলা প্ৰাথমিক শিক্ষক সন্মিলনীৰ উদ্যোগত আৰু অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ এখন মাণ্ডলিক সভা অনুষ্ঠিত কৰি , শৈক্ষিক আৰু সাংগঠনিক দিশত আলোচনা অনুষ্ঠিত কৰে। অসমৰ জিলাসমূহৰ ভিতৰতে গোৱালপাৰা জিলাখনতে বিদ্যা-শিক্ষাৰ ক্ষেত্ৰত সৰ্বাধিক হাৰত বাদ পৰা ছাত্ৰ-ছাত্ৰী আছে। ইয়াৰ উপৰিও অসমৰ জিলাসমূহৰ ভিতৰতে তৃতীয় পৰ্যায়ৰ এইচ আই ভি প'জিটিভ জিলা হিচাপে চিহ্নিত ডিব্ৰুগড় জিলা ইতিমধ্যে দুয়োখন জিলাৰ মাজত সৰ্বাধিক আঠ হাজাৰ পৰিয়ালক অতি কম সময়ৰ ভিতৰতে জৰীপ কৰি অহা ছেপ্টেম্বৰ মাহৰ পৰাই পুনৰাই শিক্ষাৰ ক্ষেত্ৰত কেনেকৈ আগুৱাই নিব পাৰি ইয়াৰ ক্ষেত্ৰত অসম ৰাজ্যিক শিক্ষক সন্মিলনীৰ উদ্যোগত আৰু সৰ্বভাৰতীয় অখিল ভাৰতীয় প্ৰাথমিক শিক্ষক সংঘৰ নেতৃত্বত বিদ্যালয় এৰি অহা ছাত্ৰ ছাত্ৰী সকলৰ লগতে সমগ্ৰ ভাৰত বৰ্ষতে সৰ্বাধিক তিনি কোটি বিশ লাখ ছাত্ৰ ছাত্ৰীক বিদ্যালয় মুখী কৰি এখন সুস্থ সৱল ৰাষ্ট্ৰৰ লগতে ৰাজ্য হিচাপে গঢ়ি তোলাৰ এক প্ৰয়াস আজিৰে পৰা গোৱালপাৰা জিলাখনৰ পৰাই শুভাৰম্ভ কৰে বুলি অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ সভাপতি অখিল নাথ আৰু প্ৰধান সম্পাদক ৰাতুল গোস্বামীয়ে জানিবলৈ দিয়ে । আজিৰ সভাত অসমৰ আঠ খন জিলাৰ সভাপতি য সম্পাদক আৰু সদস্য সদস্যা সকলে উপস্থিত হৈ তেওঁলোকৰ মহকুমা পৰ্যায়ৰ বিভিন্ন অভাৱ অভিযোগ সমূহ পুংখানুপুংখ ভাবে আলোচনা কৰাৰ লগতে , শিক্ষক সকলৰ বিভিন্ন ক্ষেত্ৰত পাই অহা অভাৱ অভিযোগ সমূহ অসম চৰকাৰক এখন স্মাৰক ৰূপে প্ৰেৰণ কৰিব বুলিও এই সংবাদ মাধ্যমেৰে জানিবলৈ দিয়ে ।

# কামপুৰত গাঁজাসহ যুৱক আটক



**দৈনন্দিন বাৰ্তাৰ সেৱা, বঢ়মপুৰ, ২১ জুলাই ঃ** নগাঁও আৰু কামপুৰ আৰক্ষীয়ে যোৱানিশা এক অভিযান চলাই কামপুৰ পৌৰসভাৰ পাঁচ নং ৱাৰ্ডৰ পৰা এজন যুৱকক গাঁজাসহ আটক কৰে। আটকাধীন যুৱকজনৰ নাম ৰাজু সিং। আৰক্ষীয়ে অভিযান কালত যুৱকজনৰ পৰা ২৫ কেজি ৫৩৯ গ্ৰাম গাঁজা জব্দ কৰিবলৈ সক্ষম হয়। যুৱকজনে বহুদিন ধৰি চোৰাং গাঁজা ব্যৱসায় চলাই আহিছিল বুলি আৰক্ষী সূত্ৰে জানিব পৰা গৈছে।

# ওঁম শান্তি



**প্ৰয়াত পূৰ্ণ বৰা**

**জন্ম** ঃ ০১ মাৰ্চ, ১৯৫৮ চন, **মৃত্যু** ঃ ১২ জুলাই, ২০২২ চন

শ্ৰদ্ধাভাজনেষু,

নিয়তিৰ অমোঘ সত্য মৃত্যুক সাবটি যোৱা ২৭ আহাৰ, ১২ জুলাই, ২০২২, মঙলবাৰে আমাৰ শ্ৰদ্ধাৰ পিতৃ **শ্ৰীপূৰ্ণ বৰা (বাবুলটি)** পৰলোকপ্ৰাপ্তি হয়।

তেখেতৰ বিদেহ আত্মাৰ সদ্‌গতি আৰু চিৰশান্তি কামনাৰ্থে অহা ২২ জুলাই, ২০২২ শুকুৰবাৰে **আদ্যশ্ৰাদ্ধ** আৰু ২৩ জুলাই, ২০২২ শনিবাৰে **মৎস্যস্পৰ্শ** অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

তদুপলক্ষে উক্ত দুয়োদিনৰ অনুষ্ঠানলৈ আপোনাক/আপোনালোকক কৰযোৰে নিমন্ত্ৰণী শৰাই আগবঢ়ালোঁ। আশা কৰোঁ উক্ত অনুষ্ঠানত উপস্থিত হৈ মৃতকৰ আত্মাৰ সদ্‌গতি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গক সান্ত্বনা দি কৃতাৰ্থ কৰিব।

সেৱাৰে—
শোকসন্তপ্ত পৰিয়ালবৰ্গৰ হৈ
অমিয়া বৰা (পত্নী)
দ্বিপজ্যোতি বৰা (পুত্ৰ)
বৰষা ৰাণী বৰা (কন্যা) আৰু পৰিয়ালবৰ্গ

**নিজা বাসভৱন**
**বালিপুখুৰী, বুঢ়ীগাং, বিশ্বনাথ, অসম**
**ভ্ৰাম্যভাষ ঃ ৮৮২২০৪১০৩৬, ৮৬৩৮০১৫৫৬২**

# হাজো ৰাজহ চক্ৰৰ জ্যেষ্ঠ তৰণী যোগেন্দ্ৰ নাথ মজুমদাৰৰ মৃত্যুত শোক

**দৈনন্দিন বাৰ্তাৰ সেৱা, হাজো, ২১ জুলাই ঃ** হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত সাতডলা বিষ্ণুপুৰ নিৱাসী, বিশিষ্ট সমাজ কৰ্মী তথা হাজো ৰাজহ চক্ৰৰ জ্যেষ্ঠ তৰণী যোগেন্দ্ৰ নাথ মজুমদাৰৰ আজি পুৱা আঠ বজাত চিকিৎসাধীন অৱস্থাত জি এম চি এইচত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৮২ বছৰ। জানিব পৰা মতে, কালি নিশাৰ ভাগত হঠাৎ অসুস্থ হৈ পৰাত পৰিয়ালৰ লোকে হাজো বিষ্ণু ৰাম মেধি এফ আৰ ইউত ভৰ্তি কৰে যদিও অৱস্থা অতি গুৰুতৰ হোৱাত চিকিৎসকে জিএমচিএইচলৈ প্ৰেৰণ কৰে। জানিব পৰা মতে, সুদীৰ্ঘ ৩৩ বছৰ ধৰি হাজো ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ত তৰণী হিচাপে কালিলৈকে কাম কৰি থকাৰ লগতে হাজো ৰাজহ চক্ৰ তৰণী সন্থাৰ উপদেষ্টা পদত কাৰ্যনিবাহ কৰি আছিল।



তদুপৰি হাজো নমঃশূদ্ৰ মা মনসা মন্দিৰ পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি অগপৰ ২নং হাজো আঞ্চলিকৰ সভাপতি হিচাপে দীৰ্ঘদিন ধৰি কাৰ্যনিৰ্বাহক কৰিছিল। তেওঁ সাতডলাৰ বিষ্ণুপুৰ, হাজো মাজৰচুপা অঞ্চলৰ বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠান ৰ লগত ওতঃপ্ৰোতভাৱে জড়িত হৈ আছিল। তেওঁৰ আকস্মিক মৃত্যুত হাজো ৰাজহ চক্ৰ বিষয়া জাহ্নৱী সোণোৱাল, তৰণী সন্থাৰ সভাপতি অচ্যুত মেধি, সম্পাদক ওৱাজুৰ ৰহমান, প্ৰাক্তন মন্ত্ৰী নুৰুল হুছেইন, আছুৰ উপদেষ্ট প্ৰকাশ চন্দ্ৰ দাস, এমট্ৰনৰ উপ-প্ৰবন্ধক দীনমণি ভাণ্ডাৰ কায়স্থ , আতাউৰ ৰহমান প্ৰমুখ্যে অঞ্চলটোৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, ব্যক্তিয়ে শোক প্ৰকাশ কৰি শোক সন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে। মৃত্যুৰ সময়ত পত্নী, তিনি পুত্ৰ, জী-জোঁৱাই নাতি-নাতিনীসহ বহু আত্মীয়ক এৰি যায়।

# গৌৰীপুৰৰ ৰাজহ চক্ৰৰ লাট মণ্ডল ৰঞ্জিত কুমাৰ দাসক নিলম্বন

**দৈনন্দিন বাৰ্তাৰ সেৱা, গৌৰীপুৰ, ২১ জুলাইঃ** গৌৰীপুৰৰ ৰাজ পৰিয়ালৰ ভূমিক লৈ জালিয়াতি কৰাৰ অভিযোগত লাট মণ্ডল ৰঞ্জিত কুমাৰ দাসক নিলম্বন কৰে ধুবুৰী জিলাৰ উপায়ুক্তই। ধুবুৰী চহৰত অৱস্থিত গৌৰীপুৰ ৰাজহ চক্ৰৰ লাট মণ্ডল ৰঞ্জিত কুমাৰ দাসক চিঠি নং ডি আৰ কে ৬৬ - ২০২২- ২৫ নিৰ্দেশ মৰ্মে নিলম্বন কৰে ধুবুৰী জিলাৰ উপায়ুক্ত আন্বামুথন এমপিয়ে। গৌৰীপুৰ ৰাজ পৰিয়ালৰ সদস্য মৌচুমী বৰুৱাৰ অভিযোগৰ ভিত্তিত ধুবুৰী জিলা প্ৰশাসনে তদন্ত কৰি নিলম্বন কৰিছে লাট মণ্ডল ৰঞ্জিত কুমাৰ দাসক। গৌৰীপুৰৰ ৰাজ পৰিয়ালৰ মৌচুমী বৰুৱা, অৰ্পিতা বৰুৱাৰ লগতে মৃত্যু হোৱা শ্যামলেশ চন্দ্ৰ বৰুৱাৰ চকী জাল কৰি ভূমি বিক্ৰী কৰাত সহযোগিতা কৰিছিল লাট মণ্ডলগৰাকীয়ে। মাটি বিক্ৰীৰ অনুমতিপ্ৰদানত পাট্টাদাৰৰ চহী জালিয়াতি কৰিছিল ৰঞ্জিত কুমাৰ দাসে। অবৈধভাৱে বিক্ৰী কৰিছিল মাটি। এই সন্দৰ্ভত জিলা প্ৰশাসনক লিখিত অভিযোগ দাখিল কৰিছিল ৰাজ পৰিয়ালৰ জীয়ৰী মৌচুমী বৰুৱাই।


# শিৱসাগৰ জিলাত গাহৰিৰ সৰবৰাহ আৰু বিক্ৰীত নিষেধাজ্ঞা

**দৈনন্দিন বাৰ্তাৰ বিশেষ প্ৰতিনিধি, শিৱসাগৰ, ২১ জুলাই ঃ** সাম্প্ৰতিক শিৱসাগৰ জিলাৰ কেতবোৰ অঞ্চলত আফ্ৰিকান ছোৱাইন ফিভাৰ ৰোগৰ প্ৰাদুৰ্ভাৱৰ প্ৰতি লক্ষ্য ৰাখি আৰু এই ৰোগৰ সংক্ৰমণ ৰোধ কৰাৰ বাবে সমগ্ৰ শিৱসাগৰ জিলাত গাহৰিৰ সৰবৰাহ, বিক্ৰী, গাহৰিৰ মাংস বিক্ৰী আদি নিষিদ্ধ কৰি শিৱসাগৰ জিলাৰ অতিৰিক্ত জিলা দণ্ডাধীশ বিতোপন নেওগে তৎকালীনভাৱে কাৰ্যকৰী হোৱাকৈ ভাৰতীয় ফৌজদাৰী কাৰ্যবিধি আইনৰ ১৪৪ ধাৰা জাৰি কৰিছে। এই নিষেধাজ্ঞা অনুসৰি সমগ্ৰ শিৱসাগৰ জিলাতে গাহৰিৰ মাংস, গাহৰি মাংসৰ পৰা উৎপাদিত খাদ্য সামগ্ৰী আৰু গাহৰিৰ সৰবৰাহ নিষেধ কৰা হৈছে ।গাহৰিৰ মাংস আৰু গাহৰি মাংসৰ পৰা উৎপাদিত খাদ্য সামগ্ৰীৰ বিক্ৰী নিষেধ কৰা হৈছে । গাহৰি কটা আৰু বেচা-কিনা সম্পূৰ্ণৰূপে নিষেধ কৰা হৈছে । গাহৰি মৰিলে পশু চিকিৎসা বিভাগৰ দৃষ্টিগোচৰ কৰিব লাগিব আৰু মৃত গাহৰিৰ শৰীৰটো জৈৱ সুৰক্ষা পদ্ধতিৰে দকৈ গাঁত খান্দি পুতি পেলাব লাগিব। গাহৰি উৎপাদকসকলে অন্য ঠাইলৈ যাতে ৰোগ সংক্ৰমণ নহয় তাৰ বাবে জৈৱ সুৰক্ষা পদ্ধতি মানি চলিব লাগিব । যি কোনো ধৰণৰ গাহৰিৰ খাদ্য সৰবৰাহৰ বাবে পশু চিকিৎসা বিভাগৰ অনুমতি লব লাগিব । এই নিষেধাজ্ঞা সমগ্ৰ শিৱসাগৰ জিলাতে তৎকালীনভাৱে বলৱৎ হৈছে আৰু নিষেধাজ্ঞা অমান্যকাৰী সকল ভাৰতীয় দণ্ডবিধি আইনৰ ১৮৮ ধাৰা অনুসৰি দণ্ডনীয় হ'ব ।

# ৰহাৰ পূব সৰাগাঁৱৰ গম্ভীৰ ডেকাৰ জাপানীজ এনকেফেলাইটিছত মৃত্যু

## অঞ্চলত শোকৰ ছাঁ, ৰহাত তৃতীয়জন লোকৰ মৃত্যু

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰহা, ২১ জুলাই ঃ** নগাঁও জিলাৰ ৰহা থানাৰ অন্তৰ্গত পূব সৰাগাঁও নিৱাসী বিশিষ্ট সমাজ সেৱক গম্ভীৰ ডেকা (৭৮) যোৱা ২০ জুলাইৰ নিশা ১১ বজাত গুৱাহাটী জি এম চি এইচ চিকিৎসালয়ত জাপানীজ এনকেফ্লাইটিছত মৃত্যু হয়। এই ৰোগত ৰহাৰ হাৰিয়ামুখৰ লক্ষ্মীকান্ত নাথ, মধ্য দীঘলদৰিৰ চন্দ্ৰকান্ত নাথৰ মৃত্যুৰ পাছত মৃত্যুৰ সংখ্যা তৃতীয়জন হ'ল। মৃত ডেকা এগৰাকী কোচ সম্প্ৰদায়ৰ নামঘৰীয়া, মেধি, অঞ্চলৰ বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত



জড়িত। এসময়ত অসম গণ পৰিষদৰ কৰ্মী হোৱাৰ লগতে অসম গণ পৰিষদৰ ভাতৃ সংগঠন কৃষক পৰিষদৰো সক্ৰিয় কৰ্মী আছিল। পূব সৰাগাঁও উন্নয়ন সমিতি, পূব সৰাগাঁও ববৰাআটি মধুপুৰ ৰঙালী বিহু উৎসৱ উদ্‌যাপন সমিতি আদিৰ লগত ওতপ্ৰোত জড়িত হৈ সমাজ জীৱনৰ পাতনি মেলি গাঁও তথা অঞ্চলৰ পৰিচিত ব্যক্তি। তদুপৰি আউনীআটী সত্ৰৰ লগতো জড়িত ব্যক্তি হৈ নানান সামাজিক কাম কৰিছিল। এই গৰাকী ব্যক্তিৰ বিয়োগত অঞ্চলটোত গভীৰ শোকৰ ছাঁ পৰিছে। মৃত্যুৰ সময়ত পত্নী, দুই পুত্ৰ-বোৱাৰী নাতি- নাতিনী, পৰিয়ালৰ লগতে আত্মীয় স্বজনক ইহ সংসাৰত এৰি যায় । সদ্য প্ৰয়াত গম্ভীৰ ডেকাৰ মৃত্যুত পূব সৰাগাঁও ববৰাআটি মধুপুৰ ৰঙালী বিহু উৎসৱ উদ্‌যাপ সমিতি, পূব সৰাগাঁও সেউজ সাধনা শিল্পী সমাজ, ৰহা আঞ্চলিক মানৱ অধিকাৰ সংগ্ৰাম সমিতি আৰু পূব সৰাগাঁও কোচ সম্প্ৰদায়ৰ নামঘৰ সমাজে অতিশয় দুখ প্ৰকাশ কৰি ডেকাৰ আত্মাৰ চিৰশান্তি কামনা কৰি শোক সন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

# ৰাইচাপৰিত দঃঞিপঃল য়েলামলৈ ভূমিদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, উত্তৰ ধেমাজি, ২১ জুলাই ঃ** উত্তৰ ধেমাজিৰ অন্তৰ্গত বৃহত্তৰ ৰাইচাপৰি অঞ্চলৰ দঃঞি পঃল ধৰ্মত দিক্ষীত লোকসকলৰ উন্নয়ন,প্ৰসাৰ প্ৰচাৰৰ অৰ্থে গাংগৃং নিৰ্মাণৰ হেতু ধেমাজি নগৰৰ দঃঞি পঃলৰ প্ৰতিষ্ঠাপক সদস্য অৱসৰপ্ৰাপ্ত ফাৰ্মাচিষ্ট, সমাজ কৰ্মী তথা দঃঞি পঃল য়েলামৰ দঃঞি পঃল য়েলাম পৰিয়ালক ভূমি দান দি উপকাৰ সাধন কৰাত সমূহ দঃঞি পঃলত দিক্ষীত ৰাইচাপৰি ৰাইজে মিবু গালুগ্ আৰু মিচিং ৰুম্বুঙেৰে ভূমি দাতা বিপিন মিলি আৰু সহধৰ্মিণী বিলাতী মিলিক সম্বৰ্ধনা জনায়। ভূমি দান কাৰ্যসূচীত দঃঞিপঃল য়েলামৰ কেন্দ্ৰীয় সভাপতি ডাঃ বিদ্যেশ্বৰ



শুভাকাংক্ষী বিপিন মিলি আৰু তেওঁৰ সহধৰ্মিণী বিলাতী মিলি উপস্থিত হৈ ৰাইজৰ সাক্ষাতত ৰাইচাপৰি টঙনাপৰাস্থিত ৰাইচাপৰি ১নং মেপৰ মুঠ দুই কঠা ভূমি দান হিচাপে প্ৰদান কৰাৰ কথা ৰাইজৰ আগত আশ্বাস প্ৰদান কৰে। ৰাইচাপৰি টাইড,মিচিং বাঃনী কৌবাঙৰ উপ-সভাপতি তথা দঃঞি পঃল য়েলামৰ মুখপত্ৰ একলব্য গাম, কেন্দ্ৰীয় সদস্য মণিকান্ত পাইট, এম এম কেৰ ধেমাজি জিলাৰ সম্পাদক দেবৰাম টায়ে আদিও উপস্থিত থাকে।

**SHORT NOTICE INVITING TENDER**

No: GPMS/8/2022/1

Sealed tenders eventually to he drawn in F-2 form affixing not refundable Court Fee Stamps of Rs.8.25 (Rupees Eight and paisa Twenty Five)only and with a validity period of 180(one hundred eighty) days are invited from the registered contractors of APWD Bldg. works for the work as detailed below and will be issued in the office of the undersigned on 25/07/2022 and received up to 14.00 hours of 29-07-2022 and will be opened on 2:30 pm in the same day at the office of the undersigned.

| Gr. No | Name of Work | Approx. value of work | Bid security (in Rs.) (Bank Drall/NSC/KVP | | Cost of document IPO/DD/ Banker Cheque (in Rs.) | Time of completion | Eligibility of contractor |
|---|---|---|---|---|---|---|---|
| | | | For Gen. category | (For SC/ST/ OBC/M OBC/UGE) | | | |
| 1 | 2 | 3 | 4 | 5 | 6 | 7 | 8 |
| 1 | Repairing and renovation of seats inside sky theatre hall at Guwahati Planetarium | 12 Lakh | 24,000/- | 12,000 | 1,000 | 30 (Thirty Days) | Class-I(A,B,C) Bldg. & Class-II & Ill category contractor only |

1. Detailed particulars and tender papers will be issued to the eligible contractor or their authorized agents with attested signature in application on 25/07/2022.
2. IPO and bid security must be payable in favour of the "The Director, Guwahati Planetarium."
3. Contractor must have prequalification documents having similar nature of works executed for last 3 (three) years.
4. The contactor will have to submit up to date registration certificate for the year 2021-22, GST,, Pan Card, Labour license, Partnership deed/Power of attorney in case of Proprietorship firm dully attested by self.
5. If any reason last date of receiving or issuing tender paper is declared holiday/bandh, tender will receive and opened on the next working days.
6. The undersigned will be the sole authority to cancel or accept any tender without showing any reason.
7. The short NIT will be a part of contract agreement.
8. Other details can be seen in the document.

/-
Director-cum-Member Secretary,
Guwahati Planetarium Management Society

Janasanyog/C/6864/22

# আজি অসম যুৱ অলিম্পিকৰ উদ্বোধনী অনুষ্ঠান

**গুৱাহাটী ২১ জুলাই ঃ** অসম অলিম্পিক সন্থাই প্ৰথমবাৰৰ বাবে আয়োজন কৰা অসম যুৱ অলিম্পিক ২০২২ কাইলৈৰ পৰা জাকজমকতাৰ মাজেৰে গুৱাহাটীত আৰম্ভ হ'ব। উল্লেখ্য যে ৰাজ্যৰ যুৱ খেলুৱৈসকলক এখন মঞ্চ দিয়াৰ উদ্দেশ্যে তথা নতুন প্ৰতিভা নিৰ্বাচন কৰি ৰাজ্যৰ ক্ৰীড়াক্ষেত্ৰক তৃণমুলৰ পৰা সুদৃঢ় কৰাৰ লক্ষ্যৰে অসম অলিম্পিক সন্থাই প্ৰথমবাৰৰ বাবে আয়োজন কৰিছে অসম যুৱ অলিম্পিক। কাইলৈ সন্ধিয়া ছয় বজাত সৰুসজাই ক্ৰীড়া প্ৰকল্পত হ'বলগা উদ্বোধনী অনুষ্ঠানত ৰাজ্যৰ জনপ্ৰিয় শিল্পীৰ সাংস্কৃতিক অনুষ্ঠানৰে আৰম্ভ হ'ব প্ৰথম অসম যুৱ অলিম্পিক গেমছ। অৰ্জুন বঁটা বিজয়ী মনালিছা বৰুৱা, কমলেছ মেহতাৰ লগতে অন্য প্ৰাক্তন খেলুৱৈৰ উপস্থিতি তথা ৰাজ্যৰ জনপ্ৰিয় শিল্পী প্ৰিয়ংকা ভৰালী, দীক্ষু, মৌচম গগৈ, ৰণজিৎ গগৈ, কৈলাস কুসুম আদিৰ সাংস্কৃতিক অনুষ্ঠানে প্ৰথম অসম যুৱ অলিম্পিক গেমছৰ মুকলি অনুষ্ঠান আকৰ্ষণীয় কৰিব বুলি আজি অনুষ্ঠিত এখন সংবাদমেলত অসম অলিম্পিক সন্থাৰ



সম্পাদক লক্ষ্য কোঁৱৰে জানিবলৈ দিয়ে। তেওঁ লগতে কয় যে অসম অলিম্পিক সন্থাই ২২-২৭ জুলাইলৈ অনুষ্ঠিত হ'বলগীয়া অসম যুৱ অলিম্পিকৰ বাবে পূৰ্ণ প্ৰস্তুতি অব্যাহত ৰাখিছে। প্ৰতিযোগিতাখনত অসমৰ ৩৫খন জিলাৰ খেলুৱৈয়ে ৩২টা ইভেন্টত পদকৰ বাবে খেলিব। কোঁৱৰে জনোৱা অনুসৰি প্ৰতিযোগিতাখনত ইতিমধ্যে ৪,১১৭গৰাকী খেলুৱৈ, ৭১১জন অফিচিয়েল আৰু ৬৫৪জন টেকনিকেল অফিচিয়েলে যোগদান কৰাটো নিশ্চিত হৈছে। উল্লেখ্য, খেলুৱৈ আৰু অফিচিয়েলৰ পঞ্জীয়ন অনলাইনযোগে কৰা হৈছে। ইফালে, খেলুৱৈসকলৰ দৈনিক খেলৰ সূচী তথা থকা, খোৱা আৰু যাতায়াত ব্যৱস্থাৰ সকলো তথ্য "এ ৰাই অ' ২০২২" শীৰ্ষক এপত উপলব্ধ হ'ব। অসম অলিম্পিক সন্থাই প্ৰথমবাৰলৈ হাইটেক ডিজিটেল মাধ্যমৰে সুৰুঙা নৰখাকৈ প্ৰতিযোগিতাখন আয়োজন কৰাৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিছে। ইফালে, কোঁৱৰে আজি স্পষ্ট কৰি দিয়ে যে অসম ল'ন বল সন্থাই নিৰ্ধাৰিত সময়ত খেলুৱৈৰ তালিকা জমা নিদিয়াৰ বাবে প্ৰতিযোগিতাখনৰ পৰা ল'ন বলক বাদ দিব লগা হ'ল। আজিৰ সংবাদমেলত প্ৰতিযোগিতাৰ মিডিয়া কমিটীৰ অধ্যক্ষ ৰূপম গোস্বামী তথা অসম অলিম্পিক সন্থাৰ সহকাৰী সম্পাদক অলক ত্ৰিপাঠী উপস্থিত থাকে। উল্লেখ্য যে গুৱাহাটীৰ মুঠ ১০টাকৈ ভেন্যুত অনুষ্ঠিত হ'ব এই অসম যুৱ অলিম্পিক। ইয়াৰ ভিতৰত আছে পল্টন বজাৰৰ ছাই কেন্দ্ৰ, দেশভক্ত তৰুণৰাম ফুকন ইনড'ৰ ষ্টেডিয়াম, সৰুসজাই এথলেটিকছ ষ্টেডিয়াম, এনএফ ৰে'লৰেৰ মালিগাঁও ইনড'ৰ ষ্টেডিয়াম, মহম্মদ তৈয়বুল্লা হকী ষ্টেডিয়াম, সোণাপুৰৰ এলএন আই পি ই ক্ৰীড়া প্ৰকল্প, কাহিলিপাৰা শ্বুটিং ৰেঞ্জ, চচল টেনিছ কৰ্ট, ভোগেশ্বৰী ফুকননী ইনড'ৰ ষ্টেডিয়াম আৰু দীঘলীপুখুৰী।

# আজি বিশ্ব এথলেটিকছ চেম্পিয়নশ্বিপত নীৰজ চোপ্ৰাৰ অভিযান

**নতুন দিল্লী, ২১ জুলাই ঃ** কাইলৈ বিশ্ব এথলেটিকছ চেম্পিয়নশ্বিপত ইতিহাস গঢ়াৰ লক্ষ্যৰে নামিব টকিঅ' অলিম্পিকৰ স্বৰ্ণজয়ী এথলীট নীৰজ চোপ্ৰা। ভাৰত সন্তান নীৰজ চোপ্ৰাৰ বিষয়ে নতুনকৈ কোৱাৰ প্ৰয়োজন নিশ্চয় নাই। ট'কিঅ' অলিম্পিকত আগবঢ়োৱা দুৰ্দান্ত প্ৰদৰ্শনৰ বাবে সকলোৰে হিয়াৰ মণি হৈ পৰা নীৰজে দেশলৈ কঢ়িয়াই আনিছে গৌৰৱ। ভাৰতমাতৃৰ শিৰৰ মুকুট উজলোৱা নীৰজৰ এতিয়া নতুন লক্ষ্য বিশ্ব এথলেটিকছ চেম্পিয়নশ্বিপত সোণ দখল কৰা। তাৰপাছতে বাৰ্মিংহাম কমনৱেলথ গেমছ। দুয়োখন প্ৰতিযোগিতা সন্দৰ্ভত নীৰজে কয়, 'চলিত বৰ্ষত এয়া মোৰ বাবে ডাঙৰ প্ৰতিযোগিতা। মই বিশ্ব চেম্পিয়নশ্বিপত চাপমুক্ত হৈ খেলিব বিচাৰোঁ। এই যুঁজ কঠিন হ'ব। প্ৰতিটো দিনেই বেলেগ বেলেগ। মোৰ লক্ষ্য অধিক দূৰত্বলৈ জেভলিন মাৰি পঠিওৱা।' উল্লেখ্য যে নীৰজে এইবাৰ ৯০ মিটাৰ দূৰত্ব অতিক্ৰম কৰিব বিচাৰিছে। ট'কিঅ' অলিম্পিকত স্বৰ্ণ জয় কৰা ভাৰতৰ প্ৰথমগৰাকী এথলীট নীৰজ চোপ্ৰাৰ নতুন পৰিকল্পনাই বিস্ময়-বিমুগ্ধ কৰি তুলিছে অনুৰাগীক। বিশ্ব এথলেটিকছ প্ৰতিযোগিতাত দেশৰ তাৰকা খেলুৱৈগৰাকীয়ে নিজৰ শ্ৰেষ্ঠতম প্ৰদৰ্শন আগবঢ়াবলৈহে অধিক আগ্ৰহী বুলি অৱগত কৰিছে। শেহতীয়াকৈ, ষ্ট'কহ'মত অনুষ্ঠিত ডাইমণ্ড লীগত নীৰজে ৮৯.৯৪ মিটাৰ দূৰত্বলৈ জেভলিন নিক্ষেপ



কৰি প্ৰায় ৯০ মিটাৰৰ ওচৰ চাপিছিল। আশা কৰা দূৰত্বৰ পৰা ছয় চেণ্টিমিটাৰ দূৰৈত অৱস্থান কৰিছিল নীৰজৰ জেভলিন। স্বাভাৱিকতে, বিশ্ব চেম্পিয়নশ্বিপত নীৰজে কেনেধৰণৰ প্ৰদৰ্শন দেখুৱাবলৈ সক্ষম হয় সেয়াহে হ'ব লক্ষণীয়।

## নগেন বৰা ফুটবল লীগত হোনোৱালৰ জয়

**গুৱাহাটী, ২১ জুলাই ঃ** মৰিয়নি ক্ৰীড়া সন্থাৰ উদ্যোগত ইয়াৰ বাপুজী ষ্টেডিয়ামত চলি থকা নগেন বৰা সোঁৱৰণী মৰিয়নি ফুটবল লীগত পূৰ্বৰ চেম্পিয়ন হোনোৱাল চাহ বাগিচাই আজিৰ খেলত জয়ী হৈ সম্পূৰ্ণ পইন্ট অৰ্জন কৰে। হোনোৱালে অজগৰৰ ষ্টাৰ ইলেভেল দলক ২-১ গ'লৰ ব্যৱধানত পৰাজিত কৰে। হোনোৱালৰ ৰাম ৰাও আৰু আকাশ কৰ্মকাৰে গ'ল কৰাৰ বিপৰীতে ষ্টাৰ ইলেভেনৰ বিতুল চবৰে একমাত্ৰ গ'লটো কৰে। খেলখন পৰিচালনা কৰে নিত্যৰঞ্জন ফুকন, বাবুল দেৱ, দীপক তাঁতী আৰু মিকু পাওগামে। ২২ জুলাইৰ খেলঃ হোলোংগুৰি চাহ বাগিচা ফুটবল একাদশ বনাম হাতীজুৰি চাহ বাগিচা ফুটবল একাদশ।

# ৱেষ্টইণ্ডিজত উপস্থিত ভাৰতীয় দল

## যুৱৰাজ সিঙৰ পৰা মানসিক শক্তি লৈছিল ঋষভ পণ্টে

**ত্ৰিনিদাদ, ২১ জুলাই ঃ** ঋষভ পণ্টৰ অপৰাজিত শতকৰ ওপৰত নিৰ্ভৰ কৰিয়েই ইংলেণ্ডৰ বিৰুদ্ধে তৃতীয় এদিনীয়া মেচখনত সহজেই জয়লাভ কৰিছিল ভাৰতে। ব্ৰিটিছৰ ভূমিত দখল কৰিলে এদিনীয়া শৃংখলা। উল্লেখ্য যে মানচেষ্টাৰৰ অ'ল্ড ট্ৰেফৰ্ডত ঋষভ পণ্টে অকলেই প্ৰতিযোগিতাৰ ৰূপ সলাই পেলাইছিল। টীম ইণ্ডিয়াৰ ২৪ বছৰীয়া উইকেটৰক্ষক-বেটছমেনগৰাকীক আকৌ এবাৰ দুৰন্ত ছন্দত দেখিবলৈ পোৱা গ'ল। কেৰিয়াৰৰ প্ৰথমটো এদিনীয়া শতক লাভ কৰাৰ পাছত উচ্ছসিত হৈ পৰে ভাৰতীয় বেটছমেনগৰাকী। মেচৰ অন্তত ২২ গজত শুনিবলৈ পোৱা গ'ল পণ্ট বন্দনা। পিছে ঋষভৰ এনে দৰ্শনীয় ইনিংছৰ নেপথ্যত পোহৰলৈ আহিছে বিশ্বকাপ বিজয়ী প্ৰাক্তন অলৰাউণ্ডাৰ যুৱৰাজ সিঙৰ নাম। যুৱৰাজ




সিঙে নিজেই টুইট কৰি এই কথা প্ৰকাশ কৰিছে। পণ্টৰ দৰ্শনীয় ইনিংছত বিমুগ্ধ যুৱৰাজ। যুৱৰাজে টুইটাৰত লিখিছে, '৪৫ মিনিটৰ কথা-বতৰাই স্বৰূপাৰ্থত কামত দিয়া বুলি মনে ধৰিছে! ঋষভে যিদৰে ইনিংছৰ গতি বজাই ৰাখিলে, ই নিশ্চিতভাৱে প্ৰশংসাৰ যোগ্য।' অৰ্থাৎ এই টুইটত যুৱৰাজে বুজাই দিছিল যে মানচেষ্টাৰ মেচৰ পূৰ্বে পণ্ট-যুৱৰাজৰ ৪৫ মিনিটৰ কথা-বতৰা হৈছিল। স্বাভাৱিকতে, যুৱৰাজৰ সৈতে তৰুণ ক্ৰিকেটাৰগৰাকীৰ বাৰ্তালাপ হোৱা কথাটো ক্ৰিকেট বিশ্বৰ বাবে সুখবৰ। বিভিন্ন সময়ত শচীন, ধোনীৰ দৰে অভিজ্ঞ তথা যুগজয়ী ক্ৰিকেটাৰৰ পৰা তৰুণ ক্ৰিকেটাৰসকলে নানা পৰামৰ্শ লোৱা দেখিবলৈ পোৱা যায়। এইবাৰ যুৱৰাজ সিঙকো এগৰাকী পৰামৰ্শদাতাৰ ৰূপত দেখিবলৈ পোৱা গ'ল। ইফালে, ইংলণ্ডৰ পৰা গৈ আজি ৱেষ্ট ইণ্ডিজত উপস্থিত হৈছে ভাৰতীয় দল। ভাৰত-ৱেষ্ট ইণ্ডিজৰ শৃংখলাৰ প্ৰথমখন মেচ অহা ২২ জুলাইত অনুষ্ঠিত হ'ব।

# অসম যুৱ অলিম্পিক ক্ৰীড়াৰ অগ্নিশিখা বহনকাৰী দলক কামৰূপ জিলাত বিপুল আদৰণি

**দৈনন্দিন বাৰ্তাৰ সেৱা, আমিনগাঁও, ২১ জুলাই ঃ** কাইলৈৰ পৰা অহা ২৭ জুলাইলৈ গুৱাহাটীত অনুষ্ঠিত হ'বলগীয়া অসম যুৱ অলিম্পিক ক্ৰীড়াৰ অগ্নি শিখা কঢ়িয়াই অনা দলটোক আজি কামৰূপ জিলা ক্ৰীড়া সন্থা আৰু কামৰূপ জিলা প্ৰশাসনৰ তৰফৰ পৰা উষ্ম আদৰণি জনোৱা হয়। এই উপলক্ষে কামৰূপ জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত তথা জিলা প্ৰশাসনৰ সহযোগত আমিনগাঁওস্থিত সংহত জিলা উপায়ুক্ত কাৰ্যালয় চৌহদত এক বিশেষ আদৰণী অনুষ্ঠানৰ আয়োজন কৰা হয়। উল্লেখ্য যে ৰাজ্যখনৰ যুৱ ক্ৰীড়াবিদসকলৰ প্ৰতিভা বিকশাই তোলাৰ লক্ষ্যৰে অসম অলিম্পিক সন্থাৰ উদ্যোগত এই যুৱ অলিম্পিক ক্ৰীড়াৰ আয়োজন কৰা হৈছে। অসম অলিম্পিক সন্থাৰ সহকাৰী সম্পাদক হীৰেন গগৈৰ নেতৃত্বত অহা এই অসম যুৱ অলিম্পিক ক্ৰীড়াৰ অগ্নি শিখা ধেমাজি জিলাৰ পৰা আৰম্ভ হৈ ৭খন জিলা অতিক্ৰম কৰি আজি কামৰূপ জিলাত প্ৰৱেশ কৰি উক্ত আদৰণী অনুষ্ঠানৰ পিছতে পুনৰ কামৰূপ মহানগৰ জিলাৰ গুৱাহাটীলৈ ৰাওনা হয়। অসম অলিম্পিক ক্ৰীড়াৰ অগ্নি শিখা কঢ়িয়াই অনা দলটোক আদৰণি জনোৱা অনুষ্ঠানত অসম অলিম্পিক সন্থাৰ সহকাৰী সম্পাদক হীৰেন গগৈ, কামৰূপ জিলাৰ আৰক্ষী অধীক্ষক হিতেশ চন্দ্ৰ ৰায়, জিলা উন্নয়ন আয়ুক্ত নৰসিং বেই খেলুৱৈসকলক প্ৰেৰণা প্ৰদানেৰে বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত কামৰূপ জিলাৰ অতিৰিক্ত উপায়ুক্ত সিদ্ধাৰ্থ গোস্বামী, সহকাৰী আয়ুক্ত অম্বৰীশ বড়া, কৌস্তভ ৰায়, আন্তঃৰাষ্ট্ৰীয় জিমনাষ্টিক খেলুৱৈ স্নেহা ভৰালী, আন্তঃৰাষ্ট্ৰীয় টাইকোৱানডো খেলুৱৈ মৈত্ৰী শৰ্মা, টাইকোৱানডোৰ আন্তঃৰাষ্ট্ৰীয় ৰেফাৰী দিগন্ত বৰা, আন্তঃৰাষ্ট্ৰীয় পদকপ্ৰাপ্ত কাৰাটে খেলুৱৈ দীপাংকৰ মজুমদাৰ, কামৰূপ জিলা ক্ৰীড়া সন্থাৰ সম্পাদক প্ৰাঞ্জল বড়াগোহাঁই, যুটীয়া সম্পাদক ধীৰেন দাস প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

# সদৌ অসম টাইকোৱানডো প্ৰতিযোগিতাত ৰূপৰ পদক লাভ হৃদয়পৰশ দাসৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙিয়া, ২১ জুলাই ঃ** বঙাইগাঁও জিলাৰ অভয়াপুৰী মহাবিদ্যালয় খেলপথাৰত ৩৭সংখ্যক সদৌ অসম ভিত্তিত টাইকোৱানডো প্ৰতিযোগিতা অনুষ্ঠিত হয়। উক্ত প্ৰতিযোগিতাত কামৰূপ জিলাৰ ৰঙিয়া মহকুমাৰ অন্তৰ্গত বালিসত্ৰ নিবাসী হৃদয়পৰশ দাসে ৰূপৰ পদক লাভ কৰি অঞ্চলটোলৈ সুনাম কঢ়িয়াই আনিছে। উল্লেখ্য যে হৃদয়পৰশ দাসে ২০২০ চনৰ জানুৱাৰীত অনুষ্ঠিত মুম্বাইৰ নাচিকত ৰাষ্ট্ৰীয় টাং ছ' ড' চেম্পিয়নশ্বিপত সোণৰ পদক অৰ্জন কৰিবলৈ সক্ষম হৈছিল। বালিসত্ৰৰ পংকজ কুমাৰ দাস আৰু সংগীতা দাসৰ সুযোগ্য পুত্ৰ হৃদয়পৰশ দাসে সদৌ অসম ভিত্তিত টাইকোৱানডো প্ৰতিযোগিতাত ৰূপৰ পদক লাভ কৰাত অঞ্চলবাসী অতি উৎফুল্ল হৈ পৰিছে। খেলুৱৈ হৃদয়পৰশ দাসে ৰূপৰ পদক লাভ কৰি নিজ বাসগৃহ আহি পোৱাৰ



লগে লগে বালিসত্ৰ আঞ্চলিক সাহিত্য সভা (স্বৰ্ণ শাখা)ৰ সম্পাদক সুশীল চন্দ্ৰ ডেকা, শিৱানী সংঘৰ সম্পাদক অবিনাশ কলিতা, সমাজসেৱক বাসৱ চন্দ্ৰ কলিতা, যুৱ সমাজসেৱক তিলক ডেকা, মন্দিৰ পৰিচালনা সমিতিৰ সম্পাদক গণেশ কলিতাই গামোচা শৰাই আদিৰে সম্বৰ্ধনা জনায়। লেংডন টাইকোৱানডো একাডেমী, গুৱাহাটীৰ প্ৰশিক্ষক নৱজিৎ বৰ্মনৰ তত্ত্বাৱধানত হৃদয়পৰশ দাসে প্ৰশিক্ষণ লৈ আছে।

# নাজিৰাতো অলিম্পিক শিখাক আদৰিলে ৰাজহুৱাকৈ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নাজিৰা, ২১ জুলাই ঃ** নাজিৰা জিলা ক্ৰীড়া সন্থাৰ লগতে সদৌ শিৱসাগৰ জিলা ছাত্ৰ সন্থাই উদ্যোগ গ্ৰহণ কৰি কালি অসম অলিম্পিক সন্থাই প্ৰেৰণ কৰা যুৱ অলিম্পিক শিখা নাজিৰাত ৰাজহুৱাকৈ আদৰণি জনাই অতিৰিক্ত উপায়ুক্ত তথা নাজিৰা মহকুমাৰ ভাৰপ্ৰাপ্ত মহকুমাধিপতি সব্যসাচী কাশ্যপে। নাজিৰা জিলা ক্ৰীড়া সন্থাৰ সম্পাদক গোপাল গগৈ, কাৰ্যকৰী সভাপতি আব্দুল ৰহমান, উপ-সভাপতি বিজয় চন্দ্ৰ বৰা আৰু সদৌ অসম ছাত্ৰ সন্থাৰ শিৱসাগৰ জিলাৰ সভাপতি মানৱ হাজৰিকা উপস্থিত থাকি নাজিৰাত পদাৰ্পণ কৰা অলিম্পিক শিখা বহনকাৰী প্ৰতিনিধিদ্বয় ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থাৰ বিষয়-ববীয়া মানৱজিৎ শইকীয়া, বিদ্যুৎ বিকাশ দেউৰীক গামোচাৰে আদৰণি জনায়। নাজিৰা নগৰৰ মাজেদি নাট্য মন্দিৰলৈ আগবঢ়া যুৱ অলিম্পিক শিখা সমদলত ভাগ লয় আন্তঃৰাষ্ট্ৰীয় ফুটবলাৰ প্ৰাঞ্জল ভূমিজ, ৰাষ্ট্ৰীয় খেলুৱৈ স্বপন গগৈ, শান্তনু গগৈ, সঞ্জীৱ সোণোৱাল, যোগেন মেছ, ৰাহুল শইকীয়া, উমেশ গগৈ, বীৰেন তামুলী, প্ৰাণজিৎ বৰুৱা, দেৱজিৎ গগৈ, জ্যোতি উত্তম বৰা, দীপু দাসৰ লগতে গড়গাঁও ফুটবল ক'চিং চেণ্টাৰ আৰু নাজিৰা ক্ৰিকেট একাডেমীৰ প্ৰশিক্ষাৰ্থীসকলে। পিছত অলিম্পিক শিখা শিৱসাগৰলৈ আগবঢ়াই নিয়া হয়।



# পীড়াকটা ক্ৰীড়া সন্থাৰ উদ্যোগত অনুষ্ঠিত ফুটবল প্ৰশিক্ষণ সামৰণি

**দৈনন্দিন বাৰ্তাৰ সেৱা, কাকজান, ২১ জুলাই ঃ** পীড়াকটা ক্ৰীড়া সন্থাৰ উদ্যোগত অনুষ্ঠিত ফুটবল প্ৰশিক্ষণৰ সামৰণি সফলভাৱে অন্ত পৰে বুধবাৰে। উক্ত সামৰণী অনুষ্ঠানত সভাপতিত্ব কৰে নগেন বুঢ়াগোহাঁয়ে। লগতে উপস্থিত থাকে বৰভেটা স্পৰ্টছ ক্লাবৰ হৈ লুহিত হেমৰম, ডব্লিউ এম মিটাই আৰু বুমন শইকীয়া আৰু স্থানীয় ব্যক্তি সূৰ্য ফুকন আৰু দেৱেন বুঢ়াগোহাঁইৰ লগতে বহুকেইজন বিশিষ্ট ব্যক্তি। উল্লেখ্য যে বাইচুং ভূটীয়া একাডেমীৰ দ্বাৰা প্ৰশিক্ষণপ্ৰাপ্ত প্ৰশিক্ষক পংকজ নেওগ আৰু স্থানীয় প্ৰশিক্ষক নন্দ বৰাৰ নেতৃত্বত ১৯ দিনীয়া প্ৰশিক্ষণৰ পৰিচালনা হয়। প্ৰশিক্ষণৰ অন্তত ছোৱালী প্ৰশিক্ষাৰ্থী কাকজান ক'চিং ক্লাব আৰু পীড়াকটা ক'চিং ক্লাবৰ ছোৱালীসকলৰ মাজত এখন খেল অনুষ্ঠিত কৰে। পীড়াকটা ক্ৰীড়া সন্থাৰ উদ্যোগত অনুষ্ঠিত ফুটবল প্ৰশিক্ষণ স্থানীয় ৰাইজৰ সহায়-সহযোগিতাৰে সফল সমাপ্তি হয় বুলি জানিবলৈ দিয়ে উদ্যোক্তামণ্ডলীয়ে। লগতে কয় যে এই প্ৰশিক্ষণৰ পৰা প্ৰশিক্ষাৰ্থীসকল যথেষ্ট উপকৃত হ'ব।



# ৰাজ্যিক থাই বক্সিং চেম্পিয়নশ্বিপৰ সফল সামৰণি

**গুৱাহাটী,১৯ জুলাই ঃ** ওদালগুৰি জিলাৰ বৃহত্তৰ ভেৰগাঁও মহকুমাৰ অন্তৰ্গত ক্ৰীড়া নগৰী টংলাৰ টংলা উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত যোৱা ১৫ ৰ পৰা ১৭ জুলাইলৈকে তিনিদিনীয়াকৈ অনুষ্ঠিত চতুৰ্থ সদৌ অসম থাই বক্সিং চেম্পিয়নশ্বিপৰ যোৱানিশা সফল সামৰণি পৰে। ওদালগুৰি জিলা থাইবক্সিং সন্থাই আয়োজন কৰা সদৌ অসম ভিত্তিত অনুষ্ঠিত প্ৰতিযোগিতাত অসমৰ ২১খন জিলাৰ পৰা প্ৰায় তিনি শতাধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। পুৰুষ-মহিলাৰ উভয়ৰে মাজত অনুষ্ঠিত হোৱা ছাব জুনিয়ৰ, জুনিয়ৰ আৰু ছিনিয়ৰ ইভেণ্টৰ খেলত সোণ, ৰূপ আৰু ব্ৰঞ্জৰ পুৰস্কাৰ বিজয়ীসকলক পুৰস্কাৰ প্ৰদান কৰাৰ পিছতে নিশা সাংস্কৃতিক অনুষ্ঠানত মানসী চহৰীয়াই গীতৰ শৰাই আগবঢ়ায়। থাই বক্সিং সন্থা, অসমৰ সভাপতি নৰেন চন্দ্ৰ বসুমতাৰী, কাৰ্যকৰী সভাপতি খৰ্গেশ্বৰ বৰা, সম্পাদক ৰিতুমণি ৰাভা, থাই বক্সিং সন্থা, অসমৰ অধ্যক্ষ দিঠকানন্দ হাজৰিকা, বিটিচিৰ কাৰ্যবাহী সদস্য দিগন্ত বৰুৱা, উদ্‌যাপন সমিতিৰ সভাপতি প্ৰফুল্ল ৰাভা, ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ৰ স্নাতক তথা বিশিষ্ট নাট্যযোদ্ধা পৱিত্ৰ ৰাভা উপস্থিত থকা সামৰণী অনুষ্ঠানত আন্তৰ্জাতিক কাবাদী ৰেফাৰী নমল ৰাভা, সদৌ অসম থাই বক্সিং সন্থা, অসমৰ সম্পাদক ৰিতুমণি ৰাভায়ো পদক বিতৰণ কৰে।

# উদয়ন, কাজিৰঙা, নাৰেংগীৰ জয়

**গুৱাহাটী, ২১ জুলাই ঃ** নেহৰু ষ্টেডিয়ামত চলি থকা গুৱাহাটী ক্ৰীড়া সন্থাৰ ১৩ অনুৰ্দ্ধ ফুটবল প্ৰতিযোগিতাৰ দ্বিতীয় ছিজনৰ আজিৰ খেলসমূহত জয়লাভ কৰিছে উদয়ন কৃষ্টি সংঘ, কাজিৰঙা এফচি আৰু নাৰেংগী এফচিচিয়ে। আজি দুপৰীয়া অনুষ্ঠিত প্ৰথম দুখন খেলত উদয়ন কৃষ্টি সংঘই গুৱাহাটী ইয়ং ষ্টাৰ এফচিচিক ৮-০ গ'লত পৰাস্ত কৰে। উদয়নৰ হৈ বিশাল ডেকাই চাৰি গ'ল আৰু জয়দীপ বড়োৱে তিনিটা গ'ল দিয়ে। আনহাতে, একে সময়তে হোৱা গুৱাহাটী চিটী এফচি আৰু আছাম ৰাৱিয়ৰ্ছৰ মাজৰ খেলখন গ'লশূন্যভাৱে ড্ৰ হয়। বিয়লি অনুষ্ঠিত এখন খেলত নাৰেংগী এফচিচিয়ে লায়নফ'ৰ্ড এফচিক ৩-১ গ'লত পৰাস্ত কৰে। একে সময়তে হোৱা আন এখন খেলত কাজিৰঙা এফচিয়ে চন্দ্ৰপুৰ এফচিচিক ১৩-০ গ'লত পৰাস্ত কৰে। কাজিৰঙাৰ ৰাজবীৰ মণ্ডলে সাতটা গ'ল কৰে ।

# গুৱাহাটীত অনুষ্ঠিত হ'বলগীয়া যুৱ অলিম্পিকলৈ শিৱসাগৰৰ ল'ৰা-ছোৱালীৰ নেটবল দল ৰাওনা

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিমৌ, ২১ জুলাই ঃ** ২৩ৰ পৰা ২৭ জুলাইলৈকে গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত অনুষ্ঠিত হ'বলগীয়া যুৱ অলিম্পিকলৈ শিৱসাগৰৰ জিলা জুনিয়ৰ নেটবলৰ ২৪জনীয়া ল'ৰা-ছোৱালীৰ দল দুটা ঘোষণা কৰা পিছতে আজি গুৱাহাটী অভিমুখে ৰাওনা হৈছে। ছোৱালীৰ নেটবল দলত পদ্মেশ্বৰী টায়ে, দীপামণি চেতিয়া, কৃষ্ণালী গড়, পল্লৱী দত্ত, বীণামণি গগৈ, বিজয়া টায়ে, ববিতা কাঁহাৰ, মিনা খেৰুৱা, দীপা টায়ে, দীপালী কাৰদং, জীতামণি ভৰলুৱা আৰু মমিতা মিৰ্ধা। ল'ৰাৰ দলটোত মাধুৰ্য বৰুৱা, অৰ্চিড গগৈ, প্ৰবালজ্যোতি গগৈ, উজ্জ্বল খনিকৰ, আকাশ বৰগোহাঁই, উৎপল চাংমাই, বিদ্যাধৰ গগৈ, কল্পজ্যোতি কলিতা, উদ্দীপন কোঁৱৰ, উদ্দিপ্ত কোঁৱৰ, অৰণ চেতিয়া আৰু অৰ্ণৱ চেতিয়া। আজি এই দল দুটাত প্ৰশিক্ষক হিচাপে ৰাওনা হৈছে বিতোপন চাংমাই, বিশ্বজিৎ দিহিঙীয়া আৰু টীম মেনেজাৰ হিচাপে ৰিতুমণি দত্ত। দুয়োটা দলকে শিৱসাগৰ জিলা নেটবল সন্থাই শুভেচ্ছা জনাইছে।




# এ ডিভিজন ফুটবলত মিলনজ্যোতি-নেপথ্যৰ খেল ড্ৰ

**গুৱাহাটী, ২১ জুলাই ঃ** যোৰহাট এ ডিভিজন ফুটবল লীগৰ আজি বি গ্ৰুপৰ দুয়োটা দলৰ অন্তিমখন খেলত মিলনজ্যোতি ক্লাব আৰু নেপথ্য ক্লাবে ২-২ গ'লত ড্ৰ খেলি পইন্ট ভগাই লয়। দুয়োটা দলে লীগৰ চাৰি খন খেলত দুখন পৰাজয় এখন জয়ী আৰু এখন ড্ৰ খেলি মুঠ চাৰি পইন্ট লাভ কৰে। কিন্তু দুয়োটা দল ছেমিফাইনেলত উপনীত হোৱাৰ যোগ্যতা অৰ্জন কৰিব নোৱাৰিলে। আজি খেলত নেপথ্য ক্লাবৰ শংকৰ মিৰ্ধাই ৩২ আৰু ৪৪ মিনিটত গ'ল দি নেপথ্য ক্লাবক ২-০ ত অগ্ৰগতি দিয়ে যদিও দ্বিতীয়াৰ্ধত মিলনজ্যোতি সংঘৰ বিদুৎ গগৈয়ে ৪৬ মিনিটত গল দি ২-১ লৈ হ্ৰাস কৰাৰ পাছত তুচুকুঞ্জ ঘাটোৱাৰে ৫৬ মিনিটত গ'ল কৰি সমতা স্থাপন কৰে। আজি খেল পৰিচালনা কৰে বিমান বুঢ়াগোহাঁইয়ে । লাইনত থাকে পৱন পাঠক আৰু সুমন্ত দত্ত। চতুৰ্থ অনন্ত বৰা। ২২ জুলাই খেল ঃ বৰভেটা স্পৰ্টচ ক্লাব বনাম ৰেডিয়েণ্ট ক্লাব।

# অসম যুৱ অলিম্পিকলৈ নেটবল দল ৰাওনা

**গুৱাহাটী, ২১ জুলাই ঃ** গুৱাহাটীত অনুষ্ঠিত হ'বলগীয়া যুৱ অলিম্পিকলৈ শিৱসাগৰৰ জিলা জুনিয়ৰ নেটবলৰ ২৪ জনীয়া ল'ৰা-ছোৱালীৰ দল দুটা ঘোষণা কৰাৰ পিছতে আজি গুৱাহাটীলৈ ৰাওনা হৈছে। ছোৱালীৰ নেটবল দলটো হ'ল ঃ পদ্মেশ্বৰী টায়ে,দীপামণি চেতিয়া, কৃষ্ণালী গড়, পল্লবী দত্ত, বিনীমণি গগৈ, বিজয়া টায়ে, ববিতা কাঁহাৰ,মিনা খেৰুৱা, দীপা টায়ে,দীপালী কাৰদং, জীতামণি ভৰলুৱা আৰু মমিতা মিৰ্ধা। আনহাতে, ল'ৰাৰ দলটো হ'ল ঃ মাধুৰ্য বৰুৱা, অৰ্চিড গগৈ, প্ৰৱালজ্যোতি গগৈ, উজ্জ্বল খনিকৰ, আকাশ বৰগোহাঁই, উৎপল চাংমাই, বিদ্যাধৰ গগৈ, কল্পজ্যোতি কলিতা, উদ্দিপন কোঁৱৰ, উদ্দীপ্ত কোঁৱৰ, অৰুণ চেতিয়া আৰু অৰ্ণৱ চেতিয়া। প্ৰশিক্ষক বিতোপন চাংমাই, বিশ্বজিৎ দিহিঙীয়া আৰু টিম মেনেজাৰ হিচাপে ৰিতুমণি দত্ত। ৰেফাৰী হিচাপে নিৰ্বাচিত হৈছে বীৰেন্দ্ৰ গগৈ, কুলদীপ দিহিঙীয়া, জীনামণি ভৰালী।

# যুৱ অলিম্পিকলৈ বাক্সাৰ ১২০জনীয়া দল

**গুৱাহাটী, ২১ জুলাই ঃ** অসম অলিম্পিক সন্থাৰ উদ্যোগত হ'বলগা অসম যুৱ অলিম্পিক শিখা ৰেলী আজি বাক্সা জিলাৰ বাথৌপুৰী ক্ৰীড়া প্ৰকল্পত আয়োজন কৰে। বাথৌপুৰীৰ পৰা মুছলপুৰলৈ প্ৰায় চাৰি কিলোমিটাৰ পথ এই ৰেলিটোৰে পৰিভ্ৰমণ কৰে। উদ্বোধনী অনুষ্ঠানত বিশিষ্ট ক্ৰীড়াবিদ তথা বাক্সা জিলা আৰক্ষী অধিক্ষক ৰাজেন সিং, বাক্সা জিলাৰ উপায়ুক্ত মাচান্দা মাগদালিন পাৰ্টিন, অসম অলিম্পিক সন্থাৰ উপ-সভাপতি বিষ্ণুৰাম নুনিচাই বন্তি প্ৰজ্বলন কৰি অলিম্পিক যাত্ৰাৰ শুভ উদ্বোধন কৰে। উল্লেখ্য যে বাক্সা জিলাক প্ৰতিনিধিত্ব কৰিব লগা যুৱ অলিম্পিকৰ দলটোৰে ফুটবল, আৰ্চাৰী, উশ্বু, কাবাদী, ভলীবল, খো-খো, হেণ্ডবলকে ধৰি দহটা ইভেণ্টত অংশগ্ৰহণ কৰিব। প্ৰথমবাৰৰ বাবে ৰাজ্যখনত আৰম্ভ কৰা অসম যুৱ অলিম্পিকলৈ যাত্ৰা কৰে বাক্সাৰ ১২০গৰাকী খেলুৱৈয়ে।

# আন্তঃজিলা ফুটবলত ডিমাকুছি ফাইনেলত

**গুৱাহাটী, ২১ জুলাই ঃ** এবছুৰ ওদালগুৰি জিলা সমিতিৰ উদ্যোগত কবিৰালী আঞ্চলিক সমিতিৰ সহযোগত জিলাখনৰ কদমগুৰি খেলপথাৰত অনুষ্ঠিত ১৩ বছৰ অনূৰ্ধ্ব আন্তঃজিলা ফুটবল প্ৰতিযোগিতাত ডিমাকুছি আঞ্চলিক এবছু ফুটবল দলে ফাইনেলত প্ৰৱেশ কৰিছে। আজি প্ৰথমখন ছেমিফাইনেলত হৰিশিঙা আঞ্চলিক এবছু ফুটবল দলক ২-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰি ডিমাকুছিয়ে ফাইনেল খেলৰ যোগ্যতা অৰ্জন কৰে। ডিমাকুছিৰ হৈ যৌগাচাৰ বড়ো আৰু চিমৰাণ খাখলাৰীয়ে গ'ল কৰাৰ বিপৰীতে হৰিশিঙাৰ হৈ একমাত্ৰ গ'লটো দিয়ে আশ্বিক বসুমতাৰীয়ে। খেলখন পৰিচালনা কৰে মনজিৎ দৈমাৰীয়ে। সহযোগ কৰে চামেল বসুমতাৰী, বাৰুল বসুমতাৰী আৰু বিকাশ বসুমতাৰীয়ে। কাইলৈ কাজিয়ামাটি খেলপথাৰত বৰনগাঁও আঞ্চলিক এবছু আৰু মাজবাট আঞ্চলিক এবছুৰ মাজত দ্বিতীয়খন ছেমিফাইনেল খেল অনুষ্ঠিত হ'ব।

# নুৰুল আমিন প্ৰথম ডিভিজন ফুটবল

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২১ জুলাই ঃ** নগাঁও নুৰুল আমিন ষ্টেডিয়ামত চলি থকা নুৰুল আমিন প্ৰাইজমানি প্ৰথম ডিভিজন ফুটবল লীগৰ কালি অনুষ্ঠিত খেলত সঞ্জীৱন সমাজে অম্লান গোষ্ঠীক ১-০ গ'লত পৰাস্ত কৰি লীগৰ পইন্ট অৰ্জন কৰে। বিৰতিৰ সময়লৈ গ'লশূন্যভাৱে সমাপ্ত হোৱা খেলখনৰ ৭৭ মিনিটত সঞ্জীৱন সমাজৰ লক্ষ্য জ্যোতি দাসে বিজয়সূচক গ'লটো দি নিজ দলৰ জয় নিশ্চিত কৰে। আজিৰ খেলখনৰ শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰে বিজয়ী দলৰ লক্ষ্যজ্যোতি দাসে।

মুখ্যমন্ত্ৰীয়ে উন্মোচন কৰিলে ১৩১সংখ্যক ‘ডুৰাণ্ড কাপ’ ট্ৰফী

# অসমত ফুটবলৰ গৌৰৱ পুনৰুজ্জীৱিত কৰাৰ বাবে ৰাজ্য চৰকাৰে সংকল্প লৈছে ঃ মুখ্যমন্ত্ৰী

## ‘বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতা’ৰ পূৰ্বৰ ধাৰা ওভতাই অনা হ’ব ঃ হিমন্ত বিশ্ব শৰ্মা



**দৈনন্দিন বাৰ্তাৰ সেৱা, ২১ জুলাই ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ১৩৪ বছৰ পুৰণি দেশৰ ঐতিহ্যমণ্ডিত ফুটবল প্ৰতিযোগিতা ‘ডুৰাণ্ড কাপ’ৰ তিনিটা ট্ৰফী আজি গুৱাহাটীত উন্মোচন কৰে। এই তিনিটা ট্ৰফী হ’ল ডুৰাণ্ড কাপ, ছিমলা ট্ৰফী আৰু প্ৰেছিডেণ্টছ কাপ। উল্লেখ্য যে ভাৰতীয় সেনাবাহিনীৰ উদ্যোগত আৰু অসম চৰকাৰৰ সহযোগত এইবেলি ৰাজ্যখনত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হ’ব এছিয়া মহাদেশৰ ভিতৰতে পুৰণি এই প্ৰতিযোগিতাখন। এই উপলক্ষে অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে গুৱাহাটীত প্ৰথমবাৰৰ বাবে এই ফুটবল প্ৰতিযোগিতাখনিৰ আয়োজন কেৱল ঐতিহাসিকেই নহয়, ই সমগ্ৰ ৰাজ্যবাসীৰ বাবে গৌৰৱৰ বিষয়। ১৩১সংখ্যক ‘ডুৰাণ্ড কাপ’ৰ গুৱাহাটীত অনুষ্ঠিতব্য খেলসমূহ অহা ১৭ আগষ্টৰ পৰা ৪ ছেপ্টেম্বৰলৈকে মহানগৰীৰ ইন্দিৰা গান্ধী এথলেটিক্ ষ্টেডিয়ামত অনুষ্ঠিত হ’ব বুলি তেওঁ কয়। শতিকা পুৰণি এই প্ৰতিযোগিতাখন পূৰ্বতকৈ অধিক প্ৰসাৰিত আৰু প্ৰচাৰিত কৰাৰ প্ৰয়াস চলোৱা হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এইবাৰ ‘ডুৰাণ্ড কাপ’ ফুটবল প্ৰতিযোগিতাত ইণ্ডিয়ান ছুপাৰ লীগৰ ১১টা দলকে ধৰি দেশৰ ২০টা দলে অংশগ্ৰহণ কৰিব। অসমৰ ক্ৰীড়া ইতিহাসৰ বিষয়ে দোহাৰি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে যে ভাৰতীয় ফুটবল দলৰ প্ৰাক্তন অধিনায়ক ড° টি আওৰ দৰে প্ৰতিভাধৰ খেলুৱৈ সৃষ্টি কৰা অসমত ফুটবলৰ গৌৰৱ পুনৰ উজ্জীৱিত কৰাৰ বাবে ৰাজ্য চৰকাৰে সংকল্প লৈছে। তেওঁ ‘বৰদলৈ ট্ৰফী ফুটবল প্ৰতিযোগিতা’ৰ পূৰ্বৰ ধাৰা ওভতাই অনাৰ বাবে পূৰ্ণ প্ৰয়াস অব্যাহত ৰখা বুলি মন্তব্য কৰে। তেওঁ কয় যে অসম চৰকাৰে ৰাজ্যখনত ক্ৰীড়াৰ আন্তঃগাঁথনি শক্তিশালী কৰাৰ লগতে খেলুৱৈসকলৰ উত্তৰণৰ বাবে বিভিন্ন সুদুৰপ্ৰসাৰী ব্যৱস্থা গ্ৰহণ কৰিছে। বহু নতুন ষ্টেডিয়াম নিৰ্মাণ কৰা হৈছে আৰু কিছুসংখ্যক ষ্টেডিয়াম নিৰ্মাণৰ বিভিন্ন পৰ্যায়ত আছে। ৰাজ্যিক আৰু জিলা পৰ্যায়ত বিভিন্ন প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত কৰি খেলুৱৈৰ দক্ষতা বৃদ্ধি কৰাৰ লগতে ক্ৰীড়া প্ৰতিভাক কেৰিয়াৰ হিচাপে গ্ৰহণ কৰাৰ বাবে নীতি নিৰ্ধাৰণৰ ব্যৱস্থা কৰা হৈছে। অৱসৰপ্ৰাপ্ত খেলুৱৈক ক্ৰীড়া পেঞ্চন প্ৰদান কৰাৰ লগতে প্ৰতিভাধৰ খেলুৱৈৰ নিয়োগৰ সুবিধা প্ৰদানৰ ব্যৱস্থা অব্যাহত আছে। তেওঁ অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ সমূহ ক্ৰীড়ামোদী ৰাইজক বিশেষকৈ যুৱপ্ৰজন্মক ইয়াৰ সৈতে জড়িত হৈ ক’ভিড মহামাৰীৰ পৰৱৰ্তীকালত গৌৰৱোজ্জ্বল ‘ডুৰাণ্ড কাপ’ৰ খেলসমূহ উপভোগৰ সুযোগ গ্ৰহণ কৰিবলৈ আহ্বান জনায়। ৰাইজক খেল উপভোগ কৰাৰ বাবে বাছ আদি সকলোধৰণৰ সুবিধা উপলব্ধ কৰি ৰাজ্য চৰকাৰে খেলৰ উদ্যোক্তা তিনিটা সশস্ত্ৰ বাহিনী-সেনা বাহিনী, বিমান বাহিনী আৰু নৌ-বাহিনীক সম্পূৰ্ণ সহায়-সহযোগিতা আগবঢ়াই যাব বুলি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়। দেশৰ পাঁচখন চহৰক অন্তৰ্ভুক্ত কৰি আয়োজিত এই ট্ৰফী ভ্ৰমণৰ অংশ হিচাপে গ্ৰুপ ডি খেলৰ প্ৰথম ১০খন খেল অনুষ্ঠিত কৰিবলৈ গুৱাহাটীক বাছনি কৰা বাবে তেওঁ ভাৰতীয় সেনাক ধন্যবাদ জ্ঞাপন কৰে। আজিৰ এই অনুষ্ঠানত লেফটেনেণ্ট জেনেৰেল কে কে ৰেপছৱাল, এছ এম, ভিএছ এম, চীফ অফ ষ্টাফ, ইষ্টাৰ্ন কমাণ্ড, ডুৰাণ্ড আয়োজক সমিতিৰ অধ্যক্ষ তথা লেফটেনেণ্ট জেনেৰেল কে চি পঞ্চনাথন, এভিএছএম, জেনেৰেল অফিচাৰ কমাণ্ডিং-ইন-চীফ, এৰিয়া ১০১, অসম চৰকাৰৰ মুখ্য সচিব জিষ্ণু বৰুৱা, ভাৰত চৰকাৰৰ অতিৰিক্ত মুখ্য সচিব মুনিন্দৰ সিং, মেজৰ জেনেৰেল বিকাশ চাইনি, এছ এম ভি এছ এম, জিঅ’চি ৫১ এৰিয়া উপস্থিত থাকে।

# নতুন বলাইত আন্তঃৰাষ্ট্ৰীয় পাঞ্জা খেলুৱৈ কৰবী সোণোৱালক ৰাজহুৱা সম্বৰ্ধনা জ্ঞাপন

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ডিব্ৰুগড়, ২১ জুলাই ঃ** ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত ক্ৰীড়া ক্ষেত্ৰত স্বৰ্ণ আৰু ৰূপৰ পদক জয় কৰি অসম তথা ভাৰতলৈ গৌৰৱ কঢ়িয়াই অনা সুদক্ষ পাঞ্জা খেলুৱৈ ধেমাজিৰ জীয়ৰী আৰু বৰ্তমান ডিব্ৰুগড় জিলাৰ নতুন বলাই গাঁৱৰ বোৱাৰী কৰবী সোণোৱালক যোৱা ১৭ জুলাইত নতুন বলাই গাঁৱৰ বিদ্যাৰেখা সংঘ প্ৰাংগণত ৰাজহুৱা সম্বধনা জ্ঞাপন কৰা হয়। কৰবী সোণোৱালে সদ্যসমাপ্ত এছিয়ান পাঞ্জা প্ৰতিযোগিতাত ৰূপৰ পদক আৰ্জন কৰি এতিয়া ভাৰতবৰ্ষক প্ৰতিনিধিত্ব কৰি ফ্ৰান্সত অনুষ্ঠিতব্য বিশ্ব পাঞ্জা প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব। নতুন বলাই গাঁও উন্নয়ন সমিতিৰ উদ্যোগত আয়োজিত সম্বৰ্ধনা অনুষ্ঠানথলীলৈ কৃতী খেলুৱৈগৰাকীক তেওঁৰ বাসভৱনৰ পৰা গায়ন-বায়নেৰে আদৰি অনা হয়। বৃহত্তৰ বলাই অঞ্চলৰ বৌদ্ধিক স্বেচ্ছাসেৱী সংগঠন আলোকসন্ধানী অধ্যয়ন চক্ৰৰ সভাপতি গকুল চন্দ্ৰ খাউন্দে আঁত ধৰা সম্বৰ্ধনা অনুষ্ঠানৰ পাতনিতে উন্নয়ন সমিতিৰ সভাপতি যোগেন হাজৰিকাই ধৰ্মপ্ৰদীপ প্ৰজ্বলন কৰাৰ লগতে স্থানীয় শিল্পীদ্বয় মৌচুমী আৰু মূৰ্ছনা সোণোৱালে প্ৰাৰ্থনা পৰিৱেশনেৰে অনুষ্ঠানটিৰ গাম্ভীৰ্য বৃদ্ধি কৰে। কোটোহা উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক, আমন্ত্ৰিত সভাপতি তুলাৰাম সোণোৱাল আৰু ক্ৰীড়াবিদগৰাকীক অংগবস্ত্ৰ আৰু গ্ৰন্থৰ টোপোলাৰে আদৰণি জনোৱাৰ পাছতে উন্নয়ন সমিতিৰ সম্পাদক ৰমেন সোণোৱালে উদ্দেশ্যে ব্যাখ্যা প্ৰসংগত অনেক সীমাবদ্ধতাৰ মাজতো কৰবী সোণোৱালে অৰ্জন কৰা কৃতিত্ব এক বিৰল তথা প্ৰজন্মৰ বাবে অনুকৰণীয় কাৰ্য বুলি কয়। নতুন বলাই গাঁও উন্নয়ন সমিতি, বিদ্যাৰেখা সংঘ, প্ৰদীপ পুথিভঁৰাল, আলোকসন্ধানী অধ্যয়ন চক্ৰ, সোণোৱাল কছাৰী স্বায়ত্বশাসিত পৰিষদৰ কোটোহা সমষ্টিৰ সদস্য বদন চন্দ্ৰ সোণোৱাল, নতুন বলাই গাঁৱৰ ভৰালীবৃন্দ, কেওটাৰী বাঘ্ৰী সঁচৰ প্ৰতিনিধিবৃন্দৰ ফালৰ পৰা সমূহীয়াভাৱে সঁফুৰা, সম্বৰ্ধনা পত্ৰ আদি আগবঢ়াই সম্বৰ্ধনা জ্ঞাপন কৰাৰ উপৰিও নতুন বলাই গাঁৱৰ সমাজকৰ্মী খগেন সোণোৱাল আৰু তেওঁৰ পত্নী ৰীমা সোণোৱাল আৰু নলিনী সোণোৱাল প্ৰমুখ্যে বহুজনে




ব্যক্তিগতভাৱে উপহাৰ যাচি সম্বৰ্ধনা জ্ঞাপন কৰে। সভাপতিৰ ভাষণ প্ৰসংগত তুলাৰাম সোণোৱালে খেলুৱৈগৰাকী প্ৰজন্মৰ বাবে আদৰ্শ বুলি কোৱাৰ লগতে সম্প্ৰতি তেখেতে বিদেশলৈ গৈ আন্তৰ্জাতিক পৰ্যায়ৰ প্ৰতিযোগিতাত ভাগ ল’বৰ বাবে প্ৰয়োজন হোৱা অৰ্থনৈতিক দিশটোৰ কথাও ৰাইজে চিন্তা কৰা উচিত বুলি মন্তব্য কৰে। সম্বৰ্ধনা গ্ৰহণ কৰি কৃতী খেলুৱৈ কৰবী সোণোৱালে বক্তব্য প্ৰসংগত বলাইবাসী ৰাইজৰ আন্তৰিক উছাহ আৰু সম্বৰ্ধনাই তেওঁক অনুপ্ৰাণিত কৰা বুলি মন্তব্য কৰে। খেলুৱৈগৰাকীয়ে প্ৰথম অৱস্থাত ভলীবল খেলুৱৈৰূপে ক্ৰীড়াংগণত ভৰি দি পৰৱৰ্তী সময়ত পাঞ্জা খেলুৱৈৰূপে ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাত বিজয়ী হোৱালৈকে ক্ৰীড়া জীৱনৰ পৰিক্ৰমা উল্লেখ কৰি অনুজসকলক ধৈৰ্য, দৃঢ়তা আৰু কৃচ্ছ্ৰসাধনৰ যোগেদিহে যি কোনো ক্ষেত্ৰত সফলতা লাভ কৰিব পাৰিব বুলি কয়। প্ৰসংগক্ৰমে খেলুৱৈগৰাকীয়ে ২০০৯ চনৰ পৰাই চলাই অহা অবিৰত প্ৰচেষ্টাৰ অন্তত বৰ্তমানৰ অৱস্থা পোৱা আৰু অলপতে ফ্ৰান্স দেশত অনুষ্ঠিতব্য বিশ্ব পাঞ্জা প্ৰতিযোগিতাৰ বাবে প্ৰস্তুতি সম্পৰ্কে ব্যাখ্যা দাঙি ধৰে। সামৰণিত সম্বৰ্ধনা অনুষ্ঠানৰ সূত্ৰধাৰ গকুল চন্দ্ৰ খাউন্দে উদ্যোক্তাবৃন্দৰ হৈ অনুষ্ঠানটি সাফল্যমণ্ডিত কৰাৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়োৱা ব্যক্তি তথা অনুষ্ঠান-সংগঠনৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰে।

নগাঁৱত বেংক অৱ বৰোডাৰ প্ৰতিষ্ঠা দিৱস পালন

# বেংক অৱ বৰোডাৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে কামপুৰৰ বানপীড়িত ৰাইজক বান সাহায্য প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ২১ জুলাই ঃ** চলিত বৰ্ষত বেংক অৱ বৰোডাই ১১৫ বৰ্ষত ভৰি দিলে। বেংক অৱ বৰোডাৰ ১১৫সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে বুধবাৰে বেংক অৱ বৰোদাৰ নগাঁও শাখাৰ কাৰ্যালয়ত কে’ক্ কাটি প্ৰতিষ্ঠা দিৱসটি উদ্‌যাপন কৰা হয়। বেংক অৱ বৰোডাৰ নগাঁও শাখাৰ মুখ্য প্ৰবন্ধক ৰাকেশ কুমাৰ সিন্‌হাই কে’ক্ কাটি প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচী পালন কৰে। প্ৰতিষ্ঠা দিৱসৰ কাৰ্যসূচীত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে সুনীল গোৱেংকা, সমাজসেৱক জগদীশ ধোদ, সাংবাদিক বিকাশ শৰ্মা, বেদ্ৰব্ৰত ৰাজা প্ৰমুখ্যে বেংকৰ বিষয়ববীয়াসকল। আনহাতে বেংক অৱ বৰোডাৰ ১১৫তম প্ৰতিষ্ঠা দিৱস উপলক্ষে বেংক অৱ বৰোডাৰ নগাঁও শাখাই গ্ৰহণ কৰিছে এক প্ৰশংসনীয় পদক্ষেপ। প্ৰতিষ্ঠা দিৱস উপলক্ষে বেংক অৱ বৰোডাৰ নগাঁও শাখাৰ উদ্যোগত কামপুৰৰ বিভিন্ন বান বিধ্বস্ত অঞ্চলৰ বানপীড়িত ৰাইজক বান সাহায্য প্ৰদান কৰা হয়।




# অসম যুৱ অলিম্পিকলৈ যাত্ৰা কৰিব লগা খেলুৱৈসকলক লৈ তামুলপুৰৰ পৰা মটঙাপাৰলৈ টৰ্চ ৰেলী



**দৈনন্দিন বাৰ্তাৰ ক্ৰীড়া প্ৰতিনিধি, তামুলপুৰ, ২১ জুলাই ঃ** অসম চৰকাৰ আৰু অসম অলিম্পিক সন্থাৰ যৌথ উদ্যোগত ৰাজ্যখনত প্ৰথমবাৰৰ বাবে আয়োজন কৰা অসম যুৱ অলিম্পিকক লৈ সমগ্ৰ অসমজুৰি ক্ৰীড়াপ্ৰেমীসকলৰ মাজত যথেষ্ট চৰ্চা চলি থকাৰ মাজতে অসম অলিম্পিক সন্থাৰ উপ-সভাপতি বিষ্ণু ৰাম নুনিচাৰ নেতৃত্বত সমগ্ৰ নামনি অসমৰ গোৱালপাৰা, ধুবুৰী, দক্ষিণ শালমাৰা, কোকৰাঝাৰ, চিৰাং, বঙাইগাঁও, বৰপেটা, বজালী, বাক্সা, নলবাৰী ভ্ৰমণ কৰি আহি অলিম্পিক শিখা আজি তামুলপুৰত উপস্থিত হয়। তামুলপুৰত অলিম্পিক শিখা আহি পোৱাৰ লগে লগে তামুলপুৰ জিলা ক্ৰীড়া সন্থাৰ কাৰ্যালয়ত অলিম্পিক শিখা কঢ়িয়াই অনা দলটোক উষ্ম অভিনন্দন জনোৱা হয়। তামুলপুৰ জিলা ক্ৰীড়া সন্থাৰ সভাপতি দেৱেন বড়োই আদৰণী ভাষণ আগবঢ়োৱা এখন সভাত উপস্থিত থাকি তামুলপুৰৰ বিধায়ক জলেন দৈমাৰী, তামুলপুৰ জিলাৰ আৰক্ষী অধীক্ষক পংকজ যাদৱ, অসম অলিম্পিক সন্থাৰ উপ-সভাপতি বিষ্ণুৰাম নুনিচাই উপস্থিত তামুলপুৰ জিলা ক্ৰীড়া সন্থাৰ খেলুৱৈসকলক উৎসাহমূলক আৰু বহুমূলীয়া পৰামৰ্শ আগবঢ়ায়। সভাত অসম অলিম্পিক সন্থাৰ উপ-সভাপতি বিষ্ণুৰাম নুনিচাই অসম অলিম্পিকত যোগদান কৰি পদক লাভ কৰিব বুলি আশা প্ৰকাশ কৰে। তেওঁ তামুলপুৰ জিলাৰ পৰা অংশগ্ৰহণ কৰা খেলুৱৈসকলৰ মাজৰ পৰা একো একোগৰাকী লাভলীনা, হিমা দাস হৈ জিলিকি উঠিব বুলিও আশা প্ৰকাশ কৰে। আজি তামুলপুৰ জিলা ক্ৰীড়া সন্থাৰ কাৰ্যালয়ৰ পৰা অসম অলিম্পিকলৈ যাত্ৰা কৰিব লগা খেলুৱৈসকলক লৈ ক্ৰীড়া সন্থাৰ কাৰ্যালয়ৰ পৰা তামুলপুৰৰ মটঙাপাৰলৈ এটি টৰ্চ ৰেলী উলিওৱা হয়। তামুলপুৰ জিলা ক্ৰীড়া সন্থাৰ কাৰ্যালয়ত অনুষ্ঠিত সভাত উপস্থিত থাকে তামুলপুৰৰ ক্ৰীড়া ক্ষেত্ৰৰ কে’বাগৰীও বিশিষ্ট ব্যক্তি তামুলপুৰ জিলা ক্ৰীড়া সন্থাৰ কাৰ্যকৰী সভাপতি মহেন্দ্ৰ নাথ দাস, বিশিষ্ট সাংস্কৃতিক কৰ্মী চমেন পাঠক, নলিনী ডেকা, নলবাৰী ক্ৰীড়া সন্থাৰ সম্পাদক বুবুল তালুকদাৰ, নলবাৰী ক্ৰীড়া সন্থাৰ এথলেটিকছ সম্পাদক কল্যাণ বৰ্মন, তামুলপুৰ জিলা ক্ৰীড়া বিষয়া দেৱাংগ মহলীয়া আৰু তামুলপুৰ জিলা ক্ৰীড়া সন্থাৰ বিষয়ববীয়া আৰু সদস্যসকল উপস্থিত থাকে।

# কেথম দ’ৱান লংৰি ৰিছ’-এজাং চিংৰুম আমেইৰ কাৰ্যনিৰ্বাহক আৰু সজাগতা সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, বিহালী, ২১ জুলাই ঃ** ‘একাগ্ৰতা-ধৈৰ্যশক্তি-আগ্ৰহ থাকিলেহে জীৱনৰ বাটত উজলিব পাৰি।’ এই মন্তব্য কেথম দ’ৱান লংৰি ৰিছ’-এজাং চিংৰুম আমেই (তৃতীয় আশ্ৰম যুৱ সমিতি)ৰ সভাপতি থানেশ্বৰ চিংনাৰৰ। আজি কেথম দ’ৱান লংৰি আমেইৰ অন্তৰ্গত বিশ্বনাথ জিলাৰ তিনিসুঁতি লক্ষীমন দ’ৱান প্ৰাংগণত উক্ত সমিতিৰ উদ্যোগত কাৰ্যনিৰ্বাহক আৰু সজাগতা সভা অনুষ্ঠিত হয়। উক্ত সমিতিৰ সম্পাদক জয়জিত ৰংহাঙে আঁত ধৰা সভাখনত সভাপতিত্ব কৰে স্থায়ী সভাপতি থানেশ্বৰ চিংনাৰে। আজিৰ সভাত বিশেষকৈ প্ৰত্যেক বছৰৰ দৰে আগন্তুক ২৬, ২৭ আৰু ২৮ আগষ্টত কাৰ্বি আংলং জিলাৰ ড’লামৰা লক্ষীমন আশ্ৰমত অনুষ্ঠিত হ’বলগীয়া হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিকত উত্তীৰ্ণ শিক্ষাৰ্থীক ৰাজহুৱা সম্বৰ্ধনা আৰু কেথম দ’ৱান লংৰি ৰিছ’-এজাং চিংৰুম আমেই (যুৱ সমিতি)ৰ তৰফৰ পৰা কবিতা আবৃত্তি, কুইজ আৰু লক্ষীমন ভক্তিমূলক গীত প্ৰতিযোগিতাত অংশগ্ৰহণৰ লগতে বৰ্তমান যুৱ প্ৰজন্ম আৰু অভিভাৱকসকল কেনেকৈ এখন সুস্থিৰ সমাজ গঢ়িব পাৰি তাৰ বিষয়েও সভাত বিতংভাৱে আলোচনাই স্থান লাভ কৰে। আজিৰ সভাত ৰিছ’-এজাং চিংৰুম আমেই কেন্দ্ৰীয় সমিতিৰ হৈ থানু ইংতি, ৰাজেন চিংনাৰ, ৰেণুকা তেৰাংপী আদিয়ে আজিৰ প্ৰজন্মক আধ্যাত্মিক জ্ঞান আহৰণেৰে শিক্ষাৰ প্ৰতি আগ্ৰহ তথা গুৰুত্ব দি সবল সমাজ গঠনত আগভাগ লোৱা উচিত বুলি বক্তব্য আগবঢ়ায়। ইফালে সভাপতিৰ ভাষণত থানেশ্বৰ চিংনাৰে নিজ ৰচিত বহুকেইটা কাৰ্বি হিৰজিৰ অৰ্থাৎ কাৰ্বি কবিতা পাঠ কৰি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে।

# টাই সাহিত্য সভাৰ শিৱসাগৰ জিলা সমিতি গঠন

**দৈনন্দিন বাৰ্তাৰ সেৱা, শিৱসাগৰ, ২১ জুলাই ঃ** টাই সাহিত্য সভাৰ কেন্দ্ৰীয় সমিতি ( তদৰ্থ)ৰ নিৰ্দেশ মৰ্মে যোৱা ১৭ জুলাইত শিৱসাগৰৰ টাই আহোম সাংস্কৃতিক বিকাশ মঞ্চত এখন প্ৰতিনিধিত্বমূলক ৰাজহুৱা সভা অনুষ্ঠিত হয়। শিৱসাগৰ জিলাৰ কে’বাগৰাকী বিশিষ্ট ব্যক্তিৰ দ্বাৰা গঠিত সভাপতিমণ্ডলীয়ে পৰিচালনা কৰা উক্ত ৰাজহুৱা সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে ড° বিপুল গগৈয়ে। বন্তি প্ৰজ্বলন কৰে পূৰ্ণ বৰুৱাই। উক্ত ৰাজহুৱা সভাত কেন্দ্ৰীয় সমিতি( তদৰ্থ)ৰ প্ৰধান সম্পাদক নৰেন চাংমাই , জ্ঞানেন্দ্ৰ ফুকন, ড° দিব্য কুমাৰ ৰাজখোৱা, শৰৎ চন্দ্ৰ নেওগ, জগত বৰগোহাঁই, সুৰেন চেতিয়া, ডাঃ উপেন্দ্ৰ নাথ গগৈ, ড° জিতু শইকীয়া, অংকুৰণ ফুকন, অনলোক টাই, ৰজিত ফুকন, শিখাপ্ৰিয়া গগৈ আদি ভালেসংখ্যক বিশিষ্ট ব্যক্তিয়ে ভাষণ প্ৰদান কৰি টাই সাহিত্য সভাৰ শিৱসাগৰ জিলা সমিতি (তদৰ্থ) গঠন কৰে। আলোচনাৰ অন্তত ড° দিব্য কুমাৰ ৰাজখোৱা, ড° পুণ্যধৰ গগৈ, ৰজিত ফুকনকে ধৰি ১২গৰাকীক উপদেষ্টা মণ্ডলী, উমেশ গগৈ, ডাঃ উপেন্দ্ৰ নাথ গগৈ, ফুলবৰ দিহিঙীয়াকে ধৰি ৬গৰাকীক সভাপতি মণ্ডলী, ড° বিপুল গগৈক সাধাৰণ সম্পাদক, যাদৱ চাংমাই, বিদ্যাসাগৰ চেতিয়া, লোহিত মহন ফুকনকে ধৰি ২৩গৰাকীক সম্পাদক মণ্ডলী হিচাপে লৈ তদৰ্থ ভিত্তিত টাই সাহিত্য সভাৰ শিৱসাগৰ জিলা সমিতি গঠন কৰে। উক্ত সভাত শিৱসাগৰ জিলাৰ বিভিন্ন প্ৰান্তৰ ডেৰ শতাধিক বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰি পৰামৰ্শমূলক বক্তব্য প্ৰদান কৰে।

# মৈৰাবাৰীত নথি-পত্ৰবিহীন ই-ৰিক্সা জব্দ প্ৰশাসনৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৈৰাবাৰী, ২১ জুলাই ঃ** লাইচেন্স আৰু নথি-পত্ৰবিহীন ই-ৰিক্সাসমূহৰ বিৰুদ্ধে আজি প্ৰশাসনে এক অভিযান চলায়। অঞ্চলটোত বৈধ আস্থান নথকা বাবে য’তে ত’তে ই-ৰিক্সাবোৰ ৰখাই থোৱাত সাধাৰণ পথচাৰীসকলৰ অসুবিধা হোৱাৰ লগতে সঘনাই দুৰ্ঘটনা সংঘটিত হয় ঠাইখনত। অনুজ্ঞা-পত্ৰবিহীনভাৱে চলাচল কৰি থকা ই-ৰিক্সাবোৰ আজি পৰিবহণ বিভাগে মৈৰাবাৰী আৰক্ষীৰ সহযোগত জব্দ কৰে। ডেৰ শতাধিক ই-ৰিক্সাৰ নথি-পত্ৰ আৰু লাইচেন্স পৰীক্ষা কৰাৰ পাছত উপযুক্ত নথি নথকা ই-ৰিক্সাসমূহক জৰিমনা বিহাৰ লগতে বৈধ নথি-পত্ৰবিহীন ২৫খন ই-ৰিক্সা জব্দ কৰি মৈৰাবাৰী থানালৈ লৈ যায়। উল্লেখ্য যে দুদিন পূৰ্বে মৈৰাবাৰীত ই-ৰিক্সাৰ দ্বাৰা এগৰাকী ৬ বছৰীয়া শিশু দুৰ্ঘটনাগ্ৰস্ত হৈ আঘাত পাইছিল আৰু সেই সন্দৰ্ভত ৰাইজসহ স্থানীয় দুটা সংগঠনে ই-ৰিক্সাসমূহৰ বিৰুদ্ধে ওলাই আহি মৈৰাবাৰী আৰক্ষী থানাত মৌখিক অভিযোগ দাখিল কৰাত আজি মৰিগাঁও পৰিবহণ বিভাগে মৈৰাবাৰী আৰক্ষীৰ সহযোগত উক্ত অভিযান চলায়।




শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক’লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৬১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালততহে প্ৰযোজ্য হ’ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯
■ মুখ্য সম্পাদক ঃ ড° নৰেন হাজৰিকা
■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া
■ সম্পাদক ঃ শংকৰ গোহাঞি